www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

‘ বৃহৎ যাত্ৰাৰ সৰ্বাধিক কঠিন বস্তু হৈছে সিদ্ধান্ত লোৱা। বাকী টুকুৰাটো মাত্ৰ দৃঢ়তা। ’
— এমেলিয়া এৰহাৰ্ট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৭৩ | বুধবাৰ | ১৩ আগষ্ট, ২০২৫ চন | ২৭ শাওন, ১৯৪৭ শক | VOL - 6 | NO.- 173 | Wednesday | 13rd August, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## জনজাতি এলেকাত দিলীপ শইকীয়াক বৰ্জন

### ট্ৰাইবেল বেল্টত আন লোকেও ভূমি ক্ৰয় কৰাক লৈ দিলীপ শইকীয়াৰ মন্তব্যত ক্ষোভ



**অসম বাৰ্তা, কোকৰাঝাৰ, ১২ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজ'ন (বি টি আৰ)ৰ নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপিছে, সিমানেই ৰাজনৈতিক দলৰ প্ৰচাৰৰ তীব্ৰতা বৃদ্ধি পাইছে। শাসকীয় দল ভাৰতীয় জনতা পাৰ্টী (বিজেপি) এই নিৰ্বাচনক লৈ বিশেষভাৱে সক্ৰিয় হৈ পৰিছে আৰু ব্যাপক প্ৰচাৰ অভিযানৰ জৰিয়তে জনজাতি অঞ্চলত নিজৰ প্ৰভাৱ বিস্তাৰৰ প্ৰয়াস কৰিছে। এই প্ৰচাৰৰ অংশ হিচাপে অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই অলপতে ঘোষণা কৰিছিল যে বিজেপিৰ চৰকাৰ গঠন হ'লে ▸▸৬ পৃষ্ঠাত

## বিপদত ভাৰতীয় কূটনীতিবিদ আৰু সাধাৰণ কৰ্মচাৰী

## পাকিস্তানস্থিত ভাৰতীয় দূতাবাসত পানী-ৰন্ধন গেছৰ যোগান বন্ধ চৰকাৰৰ





**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে ভাৰত-পাকিস্তানৰ মাজত। ইছলামাবাদস্থিত ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে পাকিস্তান চৰকাৰে। ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ মৌলিক সা-সুবিধাৰ ক্ষেত্ৰত পাকিস্তানে আৰোপ কৰিছে কিছুমান বাধা নিষেধ। নিজৰ ময়মতালিত পাক চৰকাৰে এই সিদ্ধান্ত লোৱাৰ অভিযোগ কৰিছে ভাৰত। লগতে ভিয়েনা চুক্তিৰ নিয়মাৱলী ভংগ কৰাৰ অভিযোগ ▸▸৬ পৃষ্ঠাত

## ২০১২ৰ গোষ্ঠী সংঘৰ্ষৰ ৫ দোষীক আজীৱন কাৰাদণ্ড

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** বিগত ২০১২ চনত চিৰাং জিলাৰ বিজনী থানাৰ হাশ্ৰাওবাৰীত সংঘটিত গোষ্ঠীগত হত্যাকাণ্ডৰ সন্দৰ্ভত বঙাইগাঁওস্থিত চি বি আইৰ বিশেষ আদালতে আজি ঐতিহাসিক ৰায়দান কৰে। বিশেষ ন্যায়াধীশ মৌচুমী দে'ৰ আদালতে মঃ ▸▸৬ পৃষ্ঠাত





বঙাইগাঁও চিবিআই আদালতৰ ঐতিহাসিক ৰায়

### অসম চুক্তি ৰূপায়ন, বিদেশী বহিষ্কৰণ, অসমীয়াৰ সাংবিধানিক ৰক্ষাকৱচৰ ওপৰত ৰাহুল গান্ধীৰ সৈতে আলোচনা

## দিল্লীত ৰাহুল গান্ধীক সাক্ষাৎ অজাপ নেতৃত্বৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** কংগ্ৰেছ নেতা তথা লোকসভাত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি সাক্ষাৎ কৰে অসম জাতীয় পৰিষদৰ নেতৃত্বই। সংসদ ভৱনত বিৰোধী দলপতিগৰাকীক সাক্ষাৎ কৰে অসম জাতীয় ▸▸৬ পৃষ্ঠাত



### নিৰ্বাচন আয়োগৰ সিদ্ধান্তত সন্মতি উচ্চতম ন্যায়ালয়ৰ

## নাগৰিকত্বৰ প্ৰমাণ নহয় আধাৰ কাৰ্ড


### বিহাৰত চলি থকা বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সন্দৰ্ভত ৰায়





**ডিজিটেল সংবাদ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** উচ্চতম ন্যায়ালয়ে আজি এক গুৰুত্বপূৰ্ণ ৰায়দানত স্পষ্ট কৰি দিলে যে আধাৰ কাৰ্ডক নাগৰিকত্বৰ চূড়ান্ত প্ৰমাণ হিচাপে গণ্য কৰিব নোৱাৰি। ন্যায়াধীশ সূৰ্য্য কান্তৰ নেতৃত্বত বিচাৰপীঠটোৱে নিৰ্বাচন আয়োগৰ সিদ্ধান্তক সমৰ্থন জনাই ক'লে, ▸▸৬ পৃষ্ঠাত

## ৮খন চহৰত ১৪ দিনীয়াকৈ অনুষ্ঠিত হ'ব অসম গ্ৰন্থমেলা ২০২৫





**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** গুৱাহাটী খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২০২৫ চনৰ ২৪ ডিচেম্বৰৰ পৰা ৬ জানুৱাৰীলৈকে ১৪ দিনীয়াকৈ অনুষ্ঠিত হ'ব অসম গ্ৰন্থমেলা ২০২৫, যিটো ▸▸৬ পৃষ্ঠাত





মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই চৰকাৰী হস্তক্ষেপ

## নগাঁৱৰ ঢাকাপট্টিৰ নতুন নাম ‘ৰূপকোঁৱৰৰ চ'ক’, ‘বৰবজাৰ’

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** নগাঁও চহৰৰ ঢাকাপট্টি অঞ্চলত সংঘটিত এটা হিংসাত্মক ঘটনাই জিলাখনক আলোড়িত কৰে। এজন যুৱকে বাইকৰ হৰ্ণ বজোৱাৰ বাবে আন এজনে তেওঁক হেলমেটেৰে আক্ৰমণ কৰে। এই ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে, যাৰ ফলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘটনাৰ তদন্ত কৰি ঢাকাপট্টিৰ নাম সলনি কৰাৰ ▸▸৬ পৃষ্ঠাত

## অসম বিষয়ত কোনোধৰণৰ মাত নামাতিবলৈ আলফাক সকিয়নি হিন্দু সুৰক্ষা সেনাৰ

**অসম বাৰ্তা, গুৱাহাটী, ১২ আগষ্ট ঃ** কোনো সন্ত্ৰাসবাদী সংগঠনৰ ভয়-ভাবুকিৰ ওচৰত সেও নামানি অহা ১৫ আগষ্টত মুক্তমনে, ▸▸৬ পৃষ্ঠাত

## বিটিআৰত মূল যুঁজ বিপিএফ আৰু বিজেপিৰ ঃ হাগ্ৰামা মহিলাৰী

### ইউপিপিএলে এনডিএ এৰিলেহে আলোচনাৰ ইংগিত হাগ্ৰামাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ)ত নিৰ্বাচনী প্ৰচাৰ যিমানে আগবাঢ়িছে, সিমানে ৰাজনৈতিক পৰিৱেশ অধিক উত্তপ্ত হৈ উঠিছে। ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল), বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ) আৰু ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে ▸▸৬ পৃষ্ঠাত



### আজিৰ কলম

## উন্নয়ন আৰু প্ৰত্যাহবান



বীৰেন্দ্ৰ হাজৰিকা

পঞ্চায়ত ব্যৱস্থা উন্নয়নৰ বুনিয়াদ হ'ব পাৰে, যদিহে আইন অনুসৰি গাঁও সভাসমূহ শক্তিশালী ৰূপত গঢ় ▸▸৬ পৃষ্ঠাত

### আহত সাংবাদিক-আৰক্ষী

## হোজাইত আৰক্ষীৰ ওপৰত আক্ৰমণ উত্তেজিত জনতাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** হোজাই জিলাৰ দীঘলবালি অঞ্চলত আজি এক চাঞ্চল্যকৰ ঘটনাই উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰিছে, য'ত উত্তেজিত ▸▸৬পৃষ্ঠাত



### প্ৰশাসনিক সংস্কাৰৰ নতুন পদক্ষেপ

## অসমত সমজিলাৰ সংখ্যা ৪৯লৈ বৃদ্ধি

### লক্ষ্য জনসাধাৰণৰ সুবিধা আৰু প্ৰশাসনিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ আগষ্ট ঃ** জনসাধাৰণৰ সুবিধাৰ্থে আৰু প্ৰশাসনিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰে অসমত সমজিলাৰ সংখ্যা ৪৯খনলৈ বৃদ্ধি কৰা হৈছে। প্ৰথম পৰ্যায়ত ৩৯খন সমজিলা গঠনৰ পিছত দ্বিতীয় পৰ্যায়ত নতুনকৈ আৰু ১০খন ▸▸৬ পৃষ্ঠাত







# সংকটৰ গৰাহত ঐতিহাসিক ভূএঞা পুখুৰী

## অবৈধ বেদখলকাৰীৰ সোণাৰি প্ৰেছ ক্লাবৰ সভাপতিক প্ৰহাৰ

**অসম বাৰ্তা, চৰাইদেউ, ১২ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন স্থানত অব্যাহত থকা বেদখলকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সমান্তৰালকৈ একাধিক দল-সংগঠনে অবৈধ দখলকাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰা সময়তে আজি বেদখলকাৰীৰ হাতত প্ৰহৃত হ'ল সোণাৰি প্ৰেছ ক্লাবৰ স্বয়ং সভাপতি গৰাকী। ঘটনাৰ বিৱৰণী মতে চৰাইদেউ জিলাৰ মথুৰাপুৰ অঞ্চলত থকা আহোম ৰাজত্বকালৰ স্মৃতি বিজড়িত ঐতিহাসিক ভূএঞা পুখুৰীটো চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলাৰ বাবে দুটা পৰিয়ালে পুখুৰীটোৰ পাৰ বেদখল কৰি বসবাস কৰাতে ক্ষান্ত নাথাকি পুখুৰীটো পুতি ব্ৰয়লাৰ ফাৰ্ম খোলা, শৌচালয় পৰ্যন্ত সাজি লয়। ইফালে ঐতিহাসিক পুখুৰীটো বেদখলমুক্ত কৰি ইয়াক উপযুক্ত সংৰক্ষণ কৰিবৰ বাবে বিভিন্ন দল -সংগঠনৰ স্থানীয় কৰ্মকৰ্তাৰ লগতে একাংশ সচেতন ব্যক্তিয়ে সততে দাবী জনাই আহিছে যদিও প্ৰশাসনৰ লগতে সংশি-ষ্ট বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নকৰাত ক্ৰমাৎ নিচিহ্ন হোৱাৰ দিশে গতি কৰিছে ঐতিহাসিক পুখুৰীটো। ঐতিহাসিক স্মৃতি বিজড়িত এই ঐতিহাসিক পুখুৰীটো শীঘ্ৰে বেদখলমুক্ত কৰি ইয়াক সংৰক্ষণৰ ব্যৱস্থা নকৰিলে এক ঐতিহাসিক সমল কালৰ বুকুত নিচিহ্ন হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰালৈ চাই বীৰ লাচিত সেনাৰ চৰাইদেউ জিলা সমিতিয়ে যোৱা ২৭ জুলাইৰ দিনা চৰাইদেউ জিলাৰ আয়ুক্তক এক স্মাৰকপত্ৰ প্ৰদান কৰি উক্ত পুখুৰীটো বেদখল মুক্ত কৰাৰ দাবী জনাইছিল ইয়াৰ আধাৰতে আজি বিয়লি বীৰ লাচিত সেনাৰ চৰাইদেউ জিলা সমিতিৰ কৰ্মকৰ্তাই সংশি-ষ্ট পুখুৰীটোত চলা বেদখল সন্দৰ্ভত বুজ ল'বলৈ উক্ত স্থানত উপস্থিত হোৱা সময়ত সংগঠনটোৰ কৰ্মকৰ্তাৰ আমন্ত্ৰণ অনুসৰি সংবাদ সংগ্ৰহৰ বাবে উপস্থিত হোৱা চৰাইদেউ জিলাৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক তথা সোণাৰি প্ৰেছ ক্লাবৰ সভাপতি আলিম আহমেদক বেদখলকাৰী মুবিদুল ইছলামৰ পত্নী নাৰ্জি বেগমে ৰাজহুৱাকৈ শাৰীৰিক ভাৱে প্ৰহাৰ কৰাৰ লগতে অশ্লীল গালিৰে অপদস্থ কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে প্ৰহৃত সংবাদকৰ্মী গৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে তেওঁক চিকিৎসা সেৱা প্ৰদান কৰে। ইফালে বীৰ লাচিত সেনাৰ তৰফৰ পৰা লগতে সংবাদকৰ্মী গৰাকীয়ে পৃথকে পৃথকে এই বিষয়ত মথুৰাপুৰ আৰক্ষী থানাত একোখনকৈ এজাহাৰ দাখিল কৰে। উল্লেখযোগ্য যে অতি শীঘ্ৰে প্ৰশাসনে এই পুখুৰীটো বেদখলমুক্ত কৰাৰ ব্যৱস্থা নকৰিলে বীৰ লাচিত সেনাৰ চৰাইদেউ জিলা সমিতিয়ে জংগী আন্দোলন গঢ়ি তোলাৰ হুমকি দিছে। ইফালে বীৰ লাচিত সেনাৰ চৰাইদেউ জিলাৰ সমিতিৰ আমন্ত্ৰণ মৰ্মে মথুৰাপুৰৰ এটা ৰজাদিনীয়া পুখুৰীত চলা বেদখলৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা জ্যেষ্ঠ সাংবাদিক আলিম আহমেদক বেদখলকাৰীয়ে প্ৰহাৰ কৰা কাৰ্যক চৰাইদেউ প্ৰেছ ক্লাব, সোণাৰি প্ৰেছ ক্লাব, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ চৰাইদেউ জিলা সমিতিয়ে কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে অতিশীঘ্ৰে অভিযুক্ত মহিলা গৰাকীক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে। ইফালে এই দুৰ্ভাগ্যজনক ঘটনাটোত সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

## উন্নয়ন এন জিঅ'ৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ লগত সংগতি ৰাখি কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী

**অসম বাৰ্তা, মাকুম, ১২ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ এক আগশাৰীৰ বেচৰকাৰী সংস্থা হৈছে উন্নয়ন এন জিঅ' (মাকুম)। যিটো সময়ত চাহ বাগিছাৰ শ্ৰমিক সকলে ন্যূনতম মজুৰীৰে নিজৰ ঘৰখন চলাই নিয়াৰ লগতে নিজ সন্তানক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই দিছে যদিও কিছু কিছু ক্ষেত্ৰত অসুবিধা হোৱা পৰিলক্ষিত হৈ আহিছে। এনে এক অসুবিধাৰ ক্ষণত চাহ শ্ৰমিক সকলৰ ছাত্ৰ-ছাত্ৰী সকললৈ সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিছে উন্নয়ন এন জিঅ'য়ে। আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত যাতে অন্যান্য জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলৰ দৰে সুখ্যাতিৰে উত্তীৰ্ণ হৈ নিজৰ লগতে নিজৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে তাৰে এক মহান উদ্দেশ্যলৈ যোৱা ইংৰাজী ৩ জুলাই তাৰিখৰ পৰা ৩০ জুলাই তাৰিখলৈকে উন্নয়ন এন জিঅ'ৰ উদ্যোগত গ্ৰীষ্ম বন্ধৰ দিনকেইটাত হাপজান চাহবাগিছা মডেল হাইস্কুল, চান্দমাৰি চাহ বাগিছা মডেল হাইস্কুল আৰু শুকান পুখুৰী মডেল চাহবাগিছা হাইস্কুলত গ্ৰীষ্ম কালীন বন্ধৰ সময়চোৱাত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে দাঁতি কাষৰীয়া ছাত্ৰ ছাত্ৰীৰ বাবে গণিত আৰু ইংৰাজী বিষয়ত এমহীয়া গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান কাৰ্যসূচী ৰূপায়ণ কৰে। বিনামূলীয়া পাঠদান কাৰ্যসূচীত মুঠ ৬০ গৰাকী ছাত্ৰ ছাত্ৰীয়ে খুব আগ্ৰহেৰে পাঠদান গ্ৰহণ কৰে। উক্ত পাঠ দান শিবিৰৰ লগত সংগতি ৰাখি আজি পুনৰ ছাত্ৰ - ছাত্ৰীসকলৰ মাজত দিনজোৰা কাৰ্যসূচীৰে মাকুম ৰোডস্থিত শুকানপুখুৰী চাহ বাগিছা মডেল হাই স্কুলত কেৰিয়াৰ কাউন্সেলিং কাৰ্যসূচী অনুষ্ঠানৰ লগতে গ্ৰীষ্মকালীন সময়ত বিনামূলীয়াকৈ পাঠদান প্ৰদান কৰা শিক্ষক সকললৈ বিশেষ ভাৱে সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আজিৰ এই অনুষ্ঠানতে শিক্ষাৰ্থী সকলৰ সুবিধাৰ অৰ্থে একোখনকৈ suggestion নামৰ পাঠ্যক্ৰম প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড০ মালবিকা ভূএঞা ফুকন, তিনিচুকীয়া জিলা পৰিকল্পনা বিষয়া বিমল গোহাঁই, কাব্যগুৰু অজিত কুমাৰ দত্ত, তিনিচুকীয়া পলিটেকনিকৰ প্ৰতিনিধি মহানন্দ দাস, শুকানপুখুৰী চাহ বাগিছা মডেল হাইস্কুলৰ অধ্যক্ষা ৰেজিনা চুলতানা, মানসিক উৎকৰ্ষ সাধক ৰূপান্তৰ চাউৰক প্ৰমুখ্যে কৰি উন্নয়ন এন জিঅ'ৰ উপদেষ্টা ৰুবুল শ্বাহ, সভাপতি টংকেশ্বৰ চাহু, সম্পাদক কমল মালী প্ৰমুখ্যে কৰি অন্যান্য বিষয়ববীয়া সকল উপস্থিত থকাৰ লগতে মুখ্য অতিথি হিচাপে উপস্থিত থকা ব্যক্তি সকলে ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্য কৰি দিহা পৰামৰ্শমূলক বক্তব্য প্ৰদানেৰে মাৰ্গদৰ্শন কৰে।

## উলুবাৰীত সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় অধিৱেশনত উপস্থিত মন্ত্ৰী পীযুষ হাজৰিকা

**অসম বাৰ্তা, বিজনী, ১২ আগষ্ট ঃ** চিৰাং জিলাৰ বিজনীৰ উলুবাৰীত দু-দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হল সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ৮২ সংখ্যক কেন্দ্ৰীয় অধিৱেশন। উলিওৱা হয় বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰাত অংশগ্ৰহণ অসমৰ জনপ্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামী, দিগাংগনা বৰা আৰু কণ্ঠশিল্পী ৰিছা ভৰদ্বাজ। চিৰাং জিলাৰ বিজনীৰ উলুবাৰী ৰাজহুৱা খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ থকা সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ ৮২ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচীত বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ জনপ্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামী, দিগাংগনা বৰা আৰু কণ্ঠশিল্পী ৰিছা ভৰদ্বাজ অংশগ্ৰহণ কৰে উক্ত সাংস্কৃতিক শোভাযাত্ৰাত। বিভিন্ন জাতি জনগোষ্ঠীৰ বিভিন্ন সম্ভাৰ, সংস্কৃতি প্ৰদৰ্শনেৰে সমৃদ্ধ শোভাযাত্ৰাৰ দলটোৱে উলুবাৰীৰ এক বৃহৎ অঞ্চল পৰিভ্ৰমণ কৰে। পিছত উলুবাৰীত অনুষ্ঠিত হৈ থকা সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় অধিৱেশনৰ মুকলি সভাত অংশগ্ৰহণ অসমৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ। সূত্ৰধৰ জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী সূত্ৰধৰ উন্নয়ন পৰিষদ গঠনৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰি থকা হৈছে বুলি মন্তব্য কৰি সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱা হ'ব বুলি কয় মন্ত্ৰী পীযুষ হাজৰিকাই। জাতিটো যদি আগুৱাই যাব লাগে উঠি অহা লৰা ছোৱালীক সুপ্ৰতিষ্ঠিত হব লাগিব। সকলো জনগোষ্ঠীয় সংগঠনৰ মুৰব্বী সকলক নিজ নিজ জনগোষ্ঠীক শিক্ষাৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায় মন্ত্ৰী পীযুষ হাজৰিকাই। সদৌ সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষ্মীকান্ত সূত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মুকলি সভাত মন্ত্ৰী কৌশিক ৰায়, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, বিটিআৰৰ কাৰ্যবাহী সদস্য অৰূপ দে, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰায়, যুৱ নেতা অৰূপ নাথ, সদৌ অসম সূত্ৰধৰ ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা নৃপেন সূত্ৰধৰ, প্ৰমোদ বড়োৰ ৰাজনৈতিক সচিব মাধৱ চেত্ৰী, জনপ্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামী, দিগাংগনা বৰা, কণ্ঠশিল্পী ৰিছা ভৰদ্বাজ উপস্থিত থকাৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি অংশগ্ৰহণ কৰে।

## বৰক্ষেত্ৰীত ডিজিটেল ইণ্ডিয়াৰ ফোঁপোলা স্বৰূপ

# স্বাধীনতাৰ অমৃত কালত গৰল পাণ বৰক্ষেত্ৰীবাসীৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১২ আগষ্ট ঃ** বাৰিষা আহিলেই নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তৰ ভিতৰুৱা অঞ্চলত এতিয়া সুলভ হৈ পৰে বোকা পানীৰে পৰিপূৰ্ণ পথ। এজাক বৰষুণ আহিলেই যেন পথচাৰীৰ বাবে যন্ত্ৰণাকাতৰ হয় গ্ৰামাঞ্চলৰ পথসমূহ। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কাপলাবড়ী মথাউৰিৰ পৰা কালদি হৈ নাৰুৱা সংযোগী মূল পথটোৰ দুৰৱস্থাই চকু কপালত তুলিছে সচেতন মহলৰ। জানিব পৰা মতে প্ৰায় ৪-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটোৱেই আছিল প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰ ৰোজগাৰ য়োজনাৰ পথ। যিটো পথেৰে কালদিস্থিত আটাইকেইখন শিক্ষানুষ্ঠান যেনে বৰক্ষেত্ৰী আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা হায়াৰ চেকেণ্ডাৰী, কালদি গোপালথান হাইস্কুল আৰু অসম চৰকাৰৰ প্ৰস্তাৱিত মহাবিদ্যালয়, প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ উপৰিও বিভিন্ন প্ৰান্তৰ শিক্ষক শিক্ষয়িত্ৰীসকল অহা যোৱা কৰে এই অতি ব্যস্ত পথটোৰে। তদুপৰি, কালদি, নাৰুৱা, বামুণ্ডিট্ৰাৰী, কেকানকুছি, বৰ্ণিবাৰী, জয়সাগৰ, ডিৰোৱা আদি অনেক গাৱঁৰ যাতায়তৰ বাবে ব্যৱহৃত এই পথটো। অভিযোগ অনুসৰি চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত বহু অনুনয় বিনয় কৰাৰ পিছতো এই পথটি আজিলৈকে মেৰামতি নকৰিলে। জানিব পৰা মতে, স্থানীয় বিধায়ক দিগন্ত বৰ্মণৰ তৎপৰতাত পথটো মেৰামতিৰ বাবে ধন মঞ্জুৰ হোৱাৰো সম্ভাৱনা অনুসৰিয়েই এই পথটো জানুৱাৰী মাহত ঠিকাদাৰ আহি শ্ৰমিক লগাই চাফ চিকুণ কৰি গ'ল যদিও আজিও কাম আৰম্ভ নহ'ল। কিন্তু চাফা কৰি যোৱাৰ পিছতো পথটি মেৰামতি নহ'ল। বিভাগীয় কৰ্তৃপক্ষৰ অৱহেলাৰ বাবেই পথটি আজিও সম্পূৰ্ণ নোহোৱাত স্থানীয় ৰাইজৰ লগতে পথচাৰীয়ে জীয়াতু ভোগ কৰিবলগীয়া হৈছে। এতিয়া বৰক্ষেত্ৰীৰ সৰ্বত্ৰ প্ৰশ্ন উত্থাপিত হৈছে অমৃত কালত ৰাইজে বিষ পাণ কৰিবলগীয়া লগা হৈছে কিয়? অঞ্চলবাসীৰ এই দুৰ্দশাৰ অন্ত পৰিবনে? সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

## সৰভোগত ট্ৰাক চালকৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, বৰপেটা নগৰ, ১২ আগষ্ট ঃ** সৰভোগৰ কিছুমৎ দ্বাৰিকাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এখন ৰৈ থকাট্ৰাকৰ কাষত উদ্ধাৰ ট্ৰাক চালকৰ মৃতদেহ। মৃত ট্ৰাক চালকজন উত্তৰ প্ৰদেশৰ গণেশ বিশ্বকৰ্মা (৫০)। BR-28-GB-1715 নম্বৰৰ ট্ৰাকখনৰ কাষত চালকজনৰ মৃতদেহটো উদ্ধাৰ কৰা হৈছে। স্থানীয় ৰাইজৰ সন্দেহ কৰা মতে, লোকজনে ৰৈ থকা ট্ৰাকখনৰ টায়াৰ চেক কৰি থকা অৱস্থাত অথবা আন কোনো সময়ত সৰু গাড়ীয়ে খুন্দিয়ায় থৈ যায়। ফলত লোকজন নিহত হয়। আনকি ট্ৰাকখনৰ কাষত সৰু গাড়ী দুৰ্ঘটনাগ্ৰস্থ হোৱাৰ পিচত গাড়ীৰ ভঙা আইনা পৰি থকা দেখা গৈছে। ইতিমধ্যে ঘটনাস্থলীত সৰভোগ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। অৱশ্যে এয়া স্বাভাৱিক দুৰ্ঘটনা নে হত্যাকাণ্ড সেই বিষয়ে আৰক্ষীৰ তদন্তৰ পিচতহে জানিব পৰা যাব।

## এ চি এম এছ ৰ পানীতোলা শাখাৰ সৌজন্যত তিনিচুকীয়াত কেন্দ্ৰীয়ভাৱে সংঘৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১২ আগষ্ট ঃ** ১৯৫৮ চনৰ আজি (৯ আগষ্ট)ৰ দিনটোতেই অসম চাহ মজদুৰ সংঘই প্ৰতিষ্ঠা লাভ কৰিছিল। সংঘই প্ৰতি বছৰৰ আজিৰ দিনটোত উলহ-মালহেৰে সংঘৰ প্ৰতিষ্ঠা দিৱস পালন কৰি আহিছে। অসম চাহ মজদুৰ সংঘৰ পানীতোলা শাখাৰ সৌজন্যত সংঘৰ প্ৰতিষ্ঠা দিৱসৰ দিনটো এইবাৰ কেন্দ্ৰীয়ভাৱে তিনিচুকীয়া চহৰৰ সুবাচিনী পথস্থিত শাখাৰ প্ৰাঙ্গণত আজি উলহ-মালহেৰে ৪৪খন চাহ বাগিচা (ডিভিজন লৈ)ৰ পৰা অহা কেইবা শতাধিক ৰাইজৰ উপস্থিতিত দিনযোৱা কাৰ্য্যসূচীৰে উদযাপন কৰে। সংঘৰ এইবাৰৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোত সংঘৰ পানীতোলা শাখাৰ অন্তৰ্গত সকলো চাহ বাগিছাৰ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সম্বৰ্দ্ধনা জনায়। পুৱা ৭ বজাত বাগিছাৰ শ্ৰমিকসকলে (কাম যোৱাৰ আগতে) বাগিছাৰ ইউনিট সভাপতি/সম্পাদক আৰু বাগিছাৰ গণ্য-মান্য আৰু বয়োজ্যেষ্ঠ ব্যক্তিয়ে প্ৰত্যেক বাগিচাত স্থাপন কৰা সংঘৰ স্থায়ী পতাকা স্থলীত সমবেত হৈ সংঘৰ জন্মলগ্নৰ কাহিনীৰ বিষয়ে সমবেত ৰাইজক অৱগত কৰাৰ লগতে সংঘক অধিক শক্তিশালী কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। আজিৰ পুৱা ১০ বজাত পানীতোলা শাখাৰ প্ৰাংগণত কেন্দ্ৰীয়ভাৱে আয়োজিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত শাখাৰ অন্তৰ্গত বাগিচাসমূহৰ পৰা অহা সংঘৰ কাৰ্য্যকৰী সমিতিৰ সদস্য/সদস্যা আৰু প্ৰাথমিক গোটৰ সভাপতি/সম্পাদক, মহিলা সমিতি আৰু চাহ বাগিচাৰ শ্ৰমিক ৰাইজৰ উপস্থিতিত সংঘৰ পতাকা উত্তোলন কৰে সংঘৰ পানীতোলা শাখাৰ সম্পাদক ৰাজু চাহুৱে। সমবেত সকলোৱে 'চাহ মজদুৰ সংঘ দীৰ্ঘজীৱী হওক', 'অসম চাহ মজদুৰ সংঘ জিন্দাবাদ' আদি ধ্বনি দিয়ে। তাৰ পাছত সংঘৰ প্ৰয়াত শ্ৰমিক-নেতাসকলৰ পৱিত্ৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল ঘাটোৱাৰে। স্মৃতি তৰ্পণ কাৰ্যসূচীত বাগিচাসমূহৰ পৰা অহা ৰাইজে অংশগ্ৰহণ কৰে। ১২ বজাৰ পৰা মূল সভা আৰম্ভ হ'য়। সভাত সভাপতিত্ব কৰে সংঘৰ স্থায়ী সভাপতি গণেশ তাঁতীয়ে। সভাৰ বিশিষ্ট অতিথিসকলক একোখনকৈ ফুলাম গামোছাৰ লগতে আদিবাসী টুপীৰে সৈতে সম্বৰ্দ্ধনা জনোৱা হয়। সংঘৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সভাত বিশিষ্ট অতিথিসকলৰ ভিতৰত লোকসভাৰ বিৰোধী উপ-দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈ, প্ৰাক্তন বিধায়ক তথা তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি দুৰ্গা ভূমিজ, এ পি চি চিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল ঘাটোৱাৰ, প্ৰকাশ ঝা, মকৰ সিং ভূমিজৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যাত সংঘৰ পানীতোলা শাখাৰ শাখা সম্পাদক তথা প্ৰাক্তন বিধায়ক ৰাজু চাহুৱে সংঘৰ জন্মলগ্নৰ কাহিনীৰ বিষয়ে বহুলভাৱে ব্যাখ্যা আগবঢ়ায়। ভাষণ প্ৰসঙ্গত তেওঁ উল্লেখ কৰে যে অসমৰ এই বিজেপি চৰকাৰৰ মিথ্যাচাৰী আৰু দুমুখীয়া শ্ৰমিক বিৰোধী নীতিৰ ফলত চাহ বাগিচাসমূহৰ অৱস্থা অতি সংকটজনক হৈ পৰিছে। অসমৰ বিভিন্ন লেখত ল'বলগীয়া, যেনে - ৱাৰেন টি লিমিটেড, এপিজে টি লিমিটেড, আসাম কোম্পানী, আসাম ফ্ৰণ্টিয়াৰৰ দৰে আৰু বহুতো নামী-দামী চাহ কোম্পানীয়ে এই বিজেপি চৰকাৰৰ সন্ত্ৰাসত বাগিচা বিক্ৰী কৰি চাহ ব্যৱসায়ৰ পৰাই ওলাই গল। এই চাহ উদ্যোগপতি সকলে অসমৰ চাহ উদ্যোগৰ ব্যৱসায় বাদ দি চাহ বাগিচাসমূহ অতি কম মূল্যৰ বিনিময়ত চাহ উদ্যোগৰ প্ৰতি তিলমানো জ্ঞান নথকা পুঁজিপতিসকলক বিক্ৰী কৰাৰ ফলত শ্ৰমিকৰ বিভিন্ন সমস্যাসমূহৰ লগতে আৱাসগৃহ, পায়খানা, পানীৰ ব্যৱস্থা, চিকিৎসা ব্যৱস্থাৰ ওপৰত অকণো গুৰুত্ব নিদিয়াৰ ফলত অসমৰ চাহ শ্ৰমিকসকলৰ অৱস্থা এতিয়া পানীত হাঁহ নচৰাৰ দৰে হৈছে। অত্যধিক মূল্যবৃদ্ধিয়ে সকলোকে জ্বলা-কলা খুওৱাৰ ফলত ইয়াৰ প্ৰভাৱ সকলোস্তৰৰ জনসাধাৰণৰ লগতে চাহ বাগিচাৰ শ্ৰমিকসকলৰ ওপৰতো বাৰুকৈয়ে পৰিছে। অতি কম মজুৰিৰে সংসাৰ চলাব লগা অৱস্থা হোৱাৰ ফলত চাহ শ্ৰমিকসকলে অতি কষ্টৰে জীৱন-যাপন কৰিব লগা হৈছে। ৩৫১ টকালৈ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰিব বুলি আশ্বাস আৰু প্ৰতিশ্ৰুতি দিয়া এইখন বিজেপি চৰকাৰে আজিলৈকে মজুৰি বৃদ্ধি নকৰিলে। শ্ৰমিকৰ বাসগৃহত ২০০ ইউনিট ফ্ৰী বিজুলী দিয়া, ১০০ দিনৰ ভিতৰত জনজাতিকৰণ কৰা, চাহ জনগোষ্ঠীক মাটিৰ পট্টা দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা বিজেপি চৰকাৰখনে কোনো এটা প্ৰতিশ্ৰুতিয়েই পালন নকৰিলে। চাহুৱে লগতে কয় "বিজেপি চৰকাৰখনে শ্ৰমিক বিৰোধী কাম কৰি আছে। গতিকে আমি সকলোৱে সংঘবদ্ধ হ'ব লাগিব।" চাহ বাগিচাসমূহৰ সমস্যা আৰু কৰণীয় সম্পৰ্কে উপস্থিত ৰাইজক অৱগত কৰি তেওঁ সকলোকে এইক্ষেত্ৰত অধিক শক্তিশালী হ'বলৈ আহ্বান জনায়। চাহুৱে লগতে কয় যে এতিয়াও যদি আমি সংঘবদ্ধ নহৈ প্ৰতিবাদ নকৰি হাত সাৰটি বহি থাকোঁ তেন্তে এদিন চাহ উদ্যোগৰ লগত জড়িত লাখ লাখ শ্ৰমিক-কৰ্মচাৰীৰ অৱস্থা আৰু অধিক সংকটময় হ'ব। সভাত বিশিষ্ট অতিথি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈৱে সভাত উপস্থিত থকা উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক একোটিকৈ স্মাৰক আৰু সংঘৰ মাফলাৰসহ সম্বৰ্দ্ধনা জনাই ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। সভাত বিভিন্ন বাগিচাৰ পৰা অহা কেইবাগৰাকীও ব্যক্তি আৰু অতিথিয়ে সাৰুৱা ভাষণ প্ৰদান কৰে। সভাত আমন্ত্ৰিত বিশিষ্ট অতিথি তথা শিল্পী মকৰ সিং ভূমিজে এটি ঝুমইৰ গীত পৰিৱেশন কৰে। আজিৰ সংঘৰ প্ৰতিষ্ঠা দিৱসত বিভিন্ন চাহ বাগিছাৰ পৰা অহা শিল্পীয়ে উড়িয়া, ঝুমইৰ, চাওঁতালী ইত্যাদি বিভিন্ন গীত-নৃত্য পৰিৱেশনেৰে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠাটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সৰ্বশেষত সংঘৰ সভাপতি গণেশ তাঁতীয়ে প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা সকলো চাহ বাগিচাৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগতে শ্ৰমিক ৰাইজক আন্তৰিক শুভেচ্ছা জনাই সংঘৰ জন্মলগ্নৰ বিষয়ে অৱগত কৰি সকলোকে ঐক্যবদ্ধভাৱে তথা একগোট হৈ অসম চাহ মজদুৰ সংঘক অধিক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ চেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনাই সভা ভঙ্গ ঘোষণা কৰে।

## ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভ

## ৰংঘৰ বৰপেটাৰ উদ্যোগত 'এনিশা ভূপেনদাৰ গানেৰে' শীৰ্ষক অনুষ্ঠান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ আগষ্ট ঃ** অসমৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান ৰংঘৰ বৰপেটাৰ উদ্যোগত আৰু বৰপেটাৰ অগ্ৰণী বহু সামাজিক - সাংস্কৃতিক অনুষ্ঠানৰ সহযোগত ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বছৰজোৰা কাৰ্যসূচী হাতত লোৱা হৈছে। ইতিমধ্যে যোৱা জুলাই মাহৰ ৬ তাৰিখে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই গঠন কৰি দিয়া কাৰ্যসূচী ৰূপায়ণৰ উপদেষ্টা সমিতিৰ ৩ আগষ্টত অনুষ্ঠিত সভাই ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ বছৰজোৰা কাৰ্যসূচী সম্পৰ্কে বিতংভাৱে আলোচনা কৰে। হাজৰিকাদেৱৰ জন্ম শতবৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব অহা ৭ ছেপ্টেম্বৰৰ মাজ নিশা। সিদিনা ভূপেন হাজৰিকাৰ শ শ অনুৰাগী তথা বিশিষ্ট গায়ক-গায়িকাসকলে ৭ ছেপ্টেম্বৰৰ নিশা ১২ বজাৰ লগে লগে সমবেত কণ্ঠত গাব তেখেতৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে'। বৰপেটা চহৰৰ হৃদপিণ্ড স্বৰূপ পাঁচআলি চ'কত অনুষ্ঠিতব্য এই "এনিশা ভূপেনদাৰ গান" শীৰ্ষক অনুষ্ঠানৰ প্ৰাৰম্ভিক কাম আৰম্ভ হব নিশা ১১ বজাৰ পৰা। সৰ্বস্তৰৰ জনতাৰ হিয়াৰ আমঠু গণশিল্পী ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষত ৰাইজৰ আত্মিক আৰু স্বতঃস্ফূত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠান মুকলি কৰা হব। অসমীয়া জাতিৰ বাবে উদ্দীপনাৰ অফুৰন্ত উৎস বিৰল প্ৰতিভাধৰ অসমীয়াৰ চিৰ আপোন আৰু চিৰ চিনাকি কণ্ঠ ভূপেন হাজৰিকাৰ অন্য চাৰিটি গীতও সেইদিনা নিশা সমবেত কণ্ঠত পৰিবেশন কৰা হব। বৃহত্তৰ বৰপেটা তথা সমীপৱৰ্তী কেবাখনো গাও চহৰৰ শিল্পী কলা-কুশলী তথা তেখেতৰ অনুৰাগীয়ে এই অভিনৱ উদযাপনত অংশ গ্ৰহণ কৰিব। ভূপেন হাজৰিকাৰ এশ সংখ্যক জন্মদিনৰ প্ৰথমটো ক্ষণ চিৰস্মৰণীয় কৰি তুলিবলৈ ইতিমধ্যে ৰংঘৰ বৰপেটাই ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে আৰু ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে। উল্লেখ্য যে ভুপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ বাবে যুগুতাই লোৱা পৰৱৰ্তী কাৰ্যসূচী সমূহ যথাযথ সময়ত ঘোষণা কৰা হ'ব বুলি উদ্যোক্তা ৰংঘৰে জনাইছে।

## ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত সৌন্দৰ্য চৰ্চাৰ প্ৰশিক্ষণ

**অসম বাৰ্তা, গেলেকী, ১২ আগষ্ট ঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ ৱাৰিয়ৰ্ছৰ শিৱসাগৰ জিলাৰ অন্তৰ্গত গেলেকী আঞ্চলিক সমিতিৰ দ্বাৰা স্থানীয় মহিলাসকল স্বাৱলম্বী হোৱাৰ উদ্দেশ্যেৰে সৌন্দৰ্য চৰ্চাৰ এদিনীয়া এক প্ৰশিক্ষণ কাৰ্যসূচী হাতত লোৱা হয়। উক্ত কাৰ্যসূচী গেলেকী অঞ্চলৰ ৰূপসজ্জাকৰ চিফা বেগমৰ দ্বাৰা স্থানীয় ভালেকেইগৰাকী মহিলাক বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশ গ্ৰহণ কৰা স্থানীয় মহিলা কেইগৰাকী ৰূপসজ্জাৰ বিভিন্ন দিশত যথেষ্ট জ্ঞান লাভ কৰাৰ লগতে উপকৃত হব বুলি আশা কৰে ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ বিষয় ববীয়াসকলে। আজিৰ এই কাৰ্য্যসূচীত উপস্থিত আছিল ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উপ-সভাপতি ৱাহিদ আলী, সম্পাদিকা পূৰবী নেওগ, বিত্ত সম্পাদিকা তনুজা বেগম, জনসংযোগ সম্পাদিকা দিলোৱাৰা বেগম, সদস্যা দিপামণি মৰাণ আৰু সদস্যা বেনজিৰ নাৰফা আজম।

## মাজুলী জিলা প্ৰশাসনৰ বিষয়া ৰঞ্জন শইকীয়াৰ কথাৰে আৰু দিব্যদ্বীপ শইকীয়াৰ কণ্ঠৰ 'কাঠৰুকাৰ দৰে' শীৰ্ষক গীত উন্মোচন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** মাজুলী জিলা উন্নয়ন বিষয়া ৰঞ্জন শইকীয়াৰ কথাৰে, দুৰ্যোগ প্ৰশমন বিভাগৰ জিলা প্ৰকল্প বিষয়া তথা কণ্ঠশিল্পী দিব্যদ্বীপ শইকীয়াৰ কণ্ঠৰ 'কাঠৰুকাৰ দৰে' শীৰ্ষক গীতটো কালি সন্ধিয়া আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মাজুলীৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সাংস্কৃতিক কৰ্মী প্ৰতাপ বৰুৱাই আঁত ধৰা এক অনুষ্ঠানত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে গীতটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ইয়াৰ পূৰ্বে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে কেক কাটি ৰঞ্জন শইকীয়া, কণ্ঠশিল্পী দিব্যদ্বীপ শইকীয়াক কেক খুৱাই গীতটো উপহাৰ দিয়াৰ বাবে অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ ৰাখি মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কয় মানুহ হিচাপে আমি কেৱল অন্ন, বস্ত্ৰ, বাসস্থানৰ সৈতেই জীয়াই থকাটোৱেই জীৱন নহয়। আমি যিকোনো ক্ষেত্ৰৰ দ্বাৰাই কিবা এটা দি থৈ যাব লাগে যাতে তাৰ দ্বাৰা আমিও কেতিয়াবা কাৰোবাৰ স্মৃতিত ৰৈ যাব পাৰোঁ। ব্যস্ততাপূৰ্ণ চৰকাৰী কামৰ মাজতে দুই বিষয়াই সংগীতৰ চৰ্চাৰে নিজৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটোৱাৰ লগতে জিলা প্ৰশাসনকো গৌৰৱৰ অধিকাৰী কৰিলে বুলি তেওঁ উল্লেখ কৰে। ইফালে অনুষ্ঠানত উপস্থিত থাকি মাজুলীৰ অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰ, অতিৰিক্ত আয়ুক্ত সৰোজ সোণোৱাল, ৰেনুমালা দত্ত, মাজুলী জিলা আপকুৰ প্ৰাক্তন সভাপতি জ্যোতিষ কুমাৰ তামোলী, ৰজনীকান্ত বৰদলৈয়ে গীত উন্মোচনৰ লগত সংগতি ৰাখি শুভেচ্ছামূলক বক্তব্য ৰাখে। গীতটোৰ উপহাৰ দিয়া জিলা প্ৰশাসনৰ দুই বিষয়া ৰঞ্জন শইকীয়া আৰু দিব্যদ্বীপ শইকীয়াই গীতটোৰ নেপথ্যৰ কথাৰে চমু বক্তব্য ৰাখে। অনুষ্ঠানত সহকাৰী আয়ুক্ত সকলৰ লগতে মাজুলীৰ সাংবাদিক সকল উপস্থিত থাকে।

## সৰ্প দংশনত জাগুনত মহিলাৰ অকাল মৃত্যু

**অসম বাৰ্তা, জাগুন, ১২ আগষ্ট ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত জাগুনত সংঘটিত হৈছে এক হৃদয় বিদাৰক ঘটনা। সৰ্প দংশনত অকাল মৃত্যুক সাৱটি লয় জাগুন সোণালী জনজাতি ৰাভা গাঁৱৰ হেমা ৰাভা নামৰ এগৰাকী ৪০ বছৰীয়া মহিলাই। ঘটনাৰ বিৱৰণ অনুযায়ী শুক্ৰবাৰে সন্ধিয়া প্ৰায় ৭-৩০ মান বজাত মহিলা গৰাকীয়ে খাদ্য সামগ্ৰী ক্ৰয়ৰ বাবে ঘৰৰ ওচৰৰে এখন দুকানলৈ যোৱাৰ পথত অজানিতে এডাল বিষাক্ত সাপ গচকি পোৱাত সাপ দালে মহিলা গৰাকীক দংশন কৰে। ঘটনাটো সংঘটিত হোৱাৰ লগে লগে মহিলা গৰাকীক তেওঁৰ স্বামী আৰু আত্মীয় লোকে চিকিৎসাৰ বাবে জাগুনলৈ লৈ যায় আৰু তাৎক্ষণিক ভাৱে হোমিঅ'পেথিক চিকিৎসা প্ৰদান কৰায়। কিন্তু পৰিতাপৰ বিষয় যে সময় বাগৰি যোৱাৰ সামন্তৰালভাৱে মহিলা গৰাকীৰ স্বাস্থ্যও ক্ৰমান্বয়ে অৱনতি ঘটিব ধৰাত উন্নত চিকিৎসাৰ বাবে ততাতয়াকৈ মাৰ্ঘেৰিটা অসামৰিক চিকিৎালয়লৈ নিয়া হয় যদিও চিকিৎসকে মহিলা গৰাকী মৃত বুলি ঘোষণা কৰে। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে মৃতদেহটো তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি অন্তিম সংকাৰৰ ব্যৱস্থা কৰে। মৃত্যুৰ সময়ত মহিলা গৰাকীয়ে ইহ সংসাৰত স্বামী আৰু এজন পুত্ৰ সন্তান এৰি থৈ যায়।

## চেঙাত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

**অসম বাৰ্তা, শিমলীতোলা, ১২ আগষ্ট ঃ** সমাগত ২০২৬ৰ বিধান সভা নিৰ্বাচন। ৰাজ্যত বিধান সভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মী সকলে কঁকালত টঙালি বান্ধি নিৰ্বাচনৰ বাবে সাজু হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ সমান্তৰালকৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলেও সমষ্টিয়ে সমষ্টিয়ে প্ৰচাৰ অভিযান চলাই নিজৰ নিজৰ জনপ্ৰিয়তা বৃদ্ধি কৰাত মনোনিবেশ কৰিছে। অন্যান্য ৰাজনৈতিক দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী সকলৰ সমান্তৰালকৈ বৰপেটা জিলাৰ চেঙা সমষ্টিতো কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী আমিনুল হাচানে ব্যাপক ভাৱে প্ৰচাৰ অভিযান চলাই ভোটাৰৰ সমৰ্থন আদায়ৰ চেষ্টা অব্যাহত ৰাখিছে। যুৱনেতা আমিনুল হাচানে ইতিমধ্যে জিলা খনৰ চেঙা সমষ্টিৰ আলোপতি মাজৰচৰ, বাঘমাৰা চৰ, ধৰ্মপুৰ ভাতনাপাইতিকে ধৰি কেবা খনো গাওঁ অঞ্চলত গৈ ভোটাৰ ৰাইজৰ লগত মত বিনিময় কৰাৰ লগতে একাংশ জ্যেষ্ঠ কংগ্ৰেছ কৰ্মীৰ লগত আলাপ আলোচনা কৰি জনপ্ৰিয় অৰ্জন কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। ইপিনে যুৱনেতা আমিনুল হাচানে সমষ্টিটোৰ চুকে কোণে এনেদৰে ঘূৰি ভোটাৰৰ লগত মত বিনিময় কৰি জনপ্ৰিয় হৈ পৰিছে। সমাগত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত চেঙা সমষ্টিৰ পৰা কংগ্ৰেছৰ টিকট লাভ কৰিলে তেওঁ নিশ্চিত ভাৱে জয়লাভ কৰিব আৰু চেঙা সমষ্টিৰ বান গৰাখহনীয়া, শিক্ষা, স্বাস্থ্য আদিৰ ওপৰত গুৰুত্বাৰোপ কৰিব বুলি সাংবাদিকৰ আগত মত ব্যক্ত কৰে।

# তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ অভ্যৰ্থনা সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ আগষ্ট ঃ** ১৯৭৪ চনৰ ৩০ নৱেম্বৰত প্ৰতিষ্ঠিত অসমৰ এটা অন্যতম শক্তিশালী সাংবাদিক সংগঠন 'তিনিচুকীয়া জিলা সাংবাদিক সন্থা'ই ইতিমধ্যে ইয়াৰ গৌৰৱোজ্জল সোণালী জয়ন্তী বৰ্ষত পদাৰ্পন কৰিছে আৰু অহা ৩০ নৱেম্বৰত প্ৰতিষ্ঠাৰ ৫০ বছৰ সম্পূৰ্ণ কৰিব। ইতিমধ্যে সন্থাই ইয়াৰ সোণালী জয়ন্তী বছৰজোৰা কাৰ্যসূচীৰে উদযাপন কৰি আছে। সোণালী জয়ন্তীৰ আৰম্ভণি কাৰ্যসূচী কাকপথাৰ প্ৰেছ ক্লাবৰ আতিথ্যত কাকপথাৰত অনুষ্ঠিত হৈছিল। তাৰ পাছতেই সন্থাই বছৰজুৰি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰে। এতিয়া এই সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠান, সন্থাৰ প্ৰতিষ্ঠা দিৱস আৰু দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা নৱেম্বৰ মাহৰ শেষৰফালে ডুমডুমা প্ৰেছ ক্লাবৰ আতিথ্যত ডুমডুমাত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। উক্ত অনুষ্ঠানটি সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ উদ্দেশ্যে আজি ডুমডুমা প্ৰেছ ক্লাবত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলাখনৰ এগৰাকী প্ৰবীণ সাংবাদিক তথা সমাজকৰ্মী অৰ্জুন বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাও উপস্থিত আছিল। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগে সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠান, সন্থাৰ প্ৰতিষ্ঠা দিৱস আৰু দ্বি-বাৰ্ষিক অধিৱেশনখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ উদ্দেশ্যে আজিৰ সভাখন আহ্বান কৰা হৈছে বুলি কয়। সভাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ডঃ ঋষি দাসে সন্থাৰ সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠান, সন্থাৰ প্ৰতিষ্ঠা দিৱস আৰু দ্বি-বাৰ্ষিক অধিৱেশনখনি সুচাৰুৰূপে অনুষ্ঠিত কৰাত ডুমডুমাবাসী ৰাইজৰ সহযোগিতা কামনা কৰে। সভাত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আব্দুল কাদিৰ, বিশিষ্ট সমাজকৰ্মী গোবিন্দ ফুকন, সুজিত কুমাৰ বৰুৱা, ডাঃ প্ৰণৱ জ্যোতি ডেকা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি কল্যাণজ্যোতি মৰাণ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমুজ্বল বড়া, ডুমডুমা চেম্বাৰ্চ অফ কমাৰ্চৰ দিলীপ কুমাৰ প্ৰসাদ, ডুমডুমা ট্ৰেডাৰ্চ এচোছিয়েশ্যনৰ হামিদ খান, আদিয়ে বক্তব্য ৰাখি প্ৰস্তাৱিত সোণালী জয়ন্তীৰ কাৰ্যসূচীত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত নিজৰ বক্তব্য দাঙি ধৰি স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই তিনিচুকীয়া জিলাৰ সাংবাদিক সন্থাৰ সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানটি ডুমডুমাত অনুষ্ঠিত কৰিবলৈ লোৱাৰ বাবে আনন্দিত হোৱা বুলি কয় আৰু এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰী গোৱালাই শেহতীয়াকৈ অসম চৰকাৰে তিনিচুকীয়া জিলাত বিশেষকৈ ডুমডুমাত হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়েও উপস্থিত ৰাইজক অৱগত কৰে। সভাই সৰ্বসন্মতিক্ৰমে মন্ত্ৰী ৰূপেশ গোৱালাক সভাপতি, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকাক কাৰ্যকৰী সভাপতি, সমাজকৰ্মীসকল ক্ৰমে ললিত গগৈ, সুজিত কুমাৰ বৰুৱা, গোবিন্দ ফুকন, জিতেন ডেকা, বিমলা বৰুৱা, জিতু ডেকাক উপসভাপতি, সাংবাদিক অভিজিৎ খাটনিয়াৰ আৰু প্ৰাক্তন ছাত্ৰ নেতা ৰাণা সোণাৰক যুটীয়া সম্পাদক, সাংবাদিক মনোজ বৰুৱা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি কল্যাণজ্যোতি মৰাণক সহকাৰী সম্পাদক আৰু দীনেশ গোয়েলক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি দিয়ে। এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ সম্পাদনাৰ দায়িত্ব সভাই দেবেন ডেকা, দিগন্ত কুমাৰ ভাজনী আৰু সমীৰণ বৰাৰ ওপৰত ন্যস্ত কৰে। সমিতিৰ অন্যান্য বিষয়বাব সমূহৰ লগতে বিভিন্ন উপ-সমিতিসমূহ পৰৱৰ্তী সময়ত সম্পূৰ্ণ কৰিবলৈ এই ৰাজহুৱা সভাই পৰামৰ্শ আগবঢ়ায়। সভাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপসভাপতি ৰাতুল কলিতা, কাৰ্যনিৰ্বাহক সদস্য দুলু হাজৰিকা, তিনিচুকীয়া প্ৰেছ ক্লাবৰ সভাপতি কমল তালুকদাৰ, সদস্য উমেশ কুমাৰ সিং, কাকপথাৰ প্ৰেছ ক্লাবৰ সম্পাদক ইন্দ্ৰজিৎ গগৈ, সহকাৰী সম্পাদক ভাস্কৰ জ্যোতি ভূঞা, ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, সম্পাদক প্ৰদীপ কুমাৰ মৰাণ, প্ৰমুখ্যে জিলাখনৰ ভালেসংখ্যক বিশিষ্ট সাংবাদিক আৰু ডুমডুমাৰ স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# নামতিত শিক্ষক প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১২ আগষ্ট ঃ** ৰাষ্ট্ৰব্যাপি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ লক্ষ্যক বাস্তবায়িত কৰাৰ মানসেৰে তথা প্ৰাথমিক বিদ্যালয়ত সৰ্বজনীন বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জ্ঞান প্ৰদানৰ উদ্দেশ্যে আৰম্ভ হোৱা 'নিপুণ অসম' অভিযানৰ অংশস্বৰূপে আৰু ২০২৪ চনৰ ASER (এন্যুৱেল ষ্টেটাছ্ অফ এডুকেশ্বন ৰিপ'ৰ্ট) জৰীপৰ তথ্যৰ আধাৰত সমগ্ৰ অসমতে আৰম্ভ হোৱা TaRL (টীচ্ছিং এট্ দ্যা ৰাইট লেভেল) নামৰ শিক্ষক প্ৰশিক্ষণৰ প্ৰথম পৰ্যায়টি ইতিমধ্যে শিৱসাগৰ জিলাৰ নামতিতো সামৰণি পৰিছে। নাজিৰা শিক্ষাখণ্ডৰ অধীনত স্থানীয় নামতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰশিক্ষণস্থলীত অঞ্চলটোৰছটা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ৪২জন শিক্ষক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণৰ মূল উদ্দেশ্যই হৈছে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জ্ঞান আহৰণত পিছ পৰি থকা ছাত্ৰ-ছাত্ৰী সকলক চিনাক্ত কৰি এক নিৰ্দিষ্ট সময়ৰ বাবে শ্ৰেণী অনুসৰি পাঠদান নকৰি ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ স্তৰ অনুসৰি কিছুমান ক্ৰিয়া-কলাপৰ যোগেদি শিকন ঘাটিসমূহ পূৰ কৰি তোলা। যোৱা ৫ আগষ্টৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত এই ব্যতিক্ৰমী প্ৰশিক্ষণলানিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নাজিৰা শিক্ষাখণ্ডৰ বৰুৱা আলি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মহেন্দ্ৰ নাথ আৰু বৰফুকন মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাছিম উল্লা। শিৱসাগৰ জিলাৰ সমগ্ৰ শিক্ষাৰ শিক্ষক প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া গৌৰীশংকৰ বৰুৱা আৰু এফ এল এনৰ জিলা পৰামৰ্শদাতা মৌচুমী দত্ত আৰু খণ্ড গাণনিক প্ৰবীন ফুকন পৰ্যবেক্ষক হিচাপে উপস্থিত থকা প্ৰশিক্ষণলানিৰ অন্তত শিক্ষক প্ৰশিক্ষক ৰাজীৱ দত্ত, অতুল বড়া, মল্লিকা বড়া, যামিনী গগৈ আদিৰ তত্ত্বাৱধানত এটি গাম্ভীৰ্যপূৰ্ণ সামৰণী অনুষ্ঠান অনুষ্ঠিত হয়।

# চামগুৰিত ত্ৰিৰংগা যাত্ৰাত বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ আগষ্ট ঃ** ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশতে হৰ ঘৰ ত্ৰিৰঙ্গা যাত্ৰাৰ সমান্তৰালকৈ ৰাজ্যখনৰ লগতে নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিটো আজি ত্ৰিৰঙ্গা যাত্ৰাৰ শুভাৰম্ভণি কৰা হয়। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ নেতৃত্বত আজি সমষ্টিটোৰ চামগুৰি পঞ্চায়তত সমদল কৰি ত্ৰিৰঙ্গা যাত্ৰা আৰম্ভ কৰা হয়। কলিয়াবৰ জিলা বিজেপিৰ অধীনস্থ পুৰণিগুদাম মণ্ডল বিজেপিৰ উদ্যোগত চামগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহৰ পৰা চামগুৰি ডাউন টাউন তিনিআলিলৈকে সহস্ৰাধিক বিজেপি কৰ্মী সমৰ্থকে এই ত্ৰিৰঙ্গা যাত্ৰা সমদলত অংশ গ্ৰহণ কৰে। হাতে-হাতে ত্ৰিৰঙ্গা পতাকাৰ লগতে আন এক বিশাল আকাৰৰ ত্ৰিৰঙ্গা পতাকা লৈ কৰ্মী সমৰ্থকসকলে পদযাত্ৰা কৰি ৰাইজক আকৰ্ষিত কৰি তোলে। এই ত্ৰিৰঙ্গা যাত্ৰাত অংশ গ্ৰহণ কৰি বিধায়ক জিতু গোস্বামীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নগাঁৱৰ ঢাকাইপট্টি নাম সলনি কৰাৰ সিদ্ধান্তক বঢ়মপুৰ সমষ্টিৰ ৰাইজৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি বিধায়ক শৰ্মাই কয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঢাকাইপট্টিৰ নাম সলনি কৰাৰ সিদ্ধান্তক আমি আদৰণি জনাইছো। ইয়াত অসমীয়া খিলঞ্জীয়াৰ নাম হ'ব লাগিব। নগাঁওবাসীয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সিদ্ধান্তক ধন্যবাদ জ্ঞাপন কৰিছে। ইফালে, নিৰ্বাচন আয়োগে এছ আই আৰ জৰিয়তে ভুৱা ভোটাৰক চিনাক্ত কৰা সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বিধায়ক গোস্বামীয়ে সমৰ্থন কৰি কয়, এইটো খুব ভাল কথা। এছ আই আৰ হ'ব লাগে। ভোটাধিকাৰ আমাৰ গণতান্ত্ৰিক অধিকাৰ। ইয়াৰ জৰিয়তে অসমতো ভুৱা ভোটাৰ নাইকিয়া হ'ব। নিৰ্বাচন আয়োগে এক ভাল পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ এই ত্ৰিৰঙ্গা যাত্ৰাত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈ, কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থপ্ৰতিম হাজৰিকা, কলিয়াবৰ জিলা বিজেপিৰ সম্পাদক অলক চৌধুৰীকে ধৰি কেইবাজনো বিজেপিৰ নেতা উপস্থিত থাকে।

# কিছমত কাঠমী - নিজ কাঠমী কবৰস্থান কমিটী গঠন

**অসম বাৰ্তা, সোণতলী, ১২ আগষ্ট ঃ** কামৰূপ জিলাৰ সোণতলীৰ নাওভাঙ্গা বজাৰত কিছমত কাঠমী - নিজ কাঠমী আঞ্চলিক কবৰস্থান কমিটীৰ এখন নতুন সমিতি গঠন কৰে। জানিব পৰামতে, এই সন্দৰ্ভত শনিবাৰে নাওভাঙ্গা বজাৰত আলি আজগৰ আহমেদৰ পৌৰহিত্বত এখন সভা অনুষ্ঠিত কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাহতলী জিলা পৰিষদৰ সদস্য ছলেমান আলী আহমেদে। অনুষ্ঠিত হোৱা সভাত আলি আজগৰ আহমেদক সভাপতি আৰু আফাজ উদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে বাছনি কৰি মুঠ ৩১ জনীয়া এখন পুৰ্ণাংগ সমিতি গঠন কৰে। উল্লেখ্য, প্ৰস্তাৱিত এক চূড়ান্ত সিদ্ধান্তমৰ্মে মদ-ভাং-দ্ৰাগছ সেৱনত মৃত ব্যক্তিৰ দাফন-কাফনত সহযোগ নকৰাৰ উপৰিও তেনে মৃতকক উক্ত কবৰ স্থানত কবৰস্থ কৰিবলৈ নিদিয়া বিষয়েও সভাত আলোচনা কৰে বুলি জানিব পৰা গৈছে।

## দুমাহত উচন প্ৰায় অৰ্ধশতাধিক লোকৰ ভেটি-মাটি, ঘৰ দুৱাৰ

# মন্দিয়াৰ সাওঁৰাচৰা গাঁৱত বেকী নদীৰ ব্যাপক গৰাখহনীয়া

### এফালৰ পৰা খহিছে প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ পকী পথ

**অসম বাৰ্তা, বাঘবৰ, ১২ আগষ্ট ঃ** বৰপেটা জিলাৰ পূৰ্বৰ জনীয়া সমষ্টি তথা বৰ্তমানৰ নৱগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত সাওঁৰাচৰা গাঁৱত বেকী নদীৰ খহনীয়াই তীব্ৰৰূপ ধাৰণ কৰাত খহনীয়াগ্ৰস্ত লোকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। গাওঁ খনৰ শ শ পৰিয়ালৰ ঘৰ-দুৱাৰ, হাজাৰ হাজাৰ বিঘা খেতি মাটি চপৰা চপৰে গৰা খহি ইতিমধ্যে নৈ খনৰ বুকুত জাহ গৈছে। ফলত সপোনৰ ঘৰ দুৱাৰ নৈৰ বুকুত জাহ যোৱাত স্বৰ্ব সান্ত হৈ পৰিছে খহনীয়াগ্ৰস্ত লোকে। একাংশ খহনীয়া গ্ৰস্ত লোকে সপোনৰ ঘৰ-দুৱাৰ ভাঙি লৈ নিৰাপদ স্থানলৈ ঢাপলি মেলিচে যদিও আন একাংশই ৰাস্তা বা পথাৰতে ই আশ্ৰয় ল'ব লগা হৈছে। আন একাংশ দৰিদ্ৰ লোকে পেপাৰেৰে ছাউনী পাতি জীৱন নিৰ্বাহ কৰি থকাৰ লগতে কণ-কণ ল'ৰা-ছোৱালীৰ সৈতে নিশা যাপন কৰিব লগা হৈছে। ফলত খহনীয়াগ্ৰস্থ সকলৰ মাজত তীব্ৰ খাদ্য সংকটে দেখা দিছে। মুঠতে খহনীয়া গ্ৰস্থ লোক সকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে যদিও খহনীয়গ্ৰস্থ লোকৰ খবৰ লবলৈ সঁহাৰি নাই স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম লগতে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ। গাঁওখনত বিগত দুমাহ ধৰি বেঁকী নদীৰ গৰাখহনীয়াই বিধ্বংসী ৰূপ লৈ উছন কৰিছে শ শ বিঘা শস্য শ্যামলা খেতি পথাৰ। লগতে বেঁকী নদীৰ ভয়ংকৰ খহনীয়াৰ কৱলত পৰি প্ৰায় নিশ্চিহ্ন হৈ পৰিছে গাঁওখনৰ ৫০ টাৰো অধিক পৰিয়ালৰ ঘৰ-দুৱাৰ উচন হৈছে। ফলত ঘৰ দুৱাৰ হেৰুৱাই আতংকিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ। গৰাখনীয়াৰ কৱলত পৰি ভুক্তভোগী নৈপৰীয়া লোকৰ মৰাপাট, কলখেতি, ধনীয়া, জলকীয়াৰ লগতে বিভিন্ন শাক-পাচলিৰ খেতি ধ্বংস হৈছে। খহনীয়াত কেইবাখনো প্ৰধানমন্ত্ৰী আৱাসগৃহ, সৌচালয় আদি নদীৰ বুকুত জাহ যোৱাৰ উপৰিও প্ৰায় এক শ মিটাৰ প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ পকী পথ খহনীয়াত বিলিন হৈছে। ইয়াৰ উপৰিও বৰ্তমানে বহু পৰিয়ালৰ লগতে এখন প্ৰাথমিক বিদ্যালয়লৈ ও ভাবুকি কঢ়িয়াই আনিছে বেকী নৈয়ে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। ফলত স্থানীয় বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে দুগৰাকী জনপ্ৰতিনিধিৰ বিৰুদ্ধে ক্ষুব্ধ হৈ জনীয়া সমষ্টিৰ বিভিন্ন খহনীয়াগ্ৰস্ত ঠায়ে ঠায়ে প্ৰতিৰোধৰ দাবীত বেঁকী নৈৰ পাৰত ৰাইজে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হৈছে। স্থানীয় লোকে নিজৰ গাঁঠিৰ ধনেৰে গছ, বাঁহ পেলোৱাই খহনীয়া প্ৰতিৰোধৰ চেষ্টা চলাইছে যদিও কোনোধৰণৰ সু-ফল পুৱা নাই। বাৰাম্ভাৰ বাতৰি প্ৰকাশ হোৱাৰ পাছতো কোনো ব্যৱস্থা নকৰাৰ গুৰুতৰ অভিযোগ আনিলে সচেতন লোক। অতি শীঘ্ৰেই গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰিলে সাওঁৰাচৰা গাঁওখন বেঁকী নদীৰ বুকুত বিলীন হোৱাৰ পুৰ্ণ সম্ভাৱনা আছে। এইক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীৰ সু-দৃষ্টি কামনা কৰি সোনকালে বিজ্ঞান সন্মতভাৱে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ভুক্তভোগী পৰিয়ালৰ সমূহে। জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাৰো সহযোগিতা কামনা কৰিছে খহনীয়াগ্ৰস্ত ৰাইজে।

# কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ উদ্‌যাপনৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ১২ আগষ্ট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ বাৰ্ষিক অধিৱেশন অহা ১০ আৰু ১১ জানুৱাৰী ২০২৬ত দুই দিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। আজি অনুষ্ঠিত হোৱা আদৰণী সমিতিৰ সভাত আলোচনা মৰ্মে তাৰিখ নিৰ্দ্ধাৰণ কৰি মূল সমিতিৰ উপৰি স্মৃতি গ্ৰন্থ, খাদ্য যোগান আৰু ৰন্ধন, অতিথি আপ্যায়ন, প্ৰচাৰ, শব্দ আৰু পোহৰ, মঞ্চ ৰভা আৰু তোৰণ, বিত্ত উপশমিতি, বেংকত একাউণ্ট খোলা সন্দৰ্ভত আৰু ৰচিদ চপোৱা ইত্যাদি বিভিন্ন বিষয়ত আলোচনা মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হয়। কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ বাসুগাওঁস্থিত নামঘৰত অনুষ্ঠিত আদৰণী সমিতিৰ সভাপতি ঠাকুৰসিং ৰায় বাপৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা আটকধুনীয়াকৈ দাঙি ধৰে সাধাৰণ সম্পাদক তপন কুমাৰ ৰায় বাপে। অনুষ্ঠানটিত অঞ্চলৰ বিশিষ্ট ব্যক্তি, সমাজকৰ্মী, সাহিত্য সেৱী অমৃত নাৰায়ণ পাটগিৰি, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হিতৰাম ভৰালী, কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ প্ৰাক্তন সভাপতি বয়োজেষ্ঠ ব্যক্তি মৃগেন চন্দ্ৰ ৰায়ৰ উপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ কোকৰাঝাৰ-চিৰাং জিলাৰ বিষয়ববীয়া বাপ-বান্ধৱ, আই-মাতৃৰ লগতে সেৱক-সেৱিকাসকল উপস্থিত থাকি ৰূপালী জয়ন্তী উৎসৱটি সাফল্য মণ্ডিত কৰাত সকলোৱে সকলো প্ৰকাৰ সহযোগিতাৰ আশ্বাস দিয়ে।

## অসম সাহিত্য সভাৰ ব্যতিক্ৰমী মহৎ পদক্ষেপ

# গোলাঘাটৰ চাহ বাগিচা অঞ্চলত কেইবা শতাধিক চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী ব্যস্ত নৃত্য-গীতৰ কৰ্মশালাত

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১২ আগষ্ট ঃ** গোলাঘাটৰ চাহ বাগিচা অঞ্চল সম্প্ৰতি ব্যতিক্ৰমী এক দৃষ্টিনন্দন পৰিৱেশেৰে মুখৰিত। প্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাৰ ব্যতিক্ৰমী পদক্ষেপ। গোলাঘাট জিলাৰ চাহ বাগিচা অঞ্চলত চাহ জনগোষ্ঠীৰ শতাধিক ছাত্ৰ-ছাত্ৰী ব্যস্ত হৈ পৰিছে সত্ৰীয়া নৃত্য, লোকনৃত্য, সৃষ্টিশীল নৃত্য, বৰগীত, লোকগীতৰ অনুশীলনত। জিলাখনৰ বৰজান চাহ বাগিচাত বৃহত্তৰ অঞ্চলটোৰ ১০খন চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অসমীয়া মাধুৰ্যময় লোক কৃষ্টিৰ চৰ্চাৰ পৰিৱেশ ৰচনা কৰি চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা অংকুৰিত কৰাৰ লগতে অসমীয়া সংস্কৃতিৰ সৈতে একাত্ম হোৱাৰ মহৎ উদ্দ্যেশ্য অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি বিকাশ উপশমিতিৰ উদ্যোগত আৰু সমিতিৰ আহ্বায়ক, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাৰ নেতৃত্বত, বৰজান চাহ বাগিচা আঞ্চলিক শাখা সাহিত্য সভাৰ সক্ৰিয় সহযোগত আৰু পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ তত্ত্বাৱধানত আৰম্ভ হৈছে উক্ত কৰ্মশালাৰ। আজি কৰ্মশালাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক, বোলছবি প্ৰযোজক, অসম সাহিত্য সভাৰ ড° ভূপেন হাজৰিকা সাংস্কৃতিক প্ৰকল্পৰ আহ্বায়ক নুৰুল চুলতানে। নাৰিকল ভাঙি মাংলিক কাৰ্য সমাপন কৰে বিশিষ্ট সমাজকৰ্মী, যুৱ নেতা ময়ূৰদ্বীপ ফুকনে। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাৰ প্ৰাৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী, যুৱ নেতা, ক্ৰীড়া সংগঠক পৰীক্ষিত দত্তই। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা মালা বৰাই আঁত ধৰা অনুষ্ঠানত গোলাঘাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাস, অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি উপশমিতিৰ সহযোগী আহ্বায়ক ৰাজীৱ কৰ্মকাৰ, সাংবাদিক বিদ্বান বৰদলৈ, সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া নৰেন শইকীয়া, আটছা, গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক মনোজ মহানন্দ, আটছা, গোলাঘাট শাখাৰ সভাপতি অনুজ কুৰ্মী, বৰজান চাহ বাগিচা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি সুভাষ কৰ্মকাৰ, সম্পাদক বিশ্বজিৎ উৰাং, সাহিত্য কৰ্মী মনোজ বৰুৱা, দিলীপ শইকীয়া, শিক্ষয়িত্ৰী প্ৰেমদা গগৈ আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। কৰ্মশালাত বিশিষ্ট সত্ৰীয়া নৃত্য প্ৰশিক্ষক মিণ্টু বৰদলৈ, নয়নমণি শৰ্মা, লোক সংগীত, শাস্ত্ৰীয় সংগীতৰ শিল্পী ত্ৰিবেণী বৰা, জোনালী শইকীয়াই ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষক হিচাপে শিক্ষাদান কৰিছে। উল্লেখ্য যে, অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি বিকাশ উপসমিতিয়ে চাহ বাগিচা অঞ্চলসমূহত ব্যাপক কৰ্মসূচী হাতত লৈছে। এনে পদক্ষেপক আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱালা, সাধাৰণ সম্পাদক জগদীশ বৰাইকে আদৰণি জনাইছে।

# সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ, ধুবুৰী জিলা সমিতিৰ পৰা ৰক্ষা বন্ধন পালন

**অসম বাৰ্তা, গৌৰীপুৰ, ১২ আগষ্ট ঃ** দেশৰ অন্যতম অৰাজনৈতিক সামাজিক সাংস্কৃতিক সংস্থা সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ ধুবুৰী জিলা সমিতি সহ তিনিখনকৈ নগৰ আৰু সাতখনকৈ ছে'ৰ সমিতিৰ উদ্যোগত আজি ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনী, অসম আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী, কেন্দ্ৰীয় আৰক্ষী বাহিনী সহ সীমান্তৰ সুৰক্ষাত নিয়োজিত সমূহ সুৰক্ষাকৰ্মী, জোৱানৰ ছাউনী সমূহত আৰু মুখ্য কাৰ্য্যালয় সমূহত, কৰ্ত্যব্য স্থানত আনুষ্ঠানিকভাৱে প্ৰত্যেক বৰ্ষৰ দৰে এই বেলীও পৱিত্ৰ ৰাখী বন্ধন উৎসৱ পালন কৰে। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ পূৰ্বোত্তৰ সমিতিৰ সভানেত্ৰী ডঃ প্ৰতিমা নিয়োগীয়ে বি, এছ, এফৰ ৮৯বি এন, ৬৬ বি এন পানবাৰীস্থিত মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত কৰা হয় ৰাখীবন্ধন উৎসৱ। এই উৎসৱত উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে, বাইদেউ সকলক ঘৰত এৰি ভাই সকল আজিৰ দিনত দেশৰ সীমান্তত থিয় হৈ আছে, এয়া আমাৰ সকলো নাগৰিকৰ দায়িত্ব যে আমিও তেখেত সকলক ৰাখী পিন্ধাব লাগিব। নিৰাপত্তা, আত্মনিৰ্ভৰশীলতা আৰু ঐক্যৰ মৌলিক মন্ত্ৰ আত্মসাৎ কৰি সীমান্ত চেতনা মঞ্চই উত্তৰ-পূবৰ সীমান্তবাসীৰ স্বাৰ্থত কাম কৰি আছে। সেনা আৰু নিৰাপত্তা ব্যৱস্থাৰ সৈতে সমন্বয়, ভাৰত মাতৃক শক্তিশালী কৰনেৰে গৌৰৱময় কৰাৰ লক্ষ্যৰে সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ সমূহ কৰ্মকৰ্তাই নিজৰ নিজৰ সমাজত নিৰন্তৰ অক্লান্ত প্ৰচেষ্টা চলাই আহিছে। আমাৰ সেনা, নিৰাপত্তাৰক্ষী, আৰক্ষী জোৱান আদিয়ে নিজৰ পৰিয়ালৰ পৰা আঁতৰি থাকি দেশৰ নিৰাপত্তাৰ প্ৰতি অহৰহ উৎসৰ্গিত আৰু দেশৰ উন্নয়নৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে গতিকে আজিৰ পৱিত্ৰ ৰাখী বন্ধনৰ শুভক্ষণত. সকলোকে "সীমান্ত চেতনা মঞ্চ উত্তৰ পূৰ্বাঞ্চল"ৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ নৱ নিযুক্ত অসম ৰাজ্যিক সভাপতি বাবলু কুমাৰ ৰায় আৰু সম্পাদক যোগেন্দ্ৰ নাথ ৰায়, জেষ্ঠ কাৰ্য্যকৰ্তা ৰমেন্দ্ৰ নাথ দাস, হৰিপদো ৰায়েও বি, এছ এফৰ পানবাৰী স্থিত ছেক্টৰ মুখ্য কাৰ্য্যালয়ত উপস্থিত থাকে। ইফালে মঞ্চৰ ৰনপাগলী, ছত্ৰশাল, বিষখোৱা, লক্ষ্মীমাৰী, কেদাৰ, দুৰাহাটী আৰু ধৰ্মশালা ছে'ৰ সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ সঞ্চালনাত ১৫ - ২০ জনীয়া পুৰুষ, মহিলাৰ কাৰ্য্যকৰ্তাৰ গোটে ভাৰত বালাদেশ সীমান্ত স্থিত প্ৰতিটো বি, এছ, এফ ছাউনীত আৰু সীমান্তৰ দ্বিতীয় শাৰীৰ নিৰাপত্তাৰ দ্বায়িত্বত থকা অসম আৰক্ষীৰ জোৱান সকলক ৰাখী পিন্ধোৱাৰ লগতে ভাৰত মাতা পূজন, সাংগঠনিক ধ্যেয়গীত পৰিৱেশন, মত বিনিময়ৰে আনুষ্ঠানিকভাৱে ৰাখীবন্ধন উৎসৱ পালন কৰে বুলি মঞ্চৰ জিলা প্ৰচাৰ প্ৰমুখ প্ৰদীপ কৰ্মকাৰে এক প্ৰেছ বাৰ্তা যোগে জানিবলৈ দিয়। আনহাতে ধুবুৰী নগৰ, গৌৰীপুৰ নগৰ আৰু গোলকগঞ্জ নগৰ সমিতিয়ে ক্ৰমে অসম আৰক্ষীৰ ধুবুৰী জিলা স্থিত মুখ্য কাৰ্য্যালয়, বি, এছ, এফৰ জলস্থৰ বিভাগত কৰ্মৰত জোৱান সকলক, স্থানীয় আৰক্ষী কাৰ্য্যালয়, কেন্দ্ৰীয় আৰক্ষী বাহিনীৰ কাৰ্য্যালয়, অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্য্যালয়কে ধৰি বিভিন্ন স্থানত কৰ্মৰত সুৰক্ষা কৰ্মী সকলক যথাবিহিত ৰীতি নিয়মেৰে ৰাখী পৰিধান কৰোৱায় বুলিও প্ৰেছ বাৰ্তাটোত কৰ্মকাৰে সদৰি কৰে। সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ ধুবুৰী জিলাৰ বিভিন্ন স্থানত নিজ পৰিয়ালক এৰি আজি পৱিত্ৰ ৰাখী বন্ধনৰ শুভক্ষণ দেশমাতৃৰ সুৰক্ষাৰ দ্বায়িত্বত থকা জোৱান একাংশই মঞ্চৰ ভগ্নী সকলৰ পৰা ৰাখী পৰিধান কৰাৰ সময় ছোৱাত নিজৰ ভগ্নী, পৰিয়ালকে কাষত পাইছো বুলি আবেগিক ভাৱে ধন্যবাদ জনোৱাটো লক্ষণীয়।

# ডি, কে অগ্ৰগামী নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সজাগতা সভা

**অসম বাৰ্তা, সোণতলী, ১২ আগষ্ট ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ডেকাচাঙত ৰবিবাৰে দক্ষিণ কামৰূপ জিলা অগ্ৰগামী নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ এখনি সজাগতামোলক সভা অনুষ্ঠিত কৰে। ডেকাচাং আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ কাৰ্যালয় প্ৰাংগণত ইউনিয়নৰ প্ৰতিষ্ঠাপক সভাপতি তথা সাংবাদিক আবুল হাসেমৰ সঞ্চালনত সভাখন অনুষ্ঠিত কৰে। সভাত সম্পাদক কছিম উদ্দিন চৌধুৰীয়ে উদেশ্য ব্যাখ্যা কৰে। সভাত ইউনিয়নৰ কৰ্মকৰ্তা সকলৰ লগতে বিভিন্ন নিৰ্মাণকাৰ্যৰ লগত জড়িত থকা প্ৰায় শতাধিক শ্ৰমিক সকল উপস্থিত থাকে। সভাৰ জৰিয়তে চৰকাৰী পঞ্জীয়নকৃত শ্ৰমিকসকলৰ বিভিন্ন সময়ত হৈ অহা সমস্যা সমাধানৰ লগতে চৰকাৰে শ্ৰমিক আইনৰ যোগেদি প্ৰনয়ণ কৰা সুবিধা সমূহ কেনেদৰে লাভ কৰিব পাৰি তাৰ বিষয়ে পৰ্যালোচনা কৰে। তদুপৰি সভাত পঞ্জীয়ন নথকা শ্ৰমিক সকলক জিলা শ্ৰমিক কাৰ্যালয়ৰ লগত যোগাযোগ কৰি পঞ্জীয়ন কৰাবলৈ পৰামৰ্শ আগবঢ়ায়। এই কামৰ ক্ষেত্ৰত জিলা ইউনিয়নে শ্ৰমিক সকলক সৰ্বতো প্ৰকাৰে সহায় কৰিব বুলিও ব্যক্ত কৰে।

# নগাঁও প্ৰেছ ক্লাৱত 'মধ্য অসম নাগৰিক অভিবৰ্তন'ৰ প্ৰস্তুতি সভা

**অসম বাৰ্তা, বেবেজীয়া, ১২ আগষ্ট ঃ** নগাঁও প্ৰেছ ক্লাৱত শনিবাৰে বিয়লি ৩ বজাত অহা ২৩ আগষ্ট শণিবাৰে নগাঁও জিলা পুথিভঁৰালত অনুষ্ঠিত হ'বলগীয়া মধ্য অসম নাগৰিক অভিবৰ্তনৰ প্ৰস্তুতি আৰু ৰূপায়ণৰ বিষয়ে সবিশেষ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মধ্য অসম নাগৰিক অভিবৰ্তন প্ৰস্তুতি আৰু ৰূপায়ণ কমিটিৰ কাৰ্যকৰী সভাপতি মোলান লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা সভাত উদ্দেশ্য ব্যাখ্যা কৰে নগাঁও নাগৰিক সভাৰ সম্পাদক বিৰিঞ্চি বৰাই। সম্পাদক বিৰিঞ্চি বৰাই জানিবলৈ দিয়া মতে মধ্য অসমৰ প্ৰায় এহেজাৰৰো অধিক সচেতন নাগৰিকৰ উপস্থিতিৰ পৰিকল্পনাৰে অসমৰ সামগ্ৰীক সামাজিক, ৰাজনৈতিক পৰিস্থিতি আৰু মধ্য অসমে সন্মুখীন হোৱা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰৱঞ্চনাৰ বিষয়ে সমস্যা আৰু সমাধানৰ বিষয়ে আলোকপাত কৰিবলৈ আয়োজন কৰা নাগৰিক অভিবৰ্তনত অসমৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ৰ সমাজকৰ্মীক নিমন্ত্ৰণৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে এই প্ৰস্তুতি সভাত প্ৰস্তুতি সভাৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা, কাৰ্যকৰী সভাপতি ৰিমজিম বৰা, সহকাৰী সম্পাদক ৰহমতুলা খান, ৰূপম বৰা, সমাজকৰ্মী মৃণাল হাজৰিকা, কৃষক নেতা মনোজ সিংহ ৰাজা, শ্ৰমিক নেতা ৰূপেশ্বৰ কাকতি, মধ্য অসমৰ কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শ্ৰমিক পৰিবহণ সন্থা, মুছাৰ কেন্দ্ৰীয় বিষয়ববীয়া, কংগ্ৰেছ, বাওঁপন্থী দল, অসম জাতীয় পৰিষদৰ বিষয়ববীয়াকে ধৰি ৮০ ৰো অধিকব্যক্তি উপস্থিত থাকে।

# মেৰাপানী নেঘেৰিবিলত শংকাত ভূগীছে খিলঞ্জীয়া, মুখ্যমন্ত্ৰীলৈ নিৰাপত্তাৰ বিচাৰি আহ্বান

**অসম বাৰ্তা, মেৰাপানী, ১২ আগষ্ট ঃ** অসম নাগালেণ্ড সীমান্তৰ মেৰাপানী নেঘেৰিবিলত এতিয়া নিমাও নিমাও পৰিবেশ, যোৱা কালি ২০৫ ঘৰ সন্দেহজনক অবৈধ বেদখলকাৰীৰ বিপৰীতে ১৪৪ ঘৰহে উচ্ছেদ কৰিছে গোলাঘাট জিলা প্ৰশাসন আৰু বনবিভাগে। এতিয়াও সম্পূৰ্ণ উচ্ছেদ হোৱা নাই সন্দেহজনক বেদখল কাৰীৰ। যিকোনো সময়তে বিপদৰ আশংকা কৰিছে খিলঞ্জীয়া লোকসকলে। সেয়েহে খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তাৰ স্বাৰ্থত মুখ্যমন্ত্ৰীক মেৰাপানী নেঘেৰিবিলত এটা বেতিলিয়েন কেম্প স্থাপনৰ আহ্বান জনাইছে খিলঞ্জীয়া ৰাইজে।

# বিটিআৰৰ টকেয়ামাৰিত এ.আই.ইউ.ডি.এফ. দলৰ নিৰ্বাচনী প্ৰচাৰ সভা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ আগষ্ট ঃ** বিটিআৰৰ ২ নং গুমা সমষ্টিৰ অন্তৰ্গত টকেয়ামাৰিত এ আই ইউ ডি অফ দলৰ এখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে আগন্তুক বিটিচি নিৰ্বাচনৰ এ আই ইউ ডি অফ দলৰ দলীয় টিকটৰ আশাবাদী প্ৰাৰ্থী খলিলুৰ ৰহমান। লগতে উপস্থিত থাকে ধুবুৰী জিলা এ আই ইউ ডি অফ কাৰ্য্যকৰী সভাপতি খাইৰুল আনাম খণ্ডকাৰ। কাৰ্য্যকৰী সভাপতি গৰাকীয়ে সভাত ভাষণ দি কংগ্ৰেছ, বিপিএফ আৰু ইউপিপিএল দলক তীব্ৰ বাক্যৰে সমালোচনা কৰে। তেওঁ কয় যে, এই দলসমূহে কেৱল বিটিআৰৰ ভোটৰ সময়তে জনগণক প্ৰতিশ্ৰুতি দিয়ে, কিন্তু বাস্তৱত জনগণৰ উন্নয়ন আৰু অধিকাৰৰ বিষয়ে কোনো গুৰুত্ব নিদিয়ে। সভাত গোঁসাইগাঁও জিলা সমিতি এ আই ইউ ডি অফ দলৰ সভাপতি তথা ২ নং গুমা সমষ্টিৰ আশাবাদী প্ৰাৰ্থী খলিলুৰ ৰহমানে ভাষণত কয় যে বিগত দিনত বিপিএফ দলে বিশেষ কৈ আমাৰ সংখ্যালঘু ৰাইজক ঠগীলে এইবেলি আকৌ ইউপিপিএল দলে মাথোঁ আঁচনিৰ কথা কৈ ৰাইজক প্ৰতিশ্ৰুতি দি চাৰি বছৰ পাৰ কৰিলে সেয়ে ৰাইজ এইবাৰ সজাগ হৈছে বিপিএফ, ইউপিপিএল দলক বিদায় দি এ আই ইউ ডি অফ দলক আঁকোৱালি লৈছে। আনহাতে কচুগাঁও সমষ্টিৰ এ আই ইউ ডি অফ দলৰ সম্ভাব্য প্ৰাৰ্থী কিৰণ কুমাৰ ব্ৰহ্মেও সভাত অংশ গ্ৰহণ কৰি ভাষণত তেওঁ কয়, "মই বড়ো সম্প্ৰদায়ৰ লোক হোৱাৰ পাছতো আজি এ আই ইউ ডি অফ দলত আছোঁ, কাৰণ বিপিএফ, ইউপিপিএল আৰু বিজেপি দলে আমাৰ বড়ো জাতি লোকক কেৱল ব্যৱহাৰ কৰি আমাক আমাৰ অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। এতিয়া সময় আহিছে যে বিটিআৰৰ পৰা এই দলসমূহক বিদায় দিয়াৰ।"

# বৰিহাটত 'ভাৰ্গবেন্দু যনাট্য দল'ৰ শুভ মহুৰৎ

**অসম বাৰ্তা, মিৰ্জা, ১২ আগষ্ট ঃ** অসমৰ যাত্ৰা জগতত তৃতীয় বৰ্ষৰ বাবে ৰাইজৰ আশিস বিচাৰি দক্ষিণ কামৰূপৰ যাত্ৰা জগতত অগতানুগতিক বিশাল নাট্য প্ৰতিশ্ৰুতিৰে ২০২৫-২৬ তৃতীয় নাট্য বৰ্ষত চমকপ্ৰদ প্ৰদৰ্শন কৰিবলৈ বৰিহাটৰ আসৰা গৃহত নাট আখৰাৰ শুভ উদ্বোধন কৰা হয় ভাৰ্গবেন্দু নাট্য দলৰ। ভাৰ্গবেন্দু নাট্য দলৰ শিল্পী মোহন কলিতাই আত ধৰা অনুষ্ঠানটিত কীৰ্তন পাঠ, গুৰু বন্দনা, নাৰিকল ভঙা আদি বিভিন্ন মাঙ্গলিক অনুষ্ঠানৰ পিছতে এখনি মুকলি সভাৰ মাজেৰে এই বৰ্ষৰ দুখন নাট দিম্পল কুমাৰ দাসৰ অভিযোজনা আৰু পৱন মহন্তৰ পৰিচালনাৰে পৌৰাণিক নাট যুগসন্ধি আৰু ৰমা বৰ্মনৰ ৰচনা আৰু মুনীন দাস আৰু পৱন মহন্তৰ পৰিচালিত সামাজিক নাট নিষিদ্ধ এলেকাৰ গাভৰু নাট দুখন আখৰাৰ বাবে আনুষ্ঠানিক ভাৱে মুকলি কৰে নাট্যকাৰ হীৰেন দাস দেৱে আৰু জেষ্ঠ ব্যক্তি উমেশ দাসে। উক্ত সভাতে নাট্য দলটোৰ চুক্তিবদ্ধ হোৱা সমূহ কলা কৌশলীৰ লগতে বিভিন্ন বিষয়ত দায়িত্ব ভাৰ গ্ৰহণ কৰা ব্যক্তিসকলৰ পৰিচয় দাঙি ধৰে প্ৰযোজকদ্বয় তপন কলিতা আৰু পবিত্ৰ কলিতাই লগতে অনুষ্ঠানৰ মাজতে নাটৰ কিছু দৃশ্যাংশৰ আখৰা কৰে। বিগত বৰ্ষ দুটিৰ দৰেই এই বছৰো নাট্য প্ৰেমী ৰাইজৰ বিপুল সঁহাৰিৰ আশা কৰিছে প্ৰযোজকদ্বয়ৰ লগতে তথ্য আৰু প্ৰচাৰ সম্পাদক মন্ত কলিতাই। উল্লেখযোগ্য যে নাট্য প্ৰেমী দৰ্শকে 9101132268, 8638240358 মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব নাট্য দলটিক।

## সম্পাদকীয়

# বিদ্যুৎ নে জলবোমা

গেৰুকামুখ জলবিদ্যুৎ প্ৰকল্পৰ পঞ্চম টাৰ্বাইন স্থাপনৰ সংবাদে অসমৰ জনসাধাৰণক বিভ্ৰান্তিত কৰিছে। এন.এইচ.পি.চি.য়ে ১২, ৫০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ ঘোষণা কৰাৰ বিপৰীতে ৰাষ্ট্ৰীয় বান্ধ সুৰক্ষা সমিতিয়ে ইয়াৰ বিপদজনক দিশসমূহ স্পষ্টকৈ উল্লেখ কৰিছে। এই পৰিস্থিতিয়ে আমাৰ সমুখত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে - উন্নয়নৰ নামত জনসাধাৰণৰ জীৱন বিপন্ন কৰাটো কি যুক্তিসংগত? কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰীপদ নায়কে সংসদত স্বীকাৰ কৰাৰ পিছতো এই প্ৰকল্পৰ কাৰ্য্যকলাপ অব্যাহত ৰখাটো চৰকাৰৰ দ্বিচাৰিতামূলক নীতিকেই সূচায়। বিশেষজ্ঞসকলৰ মতে, হিমালয় অঞ্চলত স্থাপন কৰা এই ধৰণৰ প্ৰকল্পসমূহ ভূ-প্ৰাকৃতিকভাৱে অতি সংবেদনশীল। ইতিমধ্যে নামনি সোৱণশিৰিত সংঘটিত হোৱা কেইবাটাও দুৰ্ঘটনাই ইয়াৰ প্ৰমাণ দাঙি ধৰিছে। প্ৰকল্পটোৰ ফলত নদীৰ প্ৰবাহত হোৱা পৰিৱৰ্তনে স্থানীয় কৃষি, মৎস্য সম্পদ আৰু পৰিৱেশত ধ্বংসাত্মক প্ৰভাৱ পেলাইছে। ইয়াৰোপৰি বান্ধৰ আশে-পাশে বসবাস কৰা জনসাধাৰণৰ জীৱনধাৰণ পদ্ধতিত পৰোক্ষভাৱে নেতিবাচক প্ৰভাৱ পৰিছে। উন্নয়ন আৰু সুৰক্ষাৰ মাজত সমতাবিধান কৰাটো এতিয়া সময়ৰ গুৰুত্বপূৰ্ণ আৱশ্যক। চৰকাৰে জনসাধাৰণৰ সুৰক্ষাক অগ্ৰাধিকাৰ দিব লাগিব, নতুবা ভৱিষ্যতত ইয়াৰ পৰিণাম ভয়াবহ হ'ব পাৰে। আমাৰ প্ৰাকৃতিক সম্পদৰ স্থায়ী ব্যৱস্থাপনা আৰু জনসাধাৰণৰ কল্যাণেই হ'ব লাগিব আমাৰ মুখ্য লক্ষ্য।

> অসমৰ ৰাইজে যদি নিজৰ অনুজ্ঞাপত্ৰ থকা বন্দুক ব্যৱহাৰ কৰি নিজৰ সমস্যা নিজেই সমাধান কৰিব পাৰে, তেনেহ'লে বন্দুক দিয়াৰ পিছত চৰকাৰৰ কিবা বিশেষ কাম থাকিবগৈনে? অৰ্থাৎ বিধানমণ্ডলী, ন্যায়পালিকা, কাৰ্যপালিকাৰ কিবা কাম থাকিবগৈনে? এইবোৰ ভংগ কৰি দিব নালাগিবনে? কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মতে নাগৰিকে নিজৰ সমস্যা নিজেই সমাধান কৰি ল'ব পাৰিব। কাৰণ এখন নিৰ্বাচিত চৰকাৰ থকাৰ পিছতো নাগৰিকক চৰকাৰে নিৰাপত্তা দিব পৰা নাই।

# বন্দুক নহয়-জাতীয় অধিকাৰ লাগে

**শংকৰ শইকীয়া**


সকলো সামাজিক, ৰাজ্য বা ৰাষ্ট্ৰৰ সমস্যা সমাধানৰ বাবে সকলোতকৈ উৎকৃষ্ট সমাধানৰ উপায় হ'ল — ৰাজনৈতিক সমাধান। সকলো সমস্যাৰ কাৰণ বিচাৰি উলিয়াই তাৰ বাস্তৱসন্মত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কৰ্মসূচীৰ সমন্বয়ত সঠিক আৰ্থ-ৰাজনৈতিক সমাধান কৰিব পৰাটোৱেই হ'ল দক্ষ ৰাজনীতিকৰ পৰিচয়। তাকে নকৰি সামৰিক বা অস্ত্ৰসৰ্বস্ব সমাধানৰ দিশে আগুওৱাৰ অৰ্থই হ'ল — সকলো ৰাজনৈতিক সমাধানৰ ব্যৰ্থতা প্ৰত্যক্ষ বা পৰোক্ষভাৱে শাসকে স্বীকাৰ কৰা আৰু নিজৰ ব্যৰ্থতাৰ দোষ এক লোকৰ ওপৰত জাপি দিয়াৰ কুটিল ষড়যন্ত্ৰৰে ৰাজ্যখনক এক ভয়ংকৰ নৈৰাজ্যৰ দিশলৈ গতিয়াই দিয়া।

আজি বেচ কিছুদিন ধৰি অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এযাৰ কথা ঘনাই কৈ আছে যে -অসমীয়া মানুহ নিঃশেষ হ'বলৈ গৈ আছে। গতিকে অসমীয়াৰ অস্তিত্ব ৰক্ষা কৰিবলৈ অসমীয়াই হাতে-হাতে বন্দুক তুলি লোৱাৰ কোনো বিকল্প নাই আৰু ই অপৰিহাৰ্য আৰু একমাত্ৰ সমাধানৰ পথ।

আমি প্ৰথমতেই আৰু পোনচাটেই এই জনবিৰোধী বন্দুক লোৱা সংস্কৃতিৰ বিৰোধিতা কৰিছোঁ আৰু ঘোষণা কৰিছোঁ যে এই মানসিকতা গণতান্ত্ৰিক ধাৰণা আৰু পৰম্পৰাৰ বিৰোধী। কাৰণ আমি জানো যে আমি ৰাজতন্ত্ৰ বা সামৰিক তন্ত্ৰত বাস কৰা নাই। ৰাজতন্ত্ৰ বা সামৰিক তন্ত্ৰতো প্ৰজা বা নাগৰিকক অস্ত্ৰ দিয়া নহয়।

আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যে কৈছে যদি কোনোবাই অস্ত্ৰ ল'ব বিচাৰে তেনেহ'লে তেওঁলোকে ল'ব পাৰে আৰু অনুজ্ঞাপত্ৰ পাব। (আমি এটা প্ৰশ্ন এৰাই চলিছোঁ ভাৰতীয় সংবিধানে এই অনুমতি দিব নে? ) ইয়াত আমি তিনিটা প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছোঁ — (১) ধৰি লোৱা হ'ল অসমৰ ল'ৰা বুঢ়া সকলোৰে হাতত অস্ত্ৰ তুলি দিয়া হ'ল আৰু এখন পথাৰত সকলোকে থিয় কৰাই দিয়া হ'ল আৰু কোৱা হ'ল নিজক ৰক্ষা কৰিবলৈ তোমালোকে অস্ত্ৰ ব্যৱহাৰ কৰিব পাৰা, আইনে অনুমতি দিছে। এতিয়া হাতে হাতে থকা অস্ত্ৰৰে কোনে কাক হত্যা কৰিব?

(২) অসমৰ ৰাইজে যদি নিজৰ অনুজ্ঞাপত্ৰ থকা বন্দুক ব্যৱহাৰ কৰি নিজৰ সমস্যা নিজেই সমাধান কৰিব পাৰে, তেনেহ'লে বন্দুক দিয়াৰ পিছত চৰকাৰৰ কিবা বিশেষ কাম থাকিবগৈনে? অৰ্থাৎ বিধানমণ্ডলী, ন্যায়পালিকা, কাৰ্যপালিকাৰ কিবা কাম থাকিবগৈনে? এইবোৰ ভংগ কৰি দিব নালাগিবনে? কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মতে নাগৰিকে নিজৰ সমস্যা নিজেই সমাধান কৰি ল'ব পাৰিব। কাৰণ এখন নিৰ্বাচিত চৰকাৰ থকাৰ পিছতো নাগৰিকক চৰকাৰে নিৰাপত্তা দিব পৰা নাই। চৰকাৰেই নাগৰিকে নিজৰ নিৰাপত্তা নিজে কৰি লোৱাৰ পোষকতা কৰিছে আৰু হাতে হাতে বন্দুক তুলি দিয়াৰ পোষকতা কৰিছে।




(৩) যদি নাগৰিকৰ হাতত বন্দুক নাথাকিলে নিৰাপত্তা নাথাকেই তেনেহ'লে পাঁচ কিলো চাউল আৰু ১২৫০.০০ টকাৰ বাবে শাৰী পাতি লৈ থকাসকলে বন্দুক কিনিবলৈ ধন ক'ত পাব নে হিতাধিকাৰীক চৰকাৰে চাউলৰ দৰে বন্দুকো বিনামূলীয়াকৈ যোগান ধৰিব?

চৰকাৰে যিহেতু নিজৰ ব্যৰ্থতা স্বীকাৰ কৰিলেই এতেকে গণতান্ত্ৰিক ব্যৱস্থাপনাৰে কেনেদৰে অসমীয়াৰ দৰে ক্ষুদ্ৰ জাতিৰ জাতীয় সমস্যা নিৰস্ত্ৰভাৱে সমাধান কৰিব পৰা যায় সেই ক্ষেত্ৰত আমি আমাৰ দৃষ্টিভংগী ৰাজহুৱাভাৱে অৱগত কৰিব বিচাৰিছোঁ আৰু এইক্ষেত্ৰত ৰাইজকো বিষয়টো সু-চিন্তিতভাৱে বিবেচনা কৰিবলৈ গোহাৰি জনাইছোঁ।

প্ৰথম কথা — ভাৰত ৰাষ্ট্ৰ পোনপটীয়াকৈ লেমটৌ পুঁজিবাদী (কোনো কোনোৰে মতে ধান্দাৰ পুঁজিবাদী, Crony Capitalism) ব্যৱস্থাৰে চলি আছে। যি ব্যৱস্থাত শাসক পুঁজিপতিৰ সেৱকহে, ৰাষ্ট্ৰ পোনপটীয়াকৈ পুঁজিপতিৰ জমিদাৰী যেন হৈছেগৈ। লেমটৌ পুঁজিবাদ নো কি তাৰ সংজ্ঞা দিওঁতে গুগলে কাৰ্টুন ছবি এখনো সংযোজন কৰিছে - আগ্ৰহী পাঠকে ছবিখন চাব পাৰে।

বহুতে এনেদৰে কৈছে - অসমৰ চাৰিওপিনে ইমান সুন্দৰ বাটপথ সজাৰ কাৰণ প্ৰত্যক্ষভাৱে জনকল্যাণ নহয়। সেইটো পৰোক্ষ উপকাৰীতাহে — প্ৰত্যক্ষ লাভ মুক্ত বজাৰ অৰ্থনীতিয়ে দিয়া সুবিধাৰে বৃহৎ পুঁজিপতিয়ে যাতে অ'ন লাইন ব্যৱস্থাৰ জৰিয়তে গাঁৱে-ভুঁয়ে, চহৰে-নগৰে ঘৰে ঘৰে নঙলামুখলৈ আহি সামগ্ৰী বিপণন কৰিব পাৰে।

তদুপৰি বাট-ঘাট, উৰণ সেতু আদিৰ পৰা প্ৰত্যক্ষভাৱে লাভবান হয় -বৃহৎ পুঁজি। মদৰ মুকলি ব্যৱসায়ৰ জৰিয়তে লাভবান হয় সুৰা বেৰণ -অৰ্থাৎ পুঁজিপতি। উচ্ছেদৰো ঘাই কাৰণ বৃহৎ পুঁজিপতিক অসমৰ খনিজাত সম্পদৰ আকৰবোৰ গটাব বিচাৰিছে।

সম্প্ৰতি মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ নাগৰিকৰ নিৰাপত্তাৰ বাবে ৰাইজৰ হাতত অস্ত্ৰ তুলি দিয়াৰ বাবে বাবে বাৰে আগ্ৰহ প্ৰকাশ কৰিছে। চৰকাৰৰ এনে বক্তব্যই যে ৰাজ্যৰ গৃহ বিভাগৰ ব্যৰ্থতাকেই প্ৰকাশ কৰিছে সেইটো নিজেই প্ৰমাণ কৰিছে। এনে ক্ষেত্ৰত স্বাভাৱিকতেই প্ৰশ্ন উত্থাপন হ'ব - নাগৰিকক নিৰাপত্তা দিব নোৱাৰা চৰকাৰৰ প্ৰয়োজনেই বা কি? এনেধৰণৰ আত্মঘাতীমূলক সিদ্ধান্তৰ পিছত অস্ত্ৰ ব্যৱসায়ীৰ স্বাৰ্থ আৰু শকত অংকৰ কমিচন জড়িত হৈ আছে বুলি বহুতে আশংকা প্ৰকাশ কৰিছে। এইবাবেই প্ৰতিটো ঘটনা দেখাৰ দৰে প্ৰত্যক্ষভাৱে নাচাই ঘটনাৰ আঁৰৰ ৰাজনৈতিক-অৰ্থনীতি পৰ্যবেক্ষণ আৰু পৰ্যালোচনা কৰাটো প্ৰয়োজনীয় হৈ পৰে।

অসমৰ সচেতন যুক্তিবাদী নাগৰিকে অসমখন মধ্যপ্ৰাচ্য হোৱাটো নিবিচাৰে আৰু সেয়েহে সুৰা-বেৰণৰ স্বাৰ্থ সুৰক্ষিত কৰা মদৰ দৰে অস্ত্ৰ-ব্যৱসায়ীৰ স্বাৰ্থ সুৰক্ষিত কৰা জনস্বাৰ্থ বিপন্ন কৰা বন্দুকৰ বিৰোধ কৰিছে। ইয়াৰ বিপৰীতে অসম আৰু অসমৰ স্বাৰ্থ বৰ্তাই ৰখা গণতান্ত্ৰিক অধিকাৰৰ হকে অস্ত্ৰৰ বিৰুদ্ধে নিজৰ কণ্ঠ তুলি ধৰিছে।

প্ৰথম কথা — এই কথা সকলোৱে জানে যে ভাৰত ৰাষ্ট্ৰ এখন বহুজাতিক আৰু বহুভাষিক ৰাষ্ট্ৰ। ভাষাৰ ভিত্তিতেই ৰাজ্যবোৰ সৃষ্টি কৰা হৈছিল। আৰু সংবিধানে ঘোষণা কৰিছে ভাৰত ৰাষ্ট্ৰ ৰাজ্যসমূহৰ সংঘ ( Union of states)। কিন্তু মন কৰিলে দেখা পাওঁ যে সংঘাধীন ৰাজ্যসমূহৰ প্ৰতিনিধি সংসদত সমান নহয়। আৰু এই ক্ষেত্ৰত আপাত দৃষ্টিত যদিওবা সি ৰাজ্যৰ প্ৰতিনিধি ( সাংসদ)। বাস্তৱিকতে এই প্ৰতিনিধিত্বজন প্ৰতিনিধিত্বহে। ফলত ৰাজ্যৰ দৃষ্টিৰে চালে প্ৰতিনিধিত্ব অসমান হৈ থাকে। এতেকে, ৰাজ্যসমূহ বিভাজনৰ আধাৰত সমান প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰাটো হ'ব গণতান্ত্ৰিক সমাধানৰ পথ। এই ক্ষেত্ৰত 'চাৰকাৰীয়া আয়োগ'ৰ সিদ্ধান্ত কাৰ্যকৰী হোৱাটো অসমৰ ৰাইজে বহুদিন ধৰি বিচাৰি আছে।

দ্বিতীয় কথা — ৰাজ্যৰ সম্পূৰ্ণ ৰাজনৈতিক ক্ষমতা ৰাজ্যৰ হাতত থকাৰ ব্যৱস্থা কৰক। সংবিধানখন যুক্তৰাষ্ট্ৰীয় আৰ্হিৰ সংঘীয় নহৈ প্ৰকৃত যুক্তৰাষ্ট্ৰীয় কৰা হওক। তাৰ বাবে সংবিধানৰ উমৈহতীয়া তালিকা আৰু ৰাজ্যৰ চাৰিসীমাৰ অধীনত থকা সকলো বিষয় সমাধানৰ কাৰ্যকৰী ক্ষমতা ৰাজ্যৰ হাতত দিয়ক। লগতে, ৰাজ্যৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়নৰ ক্ষমতাও ৰাজ্যৰ হাতত দিয়াটো নিশ্চিত কৰক। ইয়াৰ বাবে প্ৰয়োজনত ৰাজ্য আৰু ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকৰ বাবে দ্বি-নাগৰিকত্বৰ ব্যৱস্থাও প্ৰৱৰ্তন কৰক।

তৃতীয় কথা — ৰাজ্যৰ সকলো ধৰণৰ অৰ্থনৈতিক ক্ষমতা, ৰাজ্যৰ সকলো সম্পদৰ ওপৰত কেন্দ্ৰৰ অধিকাৰ মুক্ত কৰি ৰাজ্যৰ সমুদায় ক্ষমতা নিশ্চিত কৰক।

চতুৰ্থ কথা -ৰাজ্যত ৰাজ্যৰ ভাষা, সংস্কৃতি প্ৰয়োগ আৰু ৰক্ষাত কেন্দ্ৰৰ সামান্যতমো হস্তক্ষেপ নথকাকৈ ৰাজ্যৰ অধিকাৰত থকাৰ ব্যৱস্থা কৰক।

পঞ্চম কথা -ৰাজ্যৰ ভূ-খণ্ড ৰক্ষাৰ সকলো অধিকাৰ ৰাজ্যৰ হাতত দিয়াৰ আইনী ব্যৱস্থা কৰক।

অসমৰ প্ৰতিটো স্বকীয় বৈশিষ্ট্যসম্পন্ন জনগোষ্ঠী সমন্বিতে গঠিত অসমীয়া জাতিয়ে চৰকাৰৰ ওচৰত সমূহীয়াকৈ বা ৰাজহুৱাকৈ কোনো আগ্নেয়াস্ত্ৰ বিচৰা নাই, বিচাৰিছে অস্তিত্ব ৰক্ষা আৰু বিকাশৰ অধিকাৰহে। এইখিনি সাধাৰণ দেৱালৰ লিখন অনুধাৱন কৰিব নোৱাৰা চৰকাৰখনে নিজকে জনকল্যাণমুখী চৰকাৰ বুলি কোৱাৰ অধিকাৰ হেৰুৱাই পেলাব ধৰিছে। সেইযাৰ কথা যদি অনুধাৱন কৰিব নোৱাৰে তাতোকৈ ডাঙৰ ব্যৰ্থতা আন একো নাই।

# সুবিধাবাদী, স্বাৰ্থলোভী আৰু আমি

**সতীশ ৰায় ঘাটোৱাৰ**

আমি আমাৰ জীৱনটো সুখ শান্তিৰে সুন্দৰকৈ কিদৰে পৰিচালনা কৰিব পাৰিম তাৰ বাবে দিনে-নিশাই কষ্ট কৰো। এই জীৱন সংগ্ৰামত কিছুমান লোকে পৰাজয় স্বীকাৰ নকৰি যিকোনো দিশত নিজকে খাপ খুৱাই, নিজকে মিলাই চলিবলৈ উঠি পৰি লাগি থাকে। সেইয়া পৰিয়ালৰ ভৰণ-পোষণ হওক, শিক্ষা হওক নাইবা আন দিশতে হওক। নিজৰ উন্নতিৰ খাতিৰত বহুত কষ্ট কৰিবলগীয়া হয়। কিছুলোকে প্ৰায়বোৰ দিশতে সফল হয় আৰু কিছুমানে সুবিধাবাদী আৰু স্বাৰ্থলোভী লোকৰ জালত পৰি পিছুৱাই যায়। এই শ্ৰেণীৰ লোকক আমাৰ জীৱন সংগ্ৰামত আমি নিজে স্থান দিওঁ আৰু ক'ত ভুল হ'ল ইয়াৰ উত্তৰ আমি নিজে বিচাৰি নাপাওঁ। আমি আমাৰ নিজৰ প্ৰগতি, নিজৰ উন্নতিৰ বাবে কেতিয়াবা পথভ্ৰষ্ট হৈ পৰো আৰু সঠিক সিদ্ধান্ত ল'বলৈ সক্ষম নহও। যাৰ বাবে আনৰ সহায় ল'বলগীয়া হয়। এই যে আনৰ সহায় লওঁ, তাৰেই সুবিধা লৈ আমাৰ লক্ষ্য, আমাৰ উন্নতিৰ দুৱাৰত তলা মাৰিবলৈ সুযোগ পায় এই সুবিধাবাদী আৰু স্বাৰ্থলোভী লোকসকলে। এইসকল কোনো এক শ্ৰেণীৰ লোক নহয়, তেওঁলোক হ'ল আমাৰ মাজতে থকা একো একোজন চৰিত্ৰহীন আৰু আনৰ উন্নতি দেখিব নোৱাৰা লোক। যাৰ বাবে আমি আগবাঢ়িব নোৱাৰো। ইয়াৰ বাবে আমি আনক দোষাৰোপ কৰিব নোৱাৰো, ইয়াৰ একমাত্ৰ দায়ী আমি নিজে। গতিকে আমি আনৰ সহায় নোলোৱাকৈ যিকোনো পৰিস্থিতিত নিজৰ সঠিক সিদ্ধান্ত নিজে ল'ব পাৰিব লাগিব। পৰিয়ালৰ মাজত আলোচনা কৰক; ইয়াৰ সমাধান কিবা নহয় কিবা ওলাই আহিব। অন্ততঃ অন্য লোকৰ সহায় লোৱা নহ'ব। আপোনাৰ সিদ্ধান্ত আপোনাৰ নিজৰ সিদ্ধান্ত, কোনেও ধৰি-বান্ধি আপোনাক বাধ্য কৰাব নোৱাৰে। কি শুদ্ধ আৰু কি অশুদ্ধ নিজে বিচাৰ-বিবেচনা কৰিবলৈ নিজে সক্ষম হ'ব লাগিব। কাৰোবাৰ উপদেশ নতুবা উচটনিত কিবা এটা পদক্ষেপ লোৱাৰ আগতে নিজৰ ভৱিষ্যতৰ কথা নিজে চিন্তা কৰা অতি প্ৰয়োজন। বিপদৰ সময়ত এই স্বাৰ্থলোভী আৰু সুবিধাবাদী লোকে আপোনাক লগ দিবলৈ নাহিব। কাৰণ দিন সকলোৰে সলনি হয় আৰু যেতিয়া চেতনা ঘূৰাই আহিব তেতিয়া হয়তো বহু পলম হৈ পৰিব। আনৰ সিদ্ধান্তত ইফাল-সিফাল হৈ থকা আৰু মাদাৰীৰ বান্দৰৰ মাজত একো পাৰ্থক্য নাথাকিব। আমি মানুহ হয়, আমিতো কোনো জন্তু নহয় যে, এফালে খেদাই দিলে আনফালে আৰু আনফালে খেদাই দিলে অন্যফালে গুচি যাম। এই ধৰিত্ৰীত অতিকৈ উৎকৃষ্ট, উত্তম আৰু সৰ্বগুণ সম্পন্ন ভগৱানৰ একমাত্ৰ সৃষ্টি হ'লো আমি অৰ্থাৎ মানৱ। বিবেক বুদ্ধি, চিন্তাশক্তি আনকি শিক্ষাৰ দৰে জ্ঞানৰ শক্তি আমাৰ ওচৰত আছে। গতিকে আমি কিয় নিজৰ সিদ্ধান্ত নিজে ল'বলৈ নোৱাৰিম। নিশ্চয় পাৰিম আৰু পাৰিব লাগিব। প্ৰতিটো সময়ত আন মানুহৰ সহায় লৈ আগবাঢ়ি যোৱা মানে হ'ল আনৰ তলতীয়া হোৱা আৰু নিজস্ব একো নথকা। উচ্চতকৈ উচ্চ শিক্ষাধাৰী হ'লেও নিজৰ বিবেক বুদ্ধি, জ্ঞান শূন্য কৰি দিয়াৰ বাহিৰে আন একো নহয়। আমাৰ চিন্তাধাৰা প্ৰতিটো সময়ত শুদ্ধ যে হ'ব এই কথাও কিন্তু আমাৰ ভুল ধাৰণা। আমাৰ মাজতে থকা কিছুমান স্বাৰ্থলোভী, সুবিধাবাদী আৰু চৰিত্ৰহীন লোকৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ। ধৰি লওক কোনোবা মানুহ আপোনাৰ বেমাৰৰ খবৰ ল'বলৈ আহিল, যিজন আপোনাৰ সুখ বা দুখত কেতিয়াও থিয় দিয়া নাই। তেওঁ বহুত ধৰণৰ উপদেশ দিব আনকি পাৰিলে দৰৱ নিজে কিনিও আনি দিব। এনে ভাল মানুহ আমি এই দুনীয়াত পূজা কৰি বিচাৰিলেও কিজানি নাপাওঁ, আমাৰ তেনে ভাৱনা হয়। সেইজনৰ উদ্দেশ্য কেৱল আপোনাক ধ্বংস কৰা আৰু আপোনাৰ উন্নতি সহ্য কৰিব নোৱাৰা। লগতে বিপদৰ সময়ত আপোনাক সহানুভূতি দিয়াৰ অৰ্থ হ'ল তেওঁ আপোনাৰ পৰা নিজৰ কিবা কাম নাইবা নিজৰ স্বাৰ্থ পূৰণ কৰা। আমি বিপদৰ সময়ত এনেবোৰ কথা ধ্যান নিদিওঁ বাবে এই সুন্দৰ সুযোগ আনে হেৰুৱাই দিব নিবিচাৰে। আমি মুক্তভাৱে ভাল মানুহৰ উপদেশ গণ্য কৰি সেইজনক বিশ্বাস কৰি লওঁ আৰু তেওঁৰ উপদেশ মতে কাম কৰিবলৈ মনোযোগ দিওঁ। কিন্তু যেতিয়া বেমাৰ ভাল নহয়, বেছি বাঢ়িবলৈ ধৰে তেতিয়া বুজিবলৈ বাকী নাথাকে আৰু আমি সঠিক চিকিৎসাৰ সহায় লওঁ। আমি এইখিনি নকৰি, আনৰ উপদেশ মতে কাম নকৰি যদি আৰম্ভণিতে সঠিক চিকিৎসাৰ দিহা কৰিলোহেঁতেন তেতিয়াহ'লে আমাৰ অযথা সময় নষ্ট, টকা খৰচ আৰু কষ্ট কৰিবলৈ নালাগিলেহেঁতেন। আমি এইখিনিতে নিজকে বহু দূৰ পিছুৱাই লৈ যাওঁ। উচ্চ শিক্ষা গ্ৰহণ কৰি তাৰ প্ৰমাণপত্ৰ ফাইলত জমা কৰি দিলেই যে সকলো ঠিক হৈ যাব এইয়া আমাৰ আটাইতকৈ ভুল ধাৰণা। আমি উচ্চ শিক্ষাৰ জ্ঞান সঠিক দিশত, সঠিক সময়ত উচিত প্ৰয়োগ কৰিব পাৰিব লাগিব। আনৰ বিবেক বুদ্ধি মতে নহয়, নিজৰ বিবেক বুদ্ধি প্ৰয়োগ কৰিব লাগিব। আপোনাতকৈ কম জ্ঞান থকা লোকৰ বিবেক বুদ্ধি মতে, উপদেশ মতে যদি কাম কৰে তেন্তে আপোনাৰ উচ্চ শিক্ষা গ্ৰহণ কৰা অৰ্থহীন হৈ পৰিব। এনেকৈ সুবিধাবাদী আৰু স্বাৰ্থলোভী লোক এটা এটা শ্ৰেণীত বিভক্ত হৈ বছৰ বছৰ সুবিধা বিচাৰি নিজৰ স্বাৰ্থ পূৰণ কৰি থাকিব আৰু আমাৰ জ্ঞান থাকিও অজ্ঞান হৈ পিছুৱাই গৈ থাকিম।

# Philosophical Suicideৰ ধাৰণা

**ৰঞ্জন ভূঞা**

''Philosophical suicide" হৈছে ফৰাচী দাৰ্শনিক আলবেয়াৰ কাম্যুৰ (Albert Camus) দ্বাৰা প্ৰৱৰ্তিত এটা ধাৰণা, যিটো তেওঁৰ অস্তিত্ববাদী (existentialist) দৰ্শনৰ এক গুৰুত্বপূৰ্ণ অংশ। এই ধাৰণাটো তেওঁৰ ১৯৪২ চনত প্ৰকাশিত গ্ৰন্থ The Myth of Sisyphus-ত বিশদভাৱে বৰ্ণনা কৰা হৈছে। কাম্যুৰ মতে, এইটো জীৱনৰ অৰ্থৰ সন্ধানৰ সম্পৰ্কত মানুহৰ অস্তিত্বগত সংকটৰ এটা সমাধানৰ প্ৰচেষ্টা, কিন্তু তেওঁ ইয়াক এক প্ৰকাৰৰ পলায়ন বা আত্মপ্ৰতাৰণা হিচাপে বিবেচনা কৰিছিল।

কাম্যুৰ দৰ্শনৰ কেন্দ্ৰীয় বিষয় হৈছে Absurdity বা অৰ্থহীনতা। তেওঁ কয়, "There is but one truly serious philosophical problem, and that is suicide" (The Myth of Sisyphus)। অৰ্থাৎ, জীৱনৰ অৰ্থহীনতাৰ মুখামুখি হৈ মানুহে প্ৰশ্ন কৰে যে জীৱন জীয়াই থকাৰ যোগ্য নেকি (? ) এই সংকটৰ পৰা ওলাবলৈ মানুহে সাধাৰণতে তিনিটা পথৰ ভিতৰত যিকোনো এটা বাছি লয়-

1. Physical suicide: জীৱনৰ পৰা পলায়নৰ বাবে আত্মহত্যা কৰা।
2. Philosophical suicide: অৰ্থহীনতাৰ সত্যক অস্বীকাৰ কৰি কোনো ধৰ্মীয় বা দাৰ্শনিক বিশ্বাস ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰা।
3. Acceptance of the absurd: অৰ্থহীনতাক স্বীকাৰ কৰি জীৱন জীয়াই থকা।

কাম্যুৰ মতে, প্ৰথম দুটা পথ পলায়নৰ পথ, আৰু তৃতীয়টোৱেই হৈছে অৰ্থহীনতাৰ সৈতে সাহসেৰে মুখামুখি হোৱাৰ পথ।

Philosophical Suicide কি?

কাম্যুৰ মতে, philosophical suicide হৈছে জীৱনৰ অৰ্থহীনতাৰ সত্যৰ পৰা পলায়নৰ এটা প্ৰচেষ্টা, য'ত মানুহে কোনো ধৰ্মীয়, আধ্যাত্মিক বা দাৰ্শনিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি জীৱনৰ অৰ্থৰ ভ্ৰম সৃষ্টি কৰে। এইটো এটা মানসিক আত্মহত্যা, য'ত ব্যক্তিয়ে নিজৰ যুক্তিবাদী চিন্তাশক্তিৰ পৰিৱৰ্তে কোনো পূৰ্বনিৰ্ধাৰিত বিশ্বাস ব্যৱস্থাৰ ওপৰত ভৰসা কৰে, যিয়ে তেওঁক জীৱনৰ অৰ্থহীনতাৰ সত্যৰ পৰা আঁতৰাই ৰাখে।

উদাহৰণস্বৰূপে, কাম্যুৰ মতে, ধৰ্মীয় বিশ্বাস যেনে ঈশ্বৰৰ অস্তিত্ব বা পৰকালৰ ধাৰণা গ্ৰহণ কৰাটো philosophical suicide-ৰ এক প্ৰকাৰ। এই ধৰণৰ বিশ্বাসে মানুহক এই ভ্ৰম প্ৰদান কৰে যে জীৱনৰ কোনো গভীৰ অৰ্থ আছে, যাৰ ফলত তেওঁলোকে অৰ্থহীনতাৰ সত্যৰ পৰা পলায়ন কৰে। কাম্যুৰ বাবে এইটো এটা "leap of faith", যিটো তেওঁ নাকচ কৰিছিল, কাৰণ ই মানুহৰ যুক্তি আৰু সত্যৰ সন্মুখীন হোৱাৰ সাহসৰ পৰিপন্থী।

কাম্যুৰ মতে, philosophical suicide-কৰাটো হৈছে নিজৰ স্বাধীনতা আৰু সত্যৰ প্ৰতি দায়বদ্ধতা ত্যাগ কৰা। তেওঁ বিশ্বাস কৰিছিল যে জীৱনৰ অৰ্থহীনতাৰ সত্যক স্বীকাৰ কৰি তথাপি তাৰ মাজত জীয়াই থকাটোৱেই হৈছে সঁচাকৈয়ে সাহসী আৰু স্বাধীন কাৰ্য্য। তেওঁৰ দৰ্শনৰ কেন্দ্ৰীয় চৰিত্ৰ সিচিফাছ (Sisyphus), যি গ্ৰীক পৌৰাণিক কাহিনীৰ এটা আকৰ্ষণীয় চৰিত্ৰ, তেওঁক অৰ্থহীন কাম (এটা শিল পাহাৰৰ ওপৰলৈ তুলি পুনৰ তললৈ পেলাই দিয়া)ৰ বাবে অভিশপ্ত কৰা হৈছিল। কাম্যুৰ মতে, সিচিফাছৰ দৰে আমিও আমাৰ অৰ্থহীনতাক স্বীকাৰ কৰি তথাপি তাৰ মাজত আনন্দ আৰু স্বাধীনতা বিচাৰি উলিয়াব পাৰোঁ।

Philosophical Suicide আৰু আধুনিক প্ৰেক্ষাপটঃ-

আধুনিক প্ৰেক্ষাপটত, philosophical suicide-ৰ ধাৰণাটোৱে বিভিন্ন ৰূপ ল'ব পাৰে। উদাহৰণস্বৰূপে, ব্যক্তিৰ জীৱনৰ অৰ্থহীনতাৰ সন্মুখীন হ'লে তেওঁলোকে ধৰ্মীয় বিশ্বাসৰ উপৰিও ভোগবাদী জীৱনশৈলী, সামাজিক আদৰ্শ, বা অন্য কোনো বাহ্যিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে। কাম্যুৰ মতে, এই সকলোবোৰ এটা মিথ্যা নিৰাপত্তাৰ ভাৱ সৃষ্টি কৰে, যিয়ে মানুহক সত্যৰ পৰা আঁতৰাই ৰাখে।

কাম্যুৰ পৰামৰ্শ: - Absurdityৰ সৈতে জীয়াই থকা।

কাম্যুৰ বাবে philosophical suicide-ৰ বিকল্প হৈছে Absurdity-ক স্বীকাৰ কৰি তথাপি জীৱনক প্ৰাণৱন্তভাৱে জীয়াই থকা। তেওঁৰ মতে, আমি অৰ্থহীনতাৰ সৈতে যুঁজিব নালাগে বা তাৰ পৰা পলাব নালাগে, বৰং তাক আঁকোৱালি লৈ জীৱনৰ প্ৰতি আবেগৰ সৈতে জীয়াই থাকিব লাগে। তেওঁ সিচিফাছৰ উদাহৰণ দি কয়, "One must imagine Sisyphus happy, '' অৰ্থাৎ আমি সিচিফাছক সুখী বুলি কল্পনা কৰিব লাগে, কাৰণ তেওঁ নিজৰ ভাগ্যক স্বীকাৰ কৰিছে আৰু তথাপি তাৰ মাজত জীয়াই আছে।

Philosophical suicide-হৈছে জীৱনৰ অৰ্থহীনতাৰ সত্যৰ পৰা পলায়নৰ এটা পথ, য'ত মানুহে কোনো বিশ্বাস ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ যুক্তিবাদী চিন্তাশক্তি ত্যাগ কৰে। কাম্যুৰ মতে, এইটো এটা আত্মপ্ৰতাৰণা, আৰু সঁচা সাহস হৈছে অৰ্থহীনতাক স্বীকাৰ কৰি তথাপি জীৱনক সম্পূৰ্ণৰূপে জীয়াই থকা। এই ধাৰণাটোৱে আমাক জীৱনৰ অৰ্থৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিবলৈ আৰু সত্যৰ সন্মুখীন হ'বলৈ উৎসাহিত কৰে।

# ট্ৰাম্পৰ শুল্ক যুদ্ধ আৰু ভাৰতৰ ৰাছিয়াৰ সৈতে সুদৃঢ় মৈত্ৰী

**চন্দন কুমাৰ নাথ**

বৈশ্বিক অৰ্থনীতিৰ ক্ষেত্ৰত এতিয়া এক প্ৰকাৰৰ অস্থিৰতাৰ সৃষ্টি হৈছে, য'ত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শুল্ক নীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালৰ আৰম্ভণিৰ পৰাই তেওঁৰ বাণিজ্য নীতিৰ মূল কেন্দ্ৰ হৈছে শুল্কৰ মাধ্যমেৰে বিশ্বৰ বিভিন্ন দেশৰ সৈতে আমেৰিকাৰ বাণিজ্য ঘাটি হ্ৰাস কৰা আৰু আমেৰিকাৰ অৰ্থনৈতিক স্বাৰ্থ সুৰক্ষিত কৰা। এই পৰিপ্ৰেক্ষিতত ভাৰতৰ বিৰুদ্ধে তেওঁৰ সাম্প্ৰতিক শুল্ক নীতিয়ে বৈশ্বিক মঞ্চত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। একে সময়তে ভাৰতৰ ৰাছিয়াৰ সৈতে দীৰ্ঘদিনীয়া কূটনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক এই শুল্ক যুদ্ধৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ট্ৰাম্পে ভাৰতৰ ওপৰত ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্ত আৰু ৰাছিয়াৰ পৰা তেল আমদানিৰ বাবে অতিৰিক্ত "শাস্তিমূলক'' শুল্কৰ ঘোষণাই ভাৰত-আমেৰিকা সম্পৰ্কত এক নতুন জটিলতাৰ সৃষ্টি কৰিছে।



২০২৫ চনৰ জানুৱাৰীত দ্বিতীয়বাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ড'নাল্ড ট্ৰাম্পে বিশ্বৰ বিভিন্ন দেশৰ সৈতে বাণিজ্যিক সম্পৰ্ক পুনৰ্গঠনৰ বাবে এক আক্ৰমণাত্মক শুল্ক নীতি গ্ৰহণ কৰিছে। তেওঁৰ মতে, আমেৰিকাই বহু দেশৰ সৈতে বাণিজ্য ঘাটিৰ সন্মুখীন হৈছে, যিটো তেওঁৰ অৰ্থনৈতিক নীতিৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। ভাৰতৰ ক্ষেত্ৰত এই ঘাটি ২০২৪ চনত প্ৰায় ৪৫.৮ বিলিয়ন ডলাৰ আছিল, য'ত ভাৰতৰ পৰা আমেৰিকালৈ আমদানিৰ পৰিমাণ আছিল ৮৭ বিলিয়ন ডলাৰ, আনহাতে আমেৰিকাৰ পৰা ভাৰতলৈ ৰপ্তানি আছিল ৪২ বিলিয়ন ডলাৰ। ট্ৰাম্পৰ মতে, ভাৰতৰ উচ্চ শুল্ক আৰু অ-শুল্ক বাণিজ্য বাধাৰ ফলত আমেৰিকাৰ ব্যৱসায়ৰ ক্ষতি হৈছে। ২০২৫ চনৰ ৩০ জুলাইত ট্ৰাম্পে ঘোষণা কৰে যে ভাৰতৰ পৰা আমদানিকৃত সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব, যিটো ১ আগষ্টৰ পৰা কাৰ্যকৰী হ'ব। ইয়াৰ উপৰিও তেওঁ ৰাছিয়াৰ পৰা তেল আৰু সামৰিক সঁজুলি ক্ৰয়ৰ বাবে ভাৰতৰ ওপৰত অতিৰিক্ত "শাস্তিমূলক" শুল্ক আৰোপৰ কথা উল্লেখ কৰে। ৭ আগষ্টত তেওঁ এই শাস্তিমূলক শুল্কৰ পৰিমাণ ২৫ শতাংশ বুলি ঘোষণা কৰে, যাৰ ফলত ভাৰতৰ পৰা আমদানিকৃত সামগ্ৰীৰ ওপৰত মুঠ শুল্ক ৫০ শতাংশলৈ বৃদ্ধি পায়। এই শুল্কৰ মূল কাৰণ হিচাপে ট্ৰাম্পে ভাৰতৰ ৰাছিয়াৰ সৈতে অৰ্থনৈতিক সম্পৰ্কক দোষাৰোপ কৰিছে, বিশেষকৈ ৰাছিয়াৰ পৰা তেল ক্ৰয়ৰ বাবে, যিটো তেওঁৰ মতে ৰাছিয়াৰ ইউক্ৰেইন যুদ্ধৰ অৰ্থনৈতিক সহায়ৰ সমতুল্য।

ভাৰত আৰু ৰাছিয়াৰ মাজত দীৰ্ঘদিনীয়া কূটনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক এই শুল্ক যুদ্ধৰ পৰিপ্ৰেক্ষিতত এক গুৰুত্বপূৰ্ণ বিষয়। ২০২২ চনত ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ পিছত পশ্চিমীয়া দেশসমূহে ৰাছিয়াৰ ওপৰত কঠোৰ অৰ্থনৈতিক নিষেধাজ্ঞা আৰোপ কৰিছিল। ইয়াৰ ফলত ইউৰোপৰ বহু দেশে ৰাছিয়াৰ পৰা তেল আমদানি বন্ধ কৰি দিয়ে, আৰু ভাৰত ৰাছিয়াৰ তেলৰ এক গুৰুত্বপূৰ্ণ ক্ৰেতা হৈ পৰে। ২০২১-২২ চনত ভাৰতৰ মুঠ তেল আমদানিৰ ১ শতাংশতকৈও কম অংশ ৰাছিয়াৰ পৰা আহিছিল, কিন্তু ২০২৫ চনৰ প্ৰথম ছমাহত এই পৰিমাণ বৃদ্ধি পাই প্ৰায় ৩৫ শতাংশ হৈছে। ৰাছিয়াৰ পৰা সুলভ মূল্যত তেল ক্ৰয় কৰি ভাৰতে নিজৰ সুৰক্ষা নিশ্চিত কৰিছে, যিটো ১৪০ কোটি জনসংখ্যাৰ দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ। ৰাছিয়াৰ সৈতে ভাৰতৰ সম্পৰ্ক কেৱল তেল আমদানিৰ মধ্যে সীমাবদ্ধ নহয়। ৰাছিয়া ভাৰতৰ সামৰিক সঁজুলিৰ এক প্ৰধান যোগানকাৰী। যদিও শেহতীয়া বছৰবোৰত ভাৰতে নিজৰ প্ৰতিৰক্ষা উৎপাদন বৃদ্ধি কৰিছে আৰু আমেৰিকা, ফ্ৰান্স আৰু ইজৰাইলৰ পৰা সঁজুলি ক্ৰয় কৰিছে, তথাপি ২০২০-২৫ চনৰ ভিতৰত ভাৰতৰ প্ৰতিৰক্ষা আমদানিৰ ৩৬ শতাংশ ৰাছিয়াৰ পৰা আহিছে। ইয়াৰ উপৰিও ঐতিহাসিকভাৱে ৰাছিয়া ভাৰতৰ "সকলো ঋতুৰ মিত্ৰ" হিচাপে পৰিচিত, যিয়ে বিভিন্ন সংকটৰ সময়ত ভাৰতক সমৰ্থন জনাইছে। এই সম্পৰ্ক ভাৰতৰ কূটনৈতিক আৰু ৰণনৈতিক কৌশলৰ এক অবিচ্ছেদ্য অংশ।ট্ৰাম্পৰ শুল্ক ঘোষণাৰ পিছত ভাৰতৰ বিদেশ মন্ত্ৰণালয়ে এই পদক্ষেপক "অন্যায়, অযুক্তিকৰ আৰু অগ্ৰহণযোগ্য" বুলি অভিহিত কৰিছে। ভাৰতে স্পষ্ট কৰি দিছে যে ৰাছিয়াৰ পৰা তেল আমদানিৰ সিদ্ধান্ত বজাৰৰ কাৰক আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰশীল। ভাৰতৰ বিদেশ মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কৈছে যে আমেৰিকা আৰু ইউৰোপীয় দেশসমূহেও ৰাছিয়াৰ সৈতে বাণিজ্য অব্যাহত ৰাখিছে, যেনে আমেৰিকাৰ ইউৰেনিয়াম হেক্সাফ্লুৰাইড আৰু পেলেডিয়াম আমদানি। এই পৰিপ্ৰেক্ষিতত ভাৰতৰ ওপৰত নিৰ্দিষ্টভাৱে শুল্ক আৰোপক ভাৰতে দ্বিচাৰিতা হিচাপে গণ্য কৰিছে। ভাৰতে ইতিমধ্যে আমেৰিকাৰ সৈতে বাণিজ্য চুক্তিৰ বাবে আলোচনা চলাই আহিছে। ২০২৪ চনৰ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা এই আলোচনাত ভাৰতে শিল্প সামগ্ৰীৰ ওপৰত শুল্ক হ্ৰাস আৰু গাড়ী আৰু মদৰ ওপৰত শুল্ক হ্ৰাসৰ প্ৰস্তাৱ দিছিল। ইয়াৰ উপৰিও ভাৰতে এলন মাস্কৰ ষ্টাৰলিংকৰ বাবে বজাৰ মুকলি কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু আমেৰিকাৰ কৃষি আৰু দুগ্ধ খণ্ডত প্ৰৱেশৰ দাবী ভাৰতে প্ৰত্যাখ্যান কৰিছে, কিয়নো এই খণ্ড ভাৰতৰ কৃষক আৰু গ্ৰামীণ অৰ্থনীতিৰ বাবে স্পৰ্শকাতৰ।ট্ৰাম্পৰ ৫০ শতাংশ শুল্কৰ সিদ্ধান্তই ভাৰতৰ ৰপ্তানি খণ্ডৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাব পাৰে। ভাৰতৰ পৰা আমেৰিকালৈ ৰপ্তানি হোৱা মুখ্য সামগ্ৰীৰ ভিতৰত ঔষধ, যোগাযোগ সঁজুলি, বস্ত্ৰ, আৰু গহনা আদি অন্তৰ্ভুক্ত। গ্ল'বেল ট্ৰেড ৰিচাৰ্চ ইনিচিয়েটিভৰ মতে, এই শুল্কৰ ফলত ভাৰতৰ আমেৰিকালৈ ৰপ্তানি ৪০-৫০ শতাংশ হ্ৰাস পাব পাৰে। ইয়াৰ ফলত ভাৰতৰ অৰ্থনীতিৰ ওপৰত সামান্য প্ৰভাৱ পৰিলেও, আমেৰিকাৰ নিম্ন আয়ৰ পৰিয়ালৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিব, কিয়নো আমদানিকৃত সামগ্ৰীৰ মূল্য বৃদ্ধি পাব। অন্যহাতে, এই শুল্ক যুদ্ধই ভাৰতক ৰাছিয়া আৰু ব্ৰি'ৰ অন্যান্য সদস্য দেশৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ দিশত ঠেলি দিব পাৰে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া ব্ৰাজিল আৰু চীনৰ সৈতে আলোচনাৰ পৰিকল্পনাই এই সম্ভাৱনাক ইংগিত দিয়ে।

ট্ৰাম্পৰ শুল্ক যুদ্ধ আৰু ভাৰতৰ ৰাছিয়াৰ সৈতে সুদৃঢ় সম্পৰ্কৰ মাজত এক জটিল ভাৰসাম্য ৰক্ষাৰ প্ৰয়াস চলি আছে। ভাৰতে নিজৰ সুৰক্ষা আৰু কূটনৈতিক স্বাধীনতা বজাই ৰাখিবলৈ চেষ্টা কৰিছে, আনহাতে আমেৰিকাৰ সৈতে বাণিজ্যিক সম্পৰ্কতো ভাৰসাম্য ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিছে। এই পৰিস্থিতিত ভাৰতৰ কৌশল হ'ব লাগিব সুকীয়া আৰু দৃঢ়, যাতে ই নিজৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিব পাৰে আৰু একে সময়তে বৈশ্বিক মঞ্চত নিজৰ স্থান শক্তিশালী কৰিব পাৰে।

### গুৰুত্ব নিদিলে বিপিএফ-ইউপিপিএল দলক বৰ্জনৰ হুংকাৰ

# বিটিচি পৰিষদীয় নিৰ্বাচন সংক্ৰান্তত চাওঁতাল ছাত্ৰ সন্থাৰ সংবাদমেল

**অসম বাৰ্তা, বাসুগাঁও, ১২ আগষ্ট ঃ** আজি বাসুগাঁও প্ৰেছ ক্লাবত চাওঁতাল ছাত্ৰ সন্থাই সংবাদমেল যোগে ১৭ বছৰ শাসন কালত থকা হাগ্ৰামা মহিলাৰীৰ বি পি এফ দলে চাওঁতাল জনগোষ্ঠীক কেৱল প্ৰতাৰণা কৰা বুলি মত প্ৰকাশ কৰে। যাৰ ফলত যোৱা নিৰ্বাচনত চাওঁতাল ছাত্ৰ সন্থাই ইউ পি পি এল দলক নানা ধৰণে সহায়-সহযোগ কৰি চৰকাৰ গঠনত সহযোগিতা আগবঢ়াইছিল। কিন্তু আঁশা কৰা ধৰণে উক্ত দলটিৰ পৰাও জনগোষ্ঠীটোক উন্নয়নৰ ক্ষেত্ৰত বিশেষ সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত নহল। আনহাতে ইতিমধ্যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে যি ২২টা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে উক্ত প্ৰাৰ্থী তালিকাত এজনো চাওঁতাল জনগোষ্ঠীৰ নাম নথকাত চাওঁতাল ছাত্ৰ সন্থাই সংবাদ মেলত উদ্বেগ প্ৰকাশ কৰে। চাওঁতাল ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি বিমল কুমাৰ হেমব্ৰমে সংবাদ মেল সম্বোধন কৰি উল্লেখ কৰে যে বাকী থকা সমষ্টি সমূহত চাওঁতাল জনগোষ্ঠীৰ পৰা প্ৰাৰ্থীত্ব অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত বিবেচনা কৰিবলৈ আহ্বান জনায়। ইয়াৰ অন্যথা বি পি এফ দলক সম্পূৰ্ণ ৰূপে বৰ্জন কৰা হ'ব বুলিও সঁকিয়াই দিয়ে সংবাদ মেলত। সংবাদ মেলত বৰ্তমান শাসনাধিষ্ঠ ইউ পি পি এল দলক জয়ী হোৱাৰ সম্ভাৱনা থকা সমষ্টিত চাওঁতাল জনগোষ্ঠীৰ প্ৰাৰ্থীক গুৰুত্ব দিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে বি পি এফ আৰু ইউ পি পি পি এল দল বড়ো জনগোষ্ঠীয় কেন্দ্ৰীক। যাৰ ফলত চাওঁতাল জনগোষ্ঠীৰ উন্নয়নকে আদি কৰি প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ ক্ষেত্ৰত অনিহা প্ৰকাশ কৰিলে দুয়োটা দলকে বৰ্জন কৰি অন্য ধৰণে ভাবিবলৈ বাধ্য হ'ব বুলিও তেওঁ সঁকিয়াই দিয়ে। উল্লেখযোগ্য যে শ্ৰীৰামপুৰ, নাগ্ৰীজুলি আৰু গুমা সমষ্টিত চাওঁতাল জনগোষ্ঠীৰ প্ৰতিনিধিক প্ৰাৰ্থীত্ব দিলে জয়ী হোৱাটো নিশ্চিত বুলি সংবাদ মেলত উল্লেখ কৰে। বাসুগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত সংবাদ মেলত সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতিৰ উপৰিও উপ-সভাপতি দুৰ্গা চোৰেন, ৰাজেশ টুডু, সম্পাদক সুৰিন মাৰ্দী, ইচমেইড হেমব্ৰম, সাংগঠনিক সম্পাদক লক্ষ্মীৰাম চোৰেন উপস্থিত থাকে।

### বি পি এফে ১৭ বছৰে শান্তি অনাৰ শব্দ উচ্চাৰণ নকৰি এতিয়া কয় শান্তি আনিম, মাটিৰ পট্টা দিম; ১৭ বছৰে নকৰিলে কিয়? - ই এম ৰঞ্জিত বসুমতাৰীৰ কটাক্ষ

# বি টি চিৰ ৪ নং যমদুৱাৰ সমষ্টিত ধৰ্মীয় সংখ্যালঘুৰ বুদ্ধিজীৱীৰ সৈতে ইউ পি পি এল দলৰ মতবিনিময় অনুষ্ঠান

**অসম বাৰ্তা, গোসাইগাঁও, ১২ আগষ্ট ঃ** বি টি চিৰ ৪ নং যমদুৱাৰ সমষ্টিৰ দাওৰাগুৰী ফুটবল খেলপথাৰত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ বুদ্ধিজীৱী সকলৰ লগত অনুষ্ঠিত হোৱা মতবিনিময় সভাত মুখ্য অতিথি হিচাপে অংশ বি টি আৰৰ ই এম ৰঞ্জিত বসুমতাৰীয়ে অংশ গ্ৰহণ কৰি কয় যে বি পি এফ দলে অবড়ো সকলক মাহী আইৰ দৃষ্টিৰে চোৱাৰ বাহিৰে ভাল দৃষ্টিৰে চোৱা নাছিল। বি টি আৰৰ চীফ প্ৰমোদ বড়োৱে বি টি আৰৰ ২৬টা জনগোষ্ঠীক সম দৃষ্টিৰে চাইছে। সকলো জনগোষ্ঠীৰ ধৰ্মীয় অনুষ্ঠানত মাটিৰ আবণ্টন দিছে। ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰিছে। ১৭ বছৰে হাগ্ৰামা মহিলাৰীয়ে কৰিব পাৰিলে হয়। তেখেতৰ কৰাৰ সদ ইচ্ছা নাছিল। বিজেপি - বি পি এফ পাঁচ বছৰ মিত্ৰতাত আছিল। কংগ্ৰেছ - বি পি এফ দহ বছৰ মিত্ৰতাত আছিল তথাপি বি টি আৰৰ ৰাইজৰ মাটিৰ সমস্যা সমাধান কৰা নাছিল। এতিয়া কৈ আছে আমাৰ দল শাসনত আহিলে বি টি আৰ সকলোৱে প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মাৰ্যাদা পাব। মাটিৰ পট্টা পাব। ইউ পি পি এল দলৰ গোসাঁইগাঁও জিলা সমিতিৰ উপ সভাপতি আয়নাল হকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বি টি আৰৰ জামাত উলেমা কাউন্সিলৰ কেন্দ্ৰীয় সভাপতি হাফিজ জাকিৰ হোসেনে বি পি এফৰ ১৭ বছৰীয়া শাসনৰ কলা অধ্যায় সমূহ পৰ্যলোচনা কৰি ভাষণ প্ৰদান কৰে। আজিৰ ধৰ্মীয় সংখ্যালঘু বুদ্ধিজীৱীৰ সৈতে অনুষ্ঠিত কৰা মতবিনিময় অনুষ্ঠানৰ আহ্বায়ক তথা বিধায়ক জিৰণ বসুমতাৰীয়ে কয় ইউ পি পি এল দল বি টি আৰৰ শাসনত আহিলে অবড়ো লোকক উচ্ছেদ কৰিব, মাটিৰ পট্টা নাপাব আদি বিভিন্ন কথাৰে ভয় ভীতি প্ৰদৰ্শন কৰিছিল। সেয়া হল জানো। বৰংঞ্চ সকলো ওলাটা হল। ইয়াত মাটিৰ পট্টা, , নিৰাপত্তা, শান্তি সকলো পাবলৈ হে সক্ষম হল। সভাত জামাত উলেমা কাউন্সিলৰ নেতা মৌলনা মিৰাজ আহমেদ, এম চি এল এ ৰেওৰেওৱা নাৰ্জাৰী চমু ভাষণ প্ৰদান কৰে। ইউ পি পি এল দলৰ গোসাইগাঁও জিলা সমিতিৰ উপ সভাপতি লোকনাথ নাৰ্জাৰী, কেন্দ্ৰীয় সদস্য ধজেন্দ্ৰ ৰাভা, ইউ পি পি এল দলৰ মহিলা মৰ্চাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদিকা মুৰ্শিদা বেগম, যমদুৱাৰ ব্লক ইউ পি পি এলৰ উপ সভাপতি চৰণজিং বসুমতাৰীৰ লগতে ভালে সংখ্যক নেতা - নেত্ৰী উপস্থিত আছিল।

# স্বৰ্ণজয়ী উশ্বু খেলুৱৈ ডেইজী ৰাভাক দুধনৈত উষ্ম আদৰণি

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১২ আগষ্ট ঃ** গ্ৰামাঞ্চলৰ পৰা বিশ্বমুখী যাত্ৰাৰে স্বৰ্ণজয়ী দুধনৈ দিঘলী গাঁৱৰ জীয়ৰী উশ্বু খেলুৱৈ ডেইজী ৰাভাক স্থানীয় দল সংগঠন অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে আজি উষ্ম আদৰণি জনায়। মনত অদম্য সাহস ইচ্ছা আৰু একাগ্ৰতা লৈ এখন ভিতৰুৱা গাঁৱৰ পৰা বিশ্বমুখী যাত্ৰা আৰম্ভ কৰা ডেইজী ৰাভাই জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা মুকলি উশ্বু চেম্পিয়নশ্বিপৰ চূড়ান্ত খেলত উজবেকিস্তানৰ খেলুৱৈক পৰাস্ত কৰি "টাইজিকুৱান" জুনিঅৰ শাখাত সোণৰ পদক আৰু "টাইজিজিয়ান" জুনিঅৰ শাখাত ৰূপৰ পদক লাভ কৰি দুধনৈ তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনে। ডেইজীৰ সাফল্যত দুধনৈবাসী ৰাইজ গৌৰৱান্বিত। দেশৰ বাবে সোণ ৰূপৰ পদক আজুৰি ঘৰলৈ উভতি অহা ডেইজীৰ দিঘলী গাঁৱৰ নিজা ঘৰত উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক দীপক ৰাভা, বিভিন্ন দল সংগঠন অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে ডেইজীক শুভেচ্ছা জ্ঞাপন কৰে। বৰ্তমান স্নাতক বৰ্ষত অধ্যয়নৰত ডেইজীয়ে কোকৰাঝাৰ "ছাই"ত প্ৰশিক্ষণ লৈ আছে আৰু পৰৱৰ্তী সময়ত এছিয়ান গেমচৰ বাবে প্ৰস্তুতি চলাব বুলি সংবাদ মাধ্যমক জনায়।

# মোৰাঝাৰত পথ সুৰক্ষা সজাগতা সভা ও সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, মোৰাঝাৰ, ১২ আগষ্ট ঃ** হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত মোৰাঝাৰ বজাৰত হঠাৎ বাৰ্তা আৰু টি ভি 24 নামৰ ৱেব পৰ্টেলৰ যৌথ উদ্যোগত এখনি পথ সুৰক্ষা সজাগতা সভা ও বিশেষ সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰা হয়। এই সভাত ডবকা টাউন প্ৰেছ ক্লাবৰ সভাপতি তথা আই কে ব্লগৰ স্বত্বাধিকাৰী কমৰুল খানক সমাজ ৰত্ন বঁটাৰে সন্মানিত কৰা হয়। লগতে হোজাই জিলা আমছুৰ উপ-সভাপতি আব্দুল হাচিবৰ উপৰিও হোজাই জিলাৰ বহু কেইগৰাকী সমাজ কৰ্মীক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত অতিথি হিচাপে উপস্থিত থাকে অসম সংখ্যালঘু উন্নয়ন বৰ্ডৰ প্ৰাক্তন চেয়াৰমেন হবিব মহাম্মদ চৌধুৰী, মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিখিল চন্দ্ৰ ৰয়, যমুনামুখ সমষ্টিৰ প্ৰাক্তন বিধায়ক আলহাজ খলিলুৰ ৰহমান চৌধুৰীৰ পুত্ৰ তথা ডবকাৰ বিশিষ্ট সমাজসেৱক ৰাজ চৌধুৰী সহ বহু গণ্যমাণ্য ব্যক্তি উপস্থিত থাকে। সভাত সকলোৱে পথ সুৰক্ষাৰ বিষয়ে বিতংভাৱে আলোচনা কৰে। ৰাজপথত বাহন লৈ যাথায়ত কৰোঁতে সকলোৱে সাৱধানতাৰে চলাচল কৰিবলৈ আহ্বান জনায়। এই সভাত মোৰাঝাৰ অঞ্চলৰ কেইবাশতাধিক ছাত্ৰ সমাজৰ লগতে অভিৱাবক সমাজ উপস্থিত থাকে। এই বিশেষ কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাৰ বাবে উদ্যোগতা সকললৈ উপস্থিত ৰাইজে প্ৰশংসা কৰা পৰিলক্ষিত হয়।

# শাওন মাহৰ অন্তিম সোমবাৰত অভয়াপুৰী শিৱপুৰৰ শিৱ মন্দিৰত ভক্তৰ ভিৰ

**অসম বাৰ্তা, অভয়াপুৰী, ১২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী শিৱপুৰস্থিত ঐতিহাসিক শিৱ মন্দিৰত আজি দেখা গল এক অপূৰ্ব আধ্যাত্মিক পৰিৱেশ। শাওন মাহৰ অন্তিম সোমবাৰ উপলক্ষে ভক্তসকলে মহাদেৱৰ দৰ্শনৰ বাবে পুৱা সূৰ্যোদয়ৰ আগতেই গাখীৰ, বেলপাত, ধূপ, চাকি, লৈ শাৰি পাতি থকা পৰিলক্ষিত হয়। মন্দিৰৰ ঘণ্টাৰ মধুৰ ধ্বনি আৰু ধূপ-ধুনাৰ পবিত্ৰ সুগন্ধে মন্দিৰৰ চৌপাশে অপূৰ্ব আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। ভক্তসকলৰ মুখত উজ্জ্বল আনন্দ আৰু আশা—মনোকামনা পূৰ্ণৰ এক গভীৰ বিশ্বাসেৰে তেওঁলোকে মহাদেৱৰ চৰণত নতশিৰে প্ৰাৰ্থনা আগবঢ়ায়। পুৰোহিতসকল পূজা-অৰ্চনাৰ নিয়মপদ্ধতিৰ লগতে শিৱ মহিমাৰ কথা বৰ্ণনা কৰি ভক্তসকলক ধৰ্মীয় উৎসাহেৰে অনুপ্ৰাণিত কৰে। স্থানীয় লোককথা অনুসৰি, শাওন মাহৰ অন্তিম সোমবাৰত অভয়াপুৰী শিৱপুৰৰ শিৱ মন্দিৰত পূজা কৰিলে জীৱনৰ দুৰ্বিপাক আঁতৰি যায় আৰু ভক্তৰ অন্তৰৰ বাসনা পূৰ্ণ হয়। আজিৰ এই দিনটোত পুৱাৰে পৰা সন্ধিলৈকে মন্দিৰ পৰিসৰ ভক্তৰ সোঁতধাৰাত উপচি পৰে। পূজাৰ পাছত প্ৰসাদ গ্ৰহণ, আন কিছুমানে পৰিয়ালৰ সৈতে মন্দিৰ চতুৰ্দ্দিশ পৰিদৰ্শন কৰি ধৰ্মীয় শান্তি উপভোগ কৰে, ইয়াৰ ফলত অভয়াপুৰী শিৱপুৰ আজি যেন ভক্তি-শ্ৰদ্ধাৰ এক জীয়ন্ত মহাতীৰ্থলৈ ৰূপান্তৰিত হ'ল।

# মৈৰাবাৰীত আগষ্ট মাহৰ 'বাটৰ কবিতা' অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ আগষ্ট ঃ** দেওবাৰে বিয়লিৰ ভাগত মৰিগাঁও জিলাৰ মৈৰাবাৰী কলেজ ৰোডস্থিত খাইৰ প্ৰকাশনৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায় ব্যতিক্ৰমী মাহেকীয়া কাব্যানুষ্ঠান 'বাটৰ কবিতা'। ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান ৰূপে সকলোৱে মাজত জনপ্ৰিয় 'বাটৰ কবিতা'ৰ এই মাহৰ অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে মুহাম্মাদ আফজাল আৰু খাইৰুল ইছলামে, অনুবাদ কবিতা পাঠ কৰে ৰেকিবুল আজাদে আৰু কবিতা আবৃত্তি কৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী ক্ৰমে ফাৰহিন জাহান, মাহীন চুলতানা, মুহাম্মাদ ফাহিম, আফৰুজ আহমেদ আৰু মেহজেবিন আখতাৰাই। কবি, লেখক ৰেকিবুল আজাদে 'বাটৰ কবিতা' সময়ে সময়ে বিভিন্ন স্কুল, কলেজ আৰু বিভিন্ন স্থানত অনুষ্ঠিত কৰিবলৈ লোৱা আদৰণীয় পদক্ষেপৰ বাবে উদ্যোক্তামণ্ডলীক আন্তৰিকতাৰে কৃতজ্ঞতা জ্ঞাপন কৰে। তৰুণ কবিৰ প্ৰতিভা বিকাশৰ উৎকৃষ্ট ক্ষেত্ৰ এই মাহেকীয়া কাব্যানুষ্ঠানটিত অংশগ্ৰহণ কৰিব বিচৰা আগ্ৰহী কবিসকলে অনুষ্ঠানটিৰ যুটীয়া সমন্বয়ক ক্ৰমে খাইৰুল ইছলামক ৮৪৮৬২-৮৯৪৫৪ আৰু মুহাম্মাদ আফজালক ৯৫০৮১-৫৩৮০২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা খাইৰ প্ৰকাশনে আহ্বান জনাইছে।

# ডেকাচাং ফাৰুকীয়া মাদ্ৰাছাত সমূহীয়া দোৱাৰ আয়োজন

**অসম বাৰ্তা, সোণতলী, ১২ আগষ্ট ঃ** কামৰূপ জিলাৰ সোণতলীস্থ দাৰুল উলুম ডেকাচাং ফাৰুকীয়া মাদ্ৰাছাত দেওবাৰে এখন সমূহীয়া দোৱা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানৰ পূৰ্বেই মাদ্ৰাছা খনৰ এখন নৱ নিৰ্মিত মাদ্ৰাছা গেট উদ্বোধন কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা এপিছিছিৰ কাৰ্যকৰী সদস্য কোৰবান আলীয়ে মাদ্ৰাছা গেটৰ শুভ উদ্বোধন কৰে। উল্লেখ্য, নিজে বুজন পৰিমাণে আগবঢ়োৱা ধনেৰে নিৰ্মিত গেটখন শুভ উদ্বোধন কৰাৰ উদ্দেশ্যে সিদিনা সহস্ৰাধিক কংগ্ৰেছ কৰ্মী আৰু সমৰ্থকেৰে মাদ্ৰাছা প্ৰাংগণত উপস্থিত হয়। ইয়াৰ পিছতে স্থানীয় সমাজকৰ্মী আবুশ্বামা আলী আহমেদৰ সভাপতিত্বত আৰু মাদ্ৰাছাখনৰ মুহ্তামিম্ মুফতি হজৰত আবুল বাসাৰৰ প্ৰযোজনাত এখন সমূহীয়া দোৱাৰ আয়োজন কৰে। সভাত অধিবক্তা গৰাকীৰ বাবে আগন্তক ২০২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হ'বলৈ এই সমূহীয়া দোৱাৰ আয়োজন কৰে। সভাত মণ্ডল কংগ্ৰেছৰ সম্পাদক মুছলিম উদ্দিন আহমেদ, ৰাইজুদ্দিন আহমেদ, ছমৰীয়া ব্লক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি কুতুব উদ্দিন আহমেদ আৰু ছমৰীয়া ব্লক কংগ্ৰেছৰ সম্পাদক আজিজুৰ ৰহমানকে ধৰি বহুতো গণ্য-মান্য ব্যক্তিয়ে ভাষণ প্ৰদান কৰে।

# কুৱালগুৰিৰ পৰা দৰীয়া সংযোগী পথৰ অৱস্থাই জলা কলা খুৱাইছে ৰাইজক

**অসম বাৰ্তা, দেৰগাঁও, ১২ আগষ্ট ঃ** দেৰগাঁৱৰ খুমটাই সমষ্টিৰ অৰ্ন্তগত বৃহত্তৰ মিছামৰা অঞ্চলৰ এটা বিধ্বস্ত পথে জলাকলা খুৱাইছে অঞ্চলটোৰ হাজাৰ হাজাৰ লোকক। গোলাঘাট জিলাৰ মিছামৰাৰ এটা অতি গুৰুত্বপূৰ্ণ পথৰ দুৰাৱস্থাই ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি পথৰ যাত্ৰী সকল অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে। দেৰগাঁও-গোলাঘাট সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ কুৱালগুৰিৰ পৰা মিছামৰা হৈ দৰীয়া আলি সংযোগী পথটোৰ প্ৰায় ৬ কিলোমিটাৰ দুৰত্ব যাতায়তৰ বাবে দুৰহ হৈ পৰিছে। অতিকে ব্যস্ত পথটোৰ বহুঠাইত সৃষ্টি হৈছে পুখুৰী সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাত। জৰাজীৰ্ণ পথটোৰ বাবেই ইয়াত প্ৰায় প্ৰতি দিনাই সৰু বৰ পথ দুৰ্ঘটনাও সংঘটিত হৈছে অথচ লোক নিৰ্মাণ বিভাগে পথচোৱা নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। । উল্লেখ্য যে, আজিৰ তাৰিখত অসমৰ ধৰ্মীয় স্থান সমূহৰ ভিতৰত অন্যতম জনপ্ৰিয় স্থান খনিকৰ পুথি নামঘৰলৈ এই ভগ্ন পথেৰেই অহা-যোৱা কৰে ভক্ত সকল। ইপিনে মিছামৰা অঞ্চলৰ শ-শ শিক্ষাৰ্থী এই পথেৰেই দেৰগাঁও চহৰ আৰু গোলাঘাটৰ উচ্চ শিক্ষাৰ অনুষ্ঠানলৈ ওলাই আহিব লাগে। পথটোৰ কাষতে আছে মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ো। বছৰ বছৰ দিন ধৰি ৰাইজক যন্ত্ৰণা দি অহা এই পথটো অতি শীঘ্ৰেই নিৰ্মাণ কৰি যাতায়তৰ উপযোগী কৰি দিবলৈ ভুক্তভোগী ৰাইজে আহ্বান জনাইছে।

### চল যাব স্কুল শ্ল'গানেৰে মুখৰিত গ্ৰামাঞ্চল

# অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শৈক্ষিক সজাগতা কাৰ্যসূচী

**অসম বাৰ্তা, দেৰগাঁও, ১২ আগষ্ট ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত অনুসৰি আটছা দেৰগাঁও শাখাৰ অন্তৰ্গত নেঘেৰিটিং উপশাখা সমিতিৰ উদ্যোগত নেঘেৰিটিং, বালিজান, আৰু নেঘেৰিটিং ১২ নং গাঁৱৰ ৰাইজৰ সহযোগত শীৰ্ষক চল যাব স্কুল কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি শৈক্ষিক সজাগতা অনুষ্ঠান আয়োজন কৰা হয়। উক্ত অনুষ্ঠানটিৰ লগত সংগতি ৰাখি নেঘেৰিটিং ১২ নং মজদুৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ সহযোগত এক শোভাযাত্ৰা বাহিৰ কৰা হয়। উক্ত অনুষ্ঠানভাগি শুভ উদ্বোধন কাৰ্য্যসূচীত উপস্থিত থাকে আটছা দেৰগাঁও শাখাৰ সভাপতি দয়াৰাম ৰবিদাস, সম্পাদক শ্ৰীদানেশ কুমাৰ, প্ৰচাৰ সম্পাদক -শ্ৰী মিণ্টু কুৰ্মি, ৰেৱকান্ত কৰ্মকাৰ, প্ৰহ্লাদ তুৰি, নেঘেৰিটিং ১২ নং গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সভাপতি সম্পাদক নেঘেৰিটিং উপশাখাৰ সভাপতি সুনিল দুচাদ, সহ সম্পাদক মানস জ্যোতি নাগবংশী, নেঘেৰিটিং ১২নং মজদুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীদয়াৰাম কুৰ্মি সহ সহ শিক্ষা গুৰুৰ প্ৰমুখ্য কৰি নেঘেৰিটিং চাহ বাগিচাৰ বহু কেইজন বিষয় ববীয়াৰ লগতে স্থানীয় ৰাইজ আৰু অভিভাৱকৰ উপস্থিতিত সহযোগিতা আগবঢ়ায়।

# ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ আগষ্ট ঃ** ডিব্ৰুগড়ৰ বৈৰাগীমঠস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভা ৯ আগষ্ট তাৰিখে হলিৰাম ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদক ভূষণজ্যোতি সন্দিকৈয়ে আদৰণী ভাষণৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰা অনুষ্ঠানটোত কাৰ্যকৰী সভাপতি চান কুমাৰ গোহাঁই, উপ সভাপতি হিৰণ্য সেনাপতি, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সেৱা সমিতিৰ অসমৰ সভাপতি লনাথ চৌখাম, প্ৰাক্তন সভাপতি যতীন্দ্ৰ মোহন গগৈ, থিৰেশ্বৰ গোহাঁই, মটক সন্মিলনৰ উপদেষ্টা চন্দ্ৰ সেনাপতি, উপদেষ্টা যুগলতা গগৈ গোহাঁইকে প্ৰমুখ্যে কৰি সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। এই সাধাৰণ সভাত বিগত কালৰ মহাবিদ্যালয়খনৰ শৈক্ষিক, আৰ্থিক তথা বিভিন্ন বিষয়ৰ ওপৰত উপস্থিত সকলে নিজ নিজ পৰামৰ্শ আগবঢ়ায় আৰু অনাগত দিনত ৰূপায়ণ কৰিবলগীয়া আঁচনি সমূহৰ বিষয়েও ব্যক্ত কৰে। এই সাধাৰণ সভাতেই আগন্তুক কাৰ্যকালৰ বাবে হলিৰাম ফুকনক সভাপতি, চান কুমাৰ গোহাঁইক কাৰ্যকৰী সভাপতি আৰু অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈক সাধাৰণ সম্পাদক হিচাপে লৈ এখন নতুন শক্তিশালী সমিতি গঠন কৰা হয়। নতুন সমিতিখনে অতি শীঘ্ৰে কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত কৰি কাৰ্যপন্থা গ্ৰহণ কৰা বাবে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি উদ্যক্তা সমিতিয়ে জানিবলৈ দিয়ে।

# ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ত পবিত্ৰ ৰাখী বন্ধন উদ্‌যাপন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১২ আগষ্ট ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাঘাটৰ আগশাৰীৰ বিদ্যালয় ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ত উলহ-মালহেৰে আজি পবিত্ৰ ৰাখী বন্ধন উদযাপন কৰা হয়। ভাতৃ -ভগ্নীৰ পবিত্ৰ উৎসৱ ৰাখী বন্ধন কাৰ্যসূচীত অধ্যক্ষা ভৱানী চেতিয়া আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত বিদ্যালয়ৰ ছাত্ৰসকলৰ কপালত ফুট দি হাতত ছাত্ৰীসকলে ৰাখি পিন্ধাই উদ্‌যাপন কৰে। বিদ্যালয়খনৰ ছাত্ৰীসকলে চাউলধোৱা আৰক্ষী চকীৰ আৰক্ষী সকলক ৰাখী পিন্ধাই আশীৰ্বাদ গ্ৰহণ কৰে। আনহাতে হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অধীনত ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিদ্যালয়ৰ বৰ্ডত ত্ৰিৰংগা অংকন প্ৰতিযোগিতা, ত্ৰিৰংগা ৰংগোলী সজোৱা প্ৰতিযোগিতা, ত্ৰিৰংগা ৰাখী নিৰ্মাণ কৰ্মশালা তথা প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়।

# আঞ্চলিক যুৱ মঞ্চৰ শ্ৰমদান কাৰ্যসূচী

**অসম বাৰ্তা, বটদ্ৰৱা, ১২ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ পূৰ্বে মৰিগাঁও জিলাৰ হাবিবৰঙাবাৰীৰ অগ্ৰণী সংগঠিত গোট আঞ্চলিক যুৱ মঞ্চৰ নেতৃত্বত লোৱা এলানি সদৰ্থক অভিযানৰ ভিতৰত হাবিবৰঙাবাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চৌহদ আৰু অন্তৰ্ভাগত চিকিৎসালয়ৰ কৰ্মচাৰী সমূহ আৰু ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ অসীম কাকতিৰ উপস্থিতিত শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ নেতৃত্ব লোৱা মঞ্চৰ সম্পাদক বিদ্যুৎ পাতৰে জানিবলৈ দিয়ে যে এই অভিযানৰ তেওঁলোকে ২০১৭ চনৰ পৰাই অব্যাহত ৰাখিছে আৰু পৰৱৰ্তী পৰ্যায়ত ৰাজহুৱা শ্মশান আৰু বিদ্যালয় সমূহকো সামৰি ল'ব। মঞ্চৰ সভাপতি প্ৰাঞ্জল পাতৰে জানিবলৈ দিয়ে যে মঞ্চৰ ত্ৰিশজন সদস্যৰ এই ইতিবাচক কৰ্মৰ প্ৰতি সঁহাৰি জনাই গাঁৱৰ সৰ্বসাধাৰণেও কাৰ্যসূচীত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে।

# ডিমৌৰ চেঁচামুখত গাঁওৰক্ষী বাহিনীৰ উদ্যোগত বাল্যবিবাহ, শিশু সুৰক্ষা আৰু ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, ডিমৌ, ১২ আগষ্ট ঃ** ডিমৌ সমজিলাৰ অন্তৰ্গত চেঁচামুখ গাঁৱত গাঁওৰক্ষী বাহিনীৰ উদ্যোগত বাল্যবিবাহ নিৰ্মূল, শিশু সুৰক্ষা আৰু ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। সমাজত বৃদ্ধি পোৱা বাল্যবিবাহ, শিশু নিৰ্যাতন আৰু ড্ৰাগছৰ ভয়ংকৰ প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰাই এই সভাৰ মূল উদ্দেশ্য আছিল। অনুষ্ঠানত ডিমৌ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত কেইবাজনো আৰক্ষী বিষয়া উপস্থিত থাকে। অঞ্চলটোৰ শতাধিক স্থানীয় ৰাইজ, বিভিন্ন সংগঠনৰ প্ৰতিনিধি, লগতে বহু ছাত্ৰ-ছাত্ৰী সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। সভাত বক্তাসকলে বাল্যবিবাহৰ আইনী ফলাফল, শিশু অধিকাৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু ড্ৰাগছৰ বিপদজনক দিকসমূহ বৰ্ণনা কৰি সমাজৰ সকলো স্তৰৰ লোকক একতাবদ্ধভাৱে এই সামাজিক অপৰাধৰ বিৰুদ্ধে যুঁজ আৰম্ভ কৰাৰ আহ্বান জনায়। আয়োজক গাঁও ৰক্ষী বাহিনীয়ে আশা প্ৰকাশ কৰে যে, এই ধৰণৰ সজাগতা কাৰ্যসূচীয়ে স্থানীয় ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰি আগন্তুক দিনত অঞ্চলটোত বাল্যবিবাহ আৰু ড্ৰাগছ সংক্ৰান্ত অপৰাধৰ হাৰ হ্ৰাস কৰিব।

### উন্নত চিকিৎসাৰ বাবে যোৰহাট মেডিকেল কলেজত ভৰ্তী

# গুৰুতৰভাৱে অসুস্থ মাজুলী এলেঙি নৰসিংহ সত্ৰৰ অধিকাৰ কমল চন্দ্ৰ মহন্ত

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** মাজুলী এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত আজি পূৰ্ণৰ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তী কৰোৱা হয়। কিছু দিন পূৰ্বে হৃদ ৰোগত আক্ৰান্ত হৈ অসম মেডিকেল কলেজত চিকিৎসাধীন হৈ আছিল যদিও স্বাস্থ্য উন্নত হোৱাত পৰিয়ালৰ লোকে নিজ গৃহলৈ লৈ আহে সত্ৰাধিকাৰ গৰাকীক। কিন্তু কালি ৰাতি পৰা সত্ৰাধিকাৰ গৰাকীৰ স্বাস্থ্য অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে মাজুলীৰ নিজ গৃহৰ পৰা ১০৮ এম্বুলেঞ্চৰ দ্বাৰা যোৰহাটলৈ লৈ যায় সত্ৰাধিকাৰ গৰাকীক। ইফালে ১০৮ এম্বুলেন্সেৰে যোৰহাটলৈ উন্নত চিকিৎসাৰ বাবে লৈ যোৱা সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক, অধিকাৰ কমল চন্দ্ৰ মহন্তৰ সকলোৱে আশু আৰোগ্য কামনা কৰিছে। ইফালে পৰিয়ালৰ লোকে সত্ৰাধিকাৰ গৰাকীৰ উন্নত চিকিৎসাৰ বাবে সকলো সুবিধা কৰি দিবলৈ মাজুলীৰ বিধায়ক ভুৱন গাম, ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰীৰ লগতে মুখ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে।

# উচ্চতৰ মাধ্যমিক বাণী বিদ্যাপীঠৰ ১৯৮০/৮১ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থীয়ে জনালে শিক্ষক সম্বৰ্ধনা

**অসম বাৰ্তা, বাহাৰঘাট, ১২ আগষ্ট ঃ** শিক্ষক হৈছে এডাল মমবাতিৰ দৰে। যিয়ে আনক পোহৰ দি নিজে গলিগলি শেষ হয়। এইহেন শিক্ষকক আমি শ্ৰদ্ধা জনাব লাগে। আনহাতে এনেহেন শিক্ষকৰ অনুগামী বহুতো শিক্ষাৰ্থীয়ে কিছুমান নিয়ম মানি চলে তাৰ ভিতৰত প্ৰধানত: অধ্যায়ন, অনুশাসন আৰু অনুশীলন। উপৰোক্ত কথাখিনিক সাৰোগত কৰি উচ্চতৰ মাধ্যমিক বাণী বিদ্যাপীঠ চনমাগুৰীৰ ১৯৮০-৮১ বৰ্ষৰ হাইস্কুল পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ- ছাত্ৰী সকলে "শিক্ষাগুৰু" সকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কাৰ্য্যসূচীৰ অংশ হিচাবে যোৱা একৰ পৰা ৩১ জুলাইলৈ পৰ্যায়ক্ৰমে শিক্ষাগুৰু সকলৰ ঘৰে ঘৰে গৈ শ্ৰদ্ধা নিবেদন আৰু এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই। শিক্ষাৰ্থী সকলে শিক্ষাগুৰু সকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰি এটোপোলা ফল -মূল আগবঢ়াই। ইয়াৰোপৰি শিক্ষাগুৰু সকলৰ কৃৰ্ত্তিত্বৰ চিন স্বৰূপে একোটা গছৰ পুলি দিয়া হয় আৰু তেখেত সকলে বসতি কৰা চৌহদত ৰোপণ কৰে। সম্বৰ্ধনা সময়ত শিক্ষক সকলৰ শিক্ষব্ৰতী অৱস্থান থকা কথা বিলাক ৰোমান্থন কৰি পৰম তৃপ্তি লাভ কৰা বুলি মত প্ৰকাশ কৰে। সম্বৰ্ধিত শিক্ষক সকল ক্ৰমে জগদ্দীশ শৰ্মা, (কণিহা) ভূপেন শৰ্মা, (কনিহা) নুৰ আলি, ( ধূহিবালা) ধাৰেশ্বৰ শালৈ, (চতাৰহাটী) আৰু প্ৰভাত ঠাকুৰীয়া (বৰালীমাৰা)।

# মৈৰাবাৰী মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত নামভৰ্তি সম্পৰ্কীয় সজাগতা সভা

**অসম বাৰ্তা, মৈৰাবাৰী, ১২ আগষ্ট ঃ** মৈৰাবাৰী মহাবিদ্যালয়ত আজি "কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় সন্দৰ্ভত এখনি গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। নামভৰ্তি, পাঠ্যক্ৰম আৰু অন্যান্য দিশ সম্পৰ্কীয় সজাগতা সভাখন মৈৰাবাৰী মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। চলিত বৰ্ষৰ নামভৰ্তি শীৰ্ষক সজাগতামূলক সভাখনত সভাপতিত্ব কৰে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হকে। আনহাতে সভাখন অনুষ্ঠিত কৰাত আগভাগ লয় কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ব বিদ্যালয়ৰ মৈৰাবাৰী মহাবিদ্যালয় শাখাৰ সমন্বয়ক তথা হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক আজাদ চেলিমে। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক পৰাগ দত্ত, আৰু মৃণাল জ্যোতি গোস্বামী। লগতে মৈৰাবাৰী মহাবিদ্যালয়ৰ অন্যান্য অধ্যাপক সকল ক্ৰমে: ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক মইনুল হক খান, বুৰঞ্জী বিভাগৰ অধ্যাপক তাইজুদ্দিন আহমেদ, ইংৰাজী বিভাগৰ অধ্যাপক ছফিকুল ইছলামকে আদি কৰি অন্যান্য অধ্যাপক ও ছাত্ৰ ছাত্ৰী সকল।

# সন্তোষপুৰত অনৈতিক কাৰ্যকলাপৰ অভিযোগত তিনি মহিলাক আটক

**অসম বাৰ্তা, লেংটিছিঙা, ১২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ মেৰেৰচপ থানাৰ অন্তৰ্গত সন্তোষপুৰস্থিত 'ওচমান ৰিজৰ্ট এণ্ড ফেমিলি ৰেষ্টুৰেণ্ট'ত আজি উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। স্থানীয় ৰাইজে অভিযোগ কৰে যে এই ৰেষ্টুৰেণ্টটোত দীৰ্ঘদিন ধৰি দেহ ব্যৱসায়ীৰ দৰে অনৈতিক কাৰ্যকলাপ চলি আহিছিল। স্থানীয় লোকসকলে আজি ৰেষ্টুৰেণ্টখন আক্ৰমণ কৰি ভাঙি চুৰমাৰ কৰে। ঘটনাস্থলীত ৰাইজে হাতে লোটে তিনিজনী মহিলা, দুজন পুৰুষ আৰু ৰেষ্টুৰেণ্টৰ কৰ্তৃপক্ষক অনৈতিক কামত লিপ্ত অৱস্থাত আটক কৰে। বহুদিন ধৰি চোকা দৃষ্টি ৰাখি থকা ৰাইজে অবশেষত আজি এই অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আটক কৰা মহিলা, পুৰুষ আৰু ৰেষ্টুৰেণ্টৰ কৰ্তৃপক্ষ ওচমান আলীক মেৰেৰচৰ থানালৈ লৈ যায়। ঘটনাটোৱে সমগ্ৰ অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। স্থানীয় ৰাইজে দোষীসকলক কঠোৰতম শাস্তি দিয়াৰ দাবী উথাপন কৰিছে।

## বিটিআৰত মূল যুঁজ

নিজ নিজ প্ৰচাৰক অধিক তীব্ৰতৰ কৰি তুলিছে। একেদৰে, কংগ্ৰেছে নিজৰ ভোটাৰ ভিত্তিকে মজবুত কৰাৰ লক্ষ্যত ব্যস্ত হৈ পৰিছে। এই ৰাজনৈতিক গৰম বতাহৰ মাজতে মঙ্গলবাৰে বাক্সা জিলাৰ বৰমাত বিপিএফ দলৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আসন্ন নিৰ্বাচনত ৰাইজৰ আগত কোনবোৰ এজেণ্ডা উত্থাপন কৰা হ'ব সেই বিষয়ে বিস্তৃত আলোচনা চলে। বৈঠকৰ অন্তত সাংবাদিকসকলৰ সৈতে হোৱা সাক্ষাৎকাৰত বিপিএফৰ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে স্পষ্টকৈ কয় যে তেওঁলোকৰ দলৰ মূল প্ৰতিদ্বন্দ্বিতা বিজেপিৰ সৈতে হ'ব, ইউপিপিএলৰ সৈতে নহয়। সদৌ বড়ো ছাত্ৰ সংথাই বিটিআৰত ইউপিপিএল আৰু বিপিএফৰ মাজত মিত্ৰতাৰ আহ্বান জনোৱা সন্দৰ্ভত মহিলাৰীয়ে জানিবলৈ দিয়ে যে বিপিএফে ইতিমধ্যে এবিএছইউ (অল বড়ো ষ্টুডেণ্টছ ইউনিয়ন)ৰ সৈতে আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। তেওঁ আৰু কয় যে এবিএছইউ এটা জাতীয় সংগঠন হোৱাৰ বাবে আৰু বিপিএফ এটা ৰাজনৈতিক দল হোৱাৰ বাবে দুয়োটাৰ আদৰ্শ আৰু নীতি স্বাভাৱিকতে পৃথক হ'ব। ইয়াৰ উপৰিও, হাগ্ৰামা মহিলাৰীয়ে ঘোষণা কৰে যে ২০ আগষ্টৰ ভিতৰত বিপিএফৰ দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব। তেওঁ কয়, "এইবোৰ ৰাজনীতিৰ অংশহে। মই এই কথা ছয়মাহ বা এবছৰ আগৰ পৰাই কৈ আহিছোঁ। যদি মিলিত হ'ব লাগে তেন্তে আহক, চৰকাৰ এৰি আহক। ইউপিপিএলে এনডিএ এৰি আহক, যদি সম্ভৱ হয় তেন্তে ২০টা আসনত ২০টা।" তেওঁ আৰু ব্যাখ্যা কৰে যে বিপিএফে ৪ তাৰিখে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছিল, আৰু ইউপিপিএলে ৫ তাৰিখে চিঠি প্ৰেৰণ কৰিছে। এইটোক তেওঁ এখন নাটক বুলি বৰ্ণনা কৰি কয় যে ডিএছপিৰ সৈতে আলোচনা আগতে হৈছিল আৰু এতিয়াও চলি আছে। তেওঁলোকে যিমান পাৰে ডিএছপিৰ সৈতে আলোচনা চলাই যাব বুলিও উল্লেখ কৰে আৰু মিলনৰ চেষ্টা অব্যাহত ৰাখিছে। কংগ্ৰেছে নিৰ্বাচনত অংশগ্ৰহণ কৰা সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত বিপিএফ প্ৰধানে কয় যে বিটিচিত বিপিএফ, কংগ্ৰেছ, বিজেপি, ইউপিপিএল, ৰাইজৰ দল, আম আদমী পাৰ্টি আদি সকলো দলে নিৰ্বাচনত অংশ ল'ব পাৰে। এই ক্ষেত্ৰত কোনো নিষেধাজ্ঞা নাই আৰু সকলো দলক নিৰ্বাচনত অংশগ্ৰহণৰ অধিকাৰ আছে। কিন্তু তেওঁ দাবী কৰে যে বিটিচিত মূল যুঁজ বিপিএফ আৰু বিজেপিৰ মাজত হ'ব আৰু বিপিএফে চৰকাৰ গঠন কৰিব। লগতে, চৰকাৰ গঠন হ'লে চীফ কোন হ'ব সেই বিষয়ে এতিয়া ক'ব নোৱাৰি বুলি কৌশলী উত্তৰ দিয়ে হাগ্ৰামা মহিলাৰীয়ে। নিৰ্বাচনত বিপিএফৰ প্ৰধান ইছ্যুসমূহৰ বিষয়ে ক'লে তেওঁ উল্লেখ কৰে যে নিৰনুৱা সমস্যা সমাধান আৰু মাটিৰ পট্টা প্ৰদানক মূল এজেণ্ডা হিচাপে লোৱা হ'ব। ভিচিডিচি চেক সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মন্তব্যক ৰাজনীতিৰ অংশ বুলি বৰ্ণনা কৰি কয় যে ৰাজনীতিত যিকোনো কথা কোৱা সম্ভৱ। লগতে, বিপিএফ আৰু ইউপিপিএলৰ একত্ৰীকৰণ সন্দৰ্ভত আলোচনা চলি থকাৰ কথা পুনৰ উল্লেখ কৰে। প্ৰমোদ বড়োক কিয় গালি পাৰে বুলি সোধাত মহিলাৰীয়ে কয়, "প্ৰমোদ বড়োৱে যিহেতু বিটিচি চলাই আছে, সেয়ে তেওঁক গালি নাপাৰি আন কাক গালি পাৰিম?" উল্লেখ্য যে, মঙ্গলবাৰে বা'ৰ বৰমাত অনুষ্ঠিত এই বৈঠকত প্ৰাক্তন মন্ত্ৰী প্ৰমিলাৰাণী ব্ৰহ্মকে ধৰি দলৰ সকলো প্ৰমুখ নেতা উপস্থিত আছিল। এই বৈঠকে বিটিআৰৰ নিৰ্বাচনী পৰিৱেশক অধিক গতিশীল কৰি তুলিছে আৰু আগন্তুক দিনত ৰাজনৈতিক ঘটনাৱলীত নতুন মোড় আহিব বুলি আশা কৰা হৈছে।

## পাকিস্তানস্থিত ভাৰতীয়

পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ। ভাৰতীয় সেনাৰ অপাৰেচন সিন্দূৰ আৰু নতুন দিল্লীয়ে সিন্ধু জলচুক্তি বাতিল কৰা পাছত পাকিস্তানে উচ্চায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলক সা-সুবিধাৰ পৰা বঞ্চিত কৰিছে। পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আইৰ পৰিকল্পনা অনুসৰিয়েই প্ৰতিশোধকল্পে ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলক মৌলিক সা-সুবিধা সমূহৰ পৰা বঞ্চিত কৰাৰ অভিযোগ। তথ্য অনুসৰি পাকিস্তানৰ ইছলামাবাদত থকা ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ত ৰন্ধন গেছৰ পাইপৰ সংযোগ বিচ্ছিন্ন কৰা হৈছে। ইচ্ছাকৃতভাৱে কাৰ্যালয়লৈ ৰন্ধন গেছৰ যোগান বন্ধ কৰিছে পাকিস্তান চৰকাৰে। কেৱল ইমানেই নহয় পাকিস্তানী ৰন্ধন গেছ ব্যৱসায়ীসকলক ভাৰতীয় কৰ্মচাৰীক ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী নকৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ ফলত কূটনীতিবিদ আৰু আৰু তেওঁলোকৰ পৰিয়ালে মুক্ত বজাৰত দুৰ্লভ আৰু ব্যয়বহুল বিকল্প বিচাৰিবলৈ বাধ্য হৈছে। ইন্ধনৰ লগতে বিশুদ্ধ খোৱাপানীৰ যোগানো বন্ধ কৰিছে পাকিস্তানে। যিসকল ব্যৱসায়ীয়ে ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ত বিশুদ্ধ খোৱাপানী যোগান ধৰিছিল তেওঁলোককো পানী যোগান নধৰিবলৈ নিৰ্দেশ দিছে। একপ্ৰকাৰ পাকিস্তান উচ্চায়ুক্ত কাৰ্যালয়ত থকা ভাৰতীয় কূটনীতিবিদ আৰু সাধাৰণ কৰ্মচাৰীসকল বিপদত পৰিছে। কিয়নো স্থানীয় ভাৱে পোৱা টেপৰ পানী পৰিশোধিত নহয় আৰু খোৱাৰ অনুপযোগী। পাকিস্তান চৰকাৰে ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয়ত স্থানীয় বাতৰিকাকত সমূহৰ যোগানো বন্ধ কৰি দিছে। পাকিস্তানৰ এই কাৰ্যক ভাৰতে তীব্ৰ সমালোচনা কৰিছে। ভাৰতৰ অভিযোগ, পাকিস্তানে ভিয়েনা চুক্তি দেখ দেখকৈ উলংঘন কৰিছে। বিষয়টো ইতিমধ্যে ৰাষ্ট্ৰসংঘৰ দৃষ্টি গোচৰ কৰাৰ বাবে প্ৰস্তুতি চলাইছে ভাৰত চৰকাৰ। ভিয়েনা চুক্তিৰ নিয়মাৱলী ভংগ কৰাৰ অভিযোগ পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ।

## অসমত সমজিলাৰ

সমজিলা স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই ১০খনৰ ভিতৰত ৮খন সমজিলাৰ কাৰ্যালয় মঙলবাৰে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছে, আৰু বাকী দুখন বুধবাৰে মুকলি কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই নতুন সমজিলাৰ সংযোজনেৰে ৰাজ্যৰ মুঠ সমজিলাৰ সংখ্যা ৪৯খনলৈ উপনীত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে বকো-ছয়গাঁও, পলাশবাৰী, বৰছলা, ৰঙাপৰা, মাকুম, ডিগবৈ, টীয়ক, মৰিয়নী, ধলাই আৰু দুধনৈ সমজিলাসমূহ ১৫ আগষ্টৰ পৰা পূৰ্ণাংগভাৱে কাৰ্যকৰী হ'ব। এই লক্ষ্যৰে মঙলবাৰ আৰু বুধবাৰে প্ৰতিটো সমজিলাৰ কাৰ্যালয় উদ্বোধনৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, সমজিলা গঠনৰ জৰিয়তে প্ৰশাসনিক সংস্কাৰৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত এক অগ্ৰণী ৰাজ্য হিচাপে চিহ্নিত হৈছে। বিগত বছৰৰ ৪ আৰু ৫ অ'ক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯খন বিধানসভা সমষ্টিত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হৈছিল। এই কাৰ্যালয়সমূহৰ জৰিয়তে সমজিলাৰ কাম-কাজ আৰম্ভ হৈছে, যাৰ ফলত প্ৰশাসনিক দক্ষতা আৰু জনসাধাৰণৰ বাবে চৰকাৰী সেৱাৰ সুলভতা বৃদ্ধি পাইছে। প্ৰতিখন সমজিলাৰ দায়িত্ব পালনৰ বাবে এজন এডিচি পৰ্যায়ৰ বিষয়াক সমজিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। এই ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণৰ বাবে চৰকাৰী সেৱাৰ সৰলীকৰণ আৰু সময়োপযোগী সেৱা প্ৰদানৰ প্ৰতিশ্ৰুতি দৃঢ় কৰা হৈছে। মঙলবাৰে ৰাজ্যৰ ছয়খন জিলাত ৮খন সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰা হৈছে। এই উদ্বোধনৰ দায়িত্ব পালনৰ বাবে প্ৰতিখন সমজিলাৰ বাবে এজনকৈ মন্ত্ৰীক নিযুক্ত কৰা হৈছিল। কামৰূপ জিলাৰ বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ কাৰ্যালয় উদ্বোধনৰ দায়িত্ব পালন কৰিছিল মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই, আনহাতে একেখন জিলাৰ পলাশবাৰী সমজিলাৰ কাৰ্যালয় মুকলিৰ দায়িত্বত আছিল মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। শোণিতপুৰ জিলাৰ বৰছলা সমজিলাৰ কাৰ্যালয় উদ্বোধনৰ দায়িত্ব পালন কৰিছিল মন্ত্ৰী অশোক সিংহলে। যোৰহাট জিলাৰ মৰিয়নী সমজিলাৰ কাৰ্যালয় মুকলিৰ দায়িত্বত আছিল মন্ত্ৰী যোগেন মহন, আৰু একেখন জিলাৰ টীয়ক সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰিছিল মন্ত্ৰী অতুল বৰাই। তিনিচুকীয়া জিলাৰ মাকুম সমজিলাৰ কাৰ্যালয় মুকলিৰ দায়িত্ব পালন কৰিছিল মন্ত্ৰী বিমল বড়াই। কাছাৰ জিলাৰ ধলাই সমজিলাৰ কাৰ্যালয় উদ্বোধনৰ দায়িত্বত আছিল মন্ত্ৰী কৃষ্ণেন্দু পাল। গোৱালপাৰা জিলাৰ দুধনৈ সমজিলাৰ কাৰ্যালয় মুকলিৰ দায়িত্ব পালন কৰিছিল মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। বুধবাৰে বাকী দুখন সমজিলাৰ কাৰ্যালয় উদ্বোধনৰ কাৰ্যসূচী নিৰ্ধাৰিত হৈছে। শোণিতপুৰ জিলাৰ ৰঙাপৰা সমজিলাৰ আয়ুক্তৰ কাৰ্যালয় মুকলিৰ দায়িত্ব পালন কৰিব মন্ত্ৰী পীযুষ হাজৰীকাই, আৰু তিনিচুকীয়া জিলাৰ ডিগবৈ সমজিলাৰ কাৰ্যালয় উদ্বোধনৰ দায়িত্বত থাকিব মন্ত্ৰী ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে জানিবলৈ দিছে যে নতুনকৈ গঠিত এই সমজিলাসমূহৰ জৰিয়তে প্ৰশাসনিক কাম-কাজৰ সৰলীকৰণৰ লগতে জনসাধাৰণৰ বাবে চৰকাৰী সেৱা অধিক সুগম হ'ব। সমজিলাৰ গঠনে জিলাসমূহৰ ভিতৰত ক্ষুদ্ৰ পৰ্যায়ৰ প্ৰশাসনিক গোট হিচাপে কাম কৰিব আৰু নাগৰিকসকলৰ বাবে সময়োপযোগী সেৱা প্ৰদানৰ লক্ষ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই পদক্ষেপে প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ লগতে জনসাধাৰণৰ বাবে চৰকাৰী সেৱাৰ উৎকৃষ্ট ব্যৱস্থা হিচাপে পৰিগণিত হৈছে। এই নতুন সমজিলা গঠনৰ ফলত অসমৰ প্ৰশাসনিক ব্যৱস্থাত এক নতুন গতি সঞ্চাৰ হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ জনসাধাৰণৰ সুবিধাৰ্থে আৰু প্ৰশাসনিক সংস্কাৰৰ দিশত এই পদক্ষেপ এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে।

## জনজাতি এলেকাত

বি টি আৰৰ ভূমি নীতি শিথিল কৰা হ'ব। তেওঁৰ মতে, এই নীতিৰ জৰিয়তে ট্ৰাইবেল বেল্ট তথা ব্লকৰ ভূমি অজনজাতি লোকৰ বাবেও ক্ৰয়ৰ বাবে মুকলি কৰাৰ ব্যৱস্থা কৰা হ'ব। কিন্তু দিলীপ শইকীয়াৰ এই মন্তব্যই জনজাতি সম্প্ৰদায়ৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সদৌ অসম ট্ৰাইবেল সংঘই এই মন্তব্যৰ তীব্ৰ নিন্দা কৰি দিলীপ শইকীয়াৰ প্ৰৱেশ জনজাতি অঞ্চলত নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীয়ে স্পষ্টভাৱে কৈছে যে দিলীপ শইকীয়াৰ এই বক্তব্য জনজাতিৰ স্বাৰ্থৰ বিৰোধী। তেওঁ কয়, "আমি সমূহ জনজাতি ৰাইজৰ প্ৰতি আহ্বান জনাইছো যাতে তেওঁলোকে কাৰ্বি আংলং, ডিমা হাচাও, বডোলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) আৰু সমগ্ৰ অসমৰ জনজাতি অঞ্চলত দিলীপ শইকীয়াক বৰ্জন কৰে। তেওঁৰ মন্তব্যই জনজাতিৰ অধিকাৰৰ প্ৰতি স্পষ্ট আঘাত হানিছে।" খাখলাৰীয়ে লগতে কয় যে গত ২ আগষ্টত দিলীপ শইকীয়াই ষষ্ঠ অনুসূচিৰ অধীনত থকা স্বায়ত্তশাসিত অঞ্চল আৰু ট্ৰাইবেল বেল্ট তথা ব্লকৰ ভূমিৰ অধিকাৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছিল। তেওঁ ঘোষণা কৰিছিল যে আইন সংশোধনৰ জৰিয়তে গুৱাহাটী, ডিব্ৰুগড় বা অন্যান্য অঞ্চলৰ যিকোনো শ্ৰেণীৰ লোকৰ বাবে ট্ৰাইবেল অঞ্চলত ভূমি ক্ৰয়ৰ সুবিধা মুকলি কৰা হ'ব। ইয়াৰ উপৰিও তেওঁ দাবী কৰিছিল যে ষষ্ঠ অনুসূচিৰ অধীনত থকা অঞ্চলত অসম ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায় প্ৰযোজ্য নহ'ব। এই মন্তব্যক জনজাতি সংঘই জনজাতিৰ স্বায়ত্তশাসনৰ মৌলিক অধিকাৰৰ ওপৰত আক্ৰমণ হিচাপে গণ্য কৰিছে। দিলীপ শইকীয়াৰ এই বক্তব্যৰ প্ৰতিবাদত সদৌ অসম ট্ৰাইবেল সংঘই কঠোৰ স্থিতি গ্ৰহণ কৰিছে। খাখলাৰীৰ মতে, দীৰ্ঘদিন ধৰি লোকসভাৰ সাংসদ হিচাপে দায়িত্ব পালন কৰা আৰু কেতিয়াবা লোকসভাৰ অধ্যক্ষৰ আসনো অলংকৃত কৰা এগৰাকী বিজ্ঞ ব্যক্তিৰ পৰা এনে মন্তব্য আশা কৰা হোৱা নাছিল। তেওঁৰ এই বক্তব্যই ষষ্ঠ অনুসূচিৰ স্বায়ত্তশাসনৰ বিষয়ে তেওঁৰ অজ্ঞতা প্ৰকাশ কৰিছে, যিটো জনজাতি সম্প্ৰদায়ৰ বাবে অত্যন্ত দুৰ্ভাগ্যজনক। জনজাতি সংঘৰ নেতৃত্বই স্পষ্ট কৰি দিছে যে দিলীপ শইকীয়াই তেওঁৰ এই জনজাতি বিৰোধী মন্তব্য প্ৰত্যাহাৰ নকৰা পৰ্যন্ত আৰু ভৱিষ্যতে ষষ্ঠ অনুসূচিৰ আইন তথা ট্ৰাইবেল বেল্টৰ নীতিৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰাৰ ৰাজহুৱা প্ৰতিশ্ৰুতি নিদিয়া পৰ্যন্ত তেওঁৰ ওপৰত বৰ্জনৰ সিদ্ধান্ত অব্যাহত থাকিব। এই ঘটনাই বি টি আৰ নিৰ্বাচনৰ প্ৰাকক্ষণত ৰাজনৈতিক উত্তেজনা আৰু জনজাতি সম্প্ৰদায়ৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে।

## দিল্লীত ৰাহুল গান্ধীক

পৰিষদৰ প্ৰতিনিধি দলটোৱে। দলৰ সভাপতি লুৰীণজ্যোতি গগৈৰ লগতে প্ৰতিনিধি দলটোত আছিল জগদীশ ভূএগ্ৰা, কমল নয়ন চৌধুৰী, জিয়াউৰ ৰহমান, চিত্তৰঞ্জন বসুমতাৰী আৰু ৰাজু ফুকন। লোকসভাত বিৰোধী দলৰ উপ—নেতা তথা অসম কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও সংগ দিয়ে। ৰাহুল গান্ধীৰ সৈতে এই সাক্ষাৎ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মন্তব্য আগবঢ়াইছে অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। অসমত চলি থকা উচ্ছেদ আৰু বিজেপি চৰকাৰে ধৰ্মৰ নামত ৰাইজৰ মাজত বিভেদ সৃষ্টিৰ বিষয়ে সদনত উত্থাপন কৰাৰ বাবে আহ্বান জনোৱাৰ বাবে ৰাহুল গান্ধীক সাক্ষাৎ কৰা বুলি সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে অজাপৰ সভাপতিগৰাকীয়ে। অৱশ্যে এই সাক্ষাতৰ সময়ত কোনোধৰণৰ ৰাজনৈতিক কথা আলোচনা হোৱা নাই বুলিও লুৰীণজ্যোতি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়। ৰাজ্যত অহা বৰ্ষত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অজাপৰ এই পদক্ষেপ যথেষ্ট গুৰুত্বপূৰ্ণ হৈছে যদিও পিছে লুৰীণজ্যোতি গগৈয়ে এই সাক্ষাতৰ সময়ত ৰাহুল গান্ধীৰ সৈতে মিত্ৰতা সন্দৰ্ভত কোনো আলোচনা হোৱা নাই বুলি উল্লেখ কৰে। অজাপৰ প্ৰতিনিধি দলটোৱে অসম চুক্তি ৰূপায়ন, বিদেশী বহিষ্কৰণ, অসমীয়াৰ সাংবিধানিক ৰক্ষাকৱচৰ ওপৰত ৰাহুল গান্ধীৰ সৈতে আলোচনা কৰে। বিদেশী বহিস্কৰণৰ ক্ষেত্ৰত বিজেপি চৰকাৰে প্ৰতাৰণা কৰা বুলি অসম জাতীয় পৰিষদে পুনৰ অভিযোগ কৰে আৰু এই বিষয়ে সংসদত উত্থাপন কৰাৰ বাবে ৰাহুল গান্ধীক আহ্বান জনায়। অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়নেৰে খিলঞ্জীয়াৰ সাংবিধানিক ৰক্ষাকৱচ প্ৰদানৰ বিষয়তো বিৰোধী দলপতিগৰাকীৰ সৈতে আলোচনা কৰে অজাপৰ প্ৰতিনিধি দলটোৱে। এই বৈঠকত গৌৰৱ গগৈৰ লগতে কংগ্ৰেছৰ আন দুগৰাকী সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনো উপস্থিত থাকে। ইফালে সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত মিত্ৰতা সন্দৰ্ভত লুৰীণজ্যোতি মন্তব্যই এক বিশেষ মন্তব্য কৰে। এয়া জাতিৰ বাবে সংকটৰ সময় আৰু বিজেপিক পৰাজিত কৰাৰ স্বাৰ্থত কথা কওঁতে সংযম ৰক্ষা কৰা উচিত বুলি মন্তব্য কৰে লুৰীণজ্যোতি গগৈয়ে। প্ৰত্যক্ষভাৱে নাম উল্লেখ নকৰিলেও লুৰীণজ্যোতি গগৈয়ে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈলৈ এই আহ্বান জনায়। ইফালে অজাপ নেতা জগদীশ ভূএগ্ৰায়ো অখিল গগৈ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা বিৰত থাকে।

## নাগৰিকত্বৰ প্ৰমাণ নহয়

"আধাৰ কাৰ্ড কেৱল পৰিচয় পত্ৰ, ই নাগৰিকত্বৰ প্ৰমাণ নহয়।" এই ৰায় বিহাৰত চলি থকা বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সন্দৰ্ভত দিয়া হৈছে, য'ত নিৰ্বাচন আয়োগে আধাৰ কাৰ্ডক নাগৰিকত্ব প্ৰমাণ হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। প্ৰসংগক্ৰমে, বিহাৰৰ বিশেষ পুনৰীক্ষণত নাগৰিকত্ব প্ৰমাণ কৰিবলৈ নিৰ্বাচন আয়োগে ১১খন নথিৰ তালিকা প্ৰস্তুত কৰিছে, য'ত আধাৰ কাৰ্ড অন্তৰ্ভুক্ত নহয়। এই সিদ্ধান্তে বহু প্ৰান্তীয় আৰু দুখীয়া ভোটাৰক সমস্যাত পেলাইছে, কিয়নো তেওঁলোকৰ হাতত এই ১১খন নথিৰ কোনোখনেই নাথাকে। উচ্চতম ন্যায়ালয়ে ইয়াৰ আগতে আয়োগক আধাৰ কাৰ্ড, ভোটাৰ কাৰ্ড আৰু ৰেচন কাৰ্ডক নাগৰিকত্ব প্ৰমাণ হিচাপে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল যদিও, বৰ্তমানৰ ৰায়ত আয়োগৰ সিদ্ধান্তক সমৰ্থন কৰা হৈছে। এই সিদ্ধান্তে এখন গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে: যদি আধাৰ কাৰ্ড আৰু ভোটাৰ কাৰ্ড নাগৰিকত্বৰ প্ৰমাণ নহয়, তেন্তে ভাৰতীয় নাগৰিকৰ প্ৰাথমিক পৰিচয় পত্ৰ কি? আনহাতে, ৰাজ্যিক চৰকাৰে ৰেচন কাৰ্ডৰ সৈতে আধাৰ কাৰ্ড সংযুক্ত কৰাটো বাধ্যতামূলক কৰিছে, যিটো এতিয়া নাগৰিকত্বৰ প্ৰমাণ হিচাপে স্বীকৃত নহয়। বিশেষজ্ঞসকলৰ মতে, কেন্দ্ৰীয় চৰকাৰে এই বিভ্ৰান্তিময় পৰিস্থিতিৰ স্পষ্ট সমাধান আগবঢ়োৱা নাই, যাৰ ফলত সাধাৰণ নাগৰিক বিশেষকৈ দৰিদ্ৰ আৰু প্ৰান্তীয় শ্ৰেণীৰ লোকসকল সমস্যাগ্ৰস্ত হৈ পৰিছে। এই সিদ্ধান্তে ভৱিষ্যতৰ নাগৰিকত্ব সংক্ৰান্তিয় বিতৰ্কত নতুন মাত্ৰা যোগ কৰিছে, য'ত নাগৰিকত্বৰ প্ৰমাণপত্ৰৰ স্পষ্ট সংজ্ঞা আৰু প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা উন্মোচিত হৈছে।

## ২০১২ৰ গোষ্ঠী সংঘৰ্ষৰ

জয়নউদ্দিন শেখ, আব্দুল খালেক, নবী হুছেইন, মঃ হাবিজুৰ আৰু ওচমান আলীক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ আদেশ দিয়ে। উল্লেখযোগ্য যে এই ঘটনাত ৭-৮জন অস্ত্ৰধাৰীৰ দলে ৰত্নেশ্বৰ বসুমতাৰীক নিৰ্মমভাৱে হত্যা কৰিছিল, য'ত এই পাঁচজন মুখ্য ভূমিকা পালন কৰাৰ প্ৰমাণ পোৱা গৈছিল। ঘটনাটোৰ প্ৰেক্ষাপটত উল্লেখ কৰা হৈছে যে ২০১২ চনৰ উত্তাল সাম্প্ৰদায়িক পৰিস্থিতিত হাশ্ৰাওবাৰীত সংঘটিত এই হত্যাকাণ্ডে অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছিল। চি বি আইৰ তদন্তত প্ৰকাশ পৰা মতে, অস্ত্ৰধাৰী দলটোৱে ৰত্নেশ্বৰ বসুমতাৰীক লক্ষ্য কৰি প্ৰাণঘাতী আক্ৰমণ চলাইছিল। দোষীসকলৰ ভিতৰত এজন বৰ্তমান পলাতক অৱস্থাত আছে, আনহাতে আন এজনৰ জেলত মৃত্যু হোৱাৰ বাবে তেওঁক এই ৰায়ৰ আওতাৰ বাহিৰে ৰখা হৈছে। আদালতৰ ৰায়ে ন্যায়ৰ প্ৰতি স্থানীয় সম্প্ৰদায়ৰ আস্থা অটুট ৰখাৰ লগতে গোষ্ঠীগত হিংসাৰ বাবে কঠোৰ শাস্তিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰায়দানৰ সময়ত আদালতে এই ঘটনাক "সমাজবিৰোধী আৰু নিৰীহ নাগৰিকৰ জীৱনলৈ হস্তক্ষেপ" বুলি অভিহিত কৰি শাস্তিৰ দৃষ্টান্তমূলক প্ৰকৃতিৰ ওপৰত জোৰ দিছে। চি বি আইৰ বিশেষ আদালতৰ এই সিদ্ধান্তই ১৩ বছৰীয়া আইনী যুঁজৰ সমাপ্তি টানিছে, যিটো তদন্তৰ পৰা ৰায়লৈকে বিস্তৃত আছিল। ইফালে, স্থানীয় বাসিন্দা আৰু ৰত্নেশ্বৰ বসুমতাৰীৰ পৰিয়ালে ৰায়ক ন্যায়ৰ বিজয় বুলি স্বাগতম জনাইছে। এই সিদ্ধান্তে ভৱিষ্যতত এনে হিংসাত্মক ঘটনা পুনৰাবৃত্তি ৰোধ কৰিব বুলি আশা প্ৰকাশ কৰিছে। আদালতৰ ৰায়ৰ আনুষ্ঠানিক কপি আগন্তুক দিনত প্ৰকাশ কৰা হ'ব, য'ত দোষীসকলৰ বিৰুদ্ধে আনুষংগিক জৰিমনা আৰু আইনী ব্যৱস্থাৰ বিৱৰণো সন্নিবিষ্ট হ'ব।

## হোজাইত আৰক্ষীৰ ওপৰত

জনতাই তদন্তৰত আৰক্ষী দলৰ ওপৰত আক্ৰমণ চলাইছে। ঘটনাস্থলীত আৰক্ষীৰ ৬খন বাহন আৰু মটৰচাইকেল ভাঙি পেলোৱাৰ লগতে এগৰাকী সাংবাদিক আৰু কেইবাজনো আৰক্ষী বিষয়া আহত হোৱা বুলি জিলা আৰক্ষী অধীক্ষক সৌৰভ গুপ্তাই নিশ্চিত কৰিছে। প্ৰাথমিক ভাৱে জানিব পৰা গৈছে যে কোনো এক ঘটনাৰ তদন্তৰ বাবে আৰক্ষী দল দীঘলবালিত উপস্থিত হোৱাৰ সময়তে স্থানীয় লোকৰ সৈতে তৰ্কৰ পৰা পৰিস্থিতি অৱনতি হৈ উত্তেজিত জনতাই আৰক্ষীৰ বাহনসমূহ লক্ষ্য কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে শূন্যলৈ গুলী চলাবলগীয়া হৈছিল আৰু অৰ্ধসামৰিক বাহিনীৰ দল ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হৈছিল। ঘটনাৰ সময়ত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা এগৰাকী সাংবাদিকৰ দুচকীয়া বাহনও দুৰ্ভাগ্যজনকভাৱে ক্ষতিগ্ৰস্ত হোৱা বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। জিলা আৰক্ষীৰ মতে, অধিক সংখ্যক নিৰাপত্তা বাহিনী মোতায়েন কৰাৰ পিছত পৰিস্থিতি কিছু পৰিমাণে শান্ত হয়, যদিও অঞ্চলটোত এতিয়াও উত্তেজনাৰ পৰিৱেশ বিৰাজ কৰিছে। আহতসকলক চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হৈছে আৰু ঘটনাৰ কাৰণ আৰু দায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ কথা আৰক্ষী বিষয়াই ঘোষণা কৰিছে। এই ঘটনাই স্থানীয় স্তৰত আইন-শৃংখলাৰ পৰিস্থিতিৰ প্ৰতি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে, য'ত আৰক্ষী আৰু সাধাৰণ নাগৰিকৰ মাজত সম্পৰ্কৰ উন্নতিৰ বাবে জৰুৰীভাৱে পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিছে। ঘটনাৰ তদন্ত চলি থকাৰ লগতে অঞ্চলটোত বৰ্তমান কঠোৰ নিৰাপত্তা বলয় গঠন কৰা হৈছে।

## অসম বিষয়ত কোনোধৰণৰ

স্বত: স্ফূৰ্তভাৱে আৰু সৰ্বাত্মকৰূপেৰে দেশৰ স্বাধীনতা দিৱস উদযাপন কৰিবলৈ অসমবাসীৰ প্ৰতি আহ্বান জনাইছে হিন্দু সুৰক্ষা সেনা, অসমে। আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে উক্ত আহ্বান জনাই সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কাঞ্চন নাথ আৰু সাধাৰণ সম্পাদক আকাশ শইকীয়া কয় যে - প্ৰতিবছৰৰ দৰে এইবাৰো স্বাধীনতা দিৱস বৰ্জনৰ লগতে ১৫ আগষ্টত অসম বন্ধৰ আহ্বান জনাই আলফা(স্বাধীন)ই যি বিবৃতি জাৰি কৰিছে, সেই বিবৃতিত পুৰণি, অৰ্থহীন কথা বিলাকৰে পুনৰাবৃত্তি কৰি থকা হৈছে। শব্দ আৰু ভাষাৰ কাৰচাজিৰে এই একেখিনি কথা কৈ কৈয়েই পৰেশ বৰুৱাহঁতে বিগত বছৰবোৰত তথাকথিত স্বাধীনতাৰ সপোন দেখুৱাই শ শ থলগিৰি লোকক মৃত্যুৰ মুখলৈ থেলি দিলে বুলি অভিযোগ উত্থাপন কৰি নাথ আৰু শইকীয়াই কয় যে পৰেশ বৰুৱাৰ নিচিনা চীন আৰু বাংলাদেশৰ গোলাম এজনে বা আলফা(স্বাধীন)ৰ নিচিনা বিদেশী ৰাষ্ট্ৰৰ গোলাম সংগঠন এটাই অসমক কাৰোবাৰ গোলাম বুলি কোৱাটো বা তথাকথিত স্বাধীনতাৰ বাবে সংগ্ৰাম কৰা বুলি কোৱাটোৱেই এক চূড়ান্ত হাস্যকৰ ঘটনা। অসমৰ ৰাইজে পৰেশ বৰুৱাহঁতৰ ভণ্ডামী ভালদৰেই বুজি পাইছে বুলি মন্তব্য কৰে। লগতে বিবৃতিটোত সেনাৰ কেন্দ্ৰীয় সম্পাদক মিঠুন দাসে কয় যে, ৰাজ্যৰ থলগিৰি জনতাই এতিয়া নিজৰ প্ৰকৃত শত্ৰু কোন সেয়াও স্পষ্ট ৰূপত বুজি উঠিছে আৰু সেই শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ আৰম্ভ কৰিছে। একেটা বিবৃতিতে তেওঁলোকে পৰেশ বৰুৱাক ইছলামিক সম্প্ৰসাৰণবাদী চক্ৰৰ দালাল বুলি অভিহিত কৰি ভৱিষ্যতে অসম বিষয়ত কোনোধৰণৰ মাত নামাতিবলৈকো আলফা(স্বাধীন)ক সঁকিয়াই দিয়ে। সেনাৰ নেতা দুগৰাকীয়ে কয় যে- পৰেশ বৰুৱা আৰু তেওঁৰ দস্যু বাহিনীটো এতিয়া অসমৰ জনজীৱনত একেবাৰেই অপ্ৰাসংগিক।

## নগাঁৱৰ ঢাকাপট্টিৰ

নিৰ্দেশ দিয়ে। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই মঙলবাৰে এক সংবাদমেলত ঘোষণা কৰে যে ঢাকাপট্টিৰ নাম সলনি কৰা হৈছে। এলেকাটোৰ দুটা ভাগত বিভক্ত কৰি নামকৰণ কৰা হৈছে- ৰূপকোঁৱৰ চ'ক: ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মূৰ্তিৰ পৰা আৰ ডি এন ছন্সলৈকে আৰু বৰবজাৰ: ছায়াৰ ষ্ট'ৰ চাৰিআলিৰ পৰা বৰবজাৰ সীমান্তলৈকে। এই অঞ্চলৰ নাম "ঢাকাপট্টি" হোৱাৰ কাৰণ হ'ল স্বাধীনতাৰ পূৰ্বে বাংলাদেশৰ ঢাকাৰ পৰা অহা ব্যৱসায়ীয়ে ইয়াত কাপোৰৰ দোকান স্থাপন কৰিছিল। ১৯০৭ চনৰ পৰা আগৰৱালা পৰিয়ালৰ দৰে পৰিয়ালে ইয়াত কাপোৰৰ ব্যৱসায় কৰি আহিছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে ইয়াক "ঢাকাৰ লোকে গঢ়া এলেকা" বুলি উল্লেখ কৰে আৰু মোল্লাপট্টি, খ্ৰীষ্টানপট্টি আদিৰ নামো সলনি কৰাৰ দাবী জনায়। নতুন নামকৰণক নগাঁৱৰ ৰাইজে স্বাগতম জনাইছে, বিশেষকৈ স্থানীয় ব্যৱসায়ী আৰু সাংস্কৃতিক কৰ্মীয়ে ইয়াক অসমীয়া ঐতিহ্যৰ সৈতে সংযুক্ত কৰা বুলি গণ্য কৰিছে।

## উন্নয়ন আৰু প্ৰত্যাহবান

দিয়া যায়। গাঁও সভা উন্নয়নৰ কঁঠীয়াতলী হ'ব পাৰে। ক্ষমতাৰ উপযুক্ত বিকেন্দ্ৰীকৰণ ত্বৰান্বিত কৰাৰ সুযোগ পঞ্চায়ত ব্যৱস্থাত আছে। সকলো স্তৰৰ জন প্ৰতিনিধি তথা চৰকাৰী বিষয়াৰ সদিচ্ছা আৰু উপযুক্তভাৱে গাঁও সভা, ৱাৰ্ড সভাসমূহ পৰিচালিত হ'লেহে প্ৰকৃত উন্নয়ন সম্ভৱ। পঞ্চায়ত ব্যৱস্থাত ৰাইজৰ পূৰ্ণ অংশগ্ৰহণ নিশ্চিত হ'লেহে তৃণমূল পৰ্য্যায়ত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব। প্ৰকৃত গণতন্ত্ৰৰ প্ৰাসংগিকতা আজিও নাইকিয়া হোৱা নাই।

পঞ্চায়ত ব্যৱস্থাই সামাজিক ন্যায়, দৰিদ্ৰতা নিৰ্মূলকৰণ, সু-পৰিকল্পনা প্ৰস্তুত আদি বিষয়ত পঞ্চায়তক তৃণমূল পৰ্য্যায়ৰ উন্নয়নমূলক কাম-কাজৰ সুযোগ দিছে। কিন্তু একাংশ বিষয়া আৰু জন প্ৰতিনিধিয়ে লাভালাভৰ কথাত উন্নয়নৰ কামত ৰাইজক জড়িত কৰিব নিবিচাৰে। বৰ্তমানৰ নিৰ্বাচিত প্ৰতিনিধিসকলে পঞ্চায়ত ব্যৱস্থা সফল হোৱাৰ স্বাৰ্থত সদিচ্ছা দেখুওৱাবনে? ৰাইজক জড়িত কৰি ল'বনে ? ৰাইজে এইক্ষেত্ৰত দৃষ্টি আৰোপ কৰিবনে? চাপৰিলে মেঘ নেৰায়।

বৰ্তমান সময়ত 'পথ উন্নয়ন' গ্ৰাম্য উন্নয়নৰ এক অতিকৈ গুৰুত্বপূৰ্ণ দিশ। কিন্তু ইয়াৰ বাবে যি পৰিকল্পনাৰ প্ৰতিবেদন (ডি পি আৰ) প্ৰস্তুত কৰিব লাগে, সেই প্ৰতিবেদন চৰজমিন তদন্ত কৰি প্ৰস্তুত কৰা নহ'য়। ঘৰত বহিয়েই প্ৰস্তুত কৰা হ'য়। সেয়েহে প্ৰতিবেদনত নাথাকে পানী নিষ্কাষণৰ কথা ফলত স্বচ্ছ (Transparent) নহ'য় এনে প্ৰতিবেদন। প্ৰতিবেদনত থকা নিৰ্দেশসমূহৰ উপযুক্ত প্ৰয়োগ নোহোৱাৰ ফলস্বৰূপে বাস্তৱত দেখা যায় যে ৰাস্তাটো ঠেক হয়, পানী ওলাই নাযায় ইত্যাদি ত্ৰুটিবোৰ ৰৈ যায়। গাঁও অঞ্চলৰ পথসমূহৰ সঠিকভাৱে উন্নয়ন হ'লেহে যোগাযোগ ব্যৱস্থা ভাল হোৱাৰ লগতে আন কিছুমান দিশৰ স্বতঃস্ফূত বিকাশ হয়। উদাহৰণ স্বৰূপে ব্যৱসায়-বাণিজ্যৰ দিশত ৰাইজ আগ্ৰহী হৈ উঠিব, ইঠাই-সিঠাইলৈ গাঁৱৰ উৎপাদিত সামগ্ৰীসমূহ নিয়া আৰু বিক্ৰী কৰা সহজসাধ্য হৈ পৰিব। এনেবোৰ কথাৰ প্ৰতি জন প্ৰতিনিধি আৰু পঞ্চায়তসমূহে চকু দিয়াৰ সময় সমাগত।

উন্নয়নৰ আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে ডিজিটেল পদ্ধতি বা ব্যৱস্থা। ডিজিটেল যুগত এনে উন্নয়ন সঠিক হ'বই লাগিব। এনে ব্যৱস্থা সহজলভ্য হ'লেহে যোগাযোগৰ সঠিক উন্নয়ন হ'ব। এনেবোৰ দিশৰ উন্নয়নৰ বাবে বহুকেইটা বিভাগে একেলগে কাম কৰিব লাগিব। লগতে পঞ্চায়তৰ সদস্য, সভাপতি, কাউন্সিলাৰ, জিলা পৰিষদৰ সদস্য, সমজিলা প্ৰশাসন, জিলা প্ৰশাসনেও একেলগে আন্তৰিকতাৰে কাম কৰিব লাগিব। ইয়াত অৱশ্যে সাংসদ-বিধায়কৰ ভূমিকা আৰু সদিচ্ছাৰ কথাটোও জড়িত হৈ আছে।

পঞ্চায়ত ব্যৱস্থাই কৃষিখণ্ডটো গুৰুত্ব দিব লাগিব। কৃষি ক্ষেত্ৰখন কিদৰে উন্নত কৰিব পাৰি তাৰ চিন্তা-চৰ্চা কৰাৰ লগতে যত্ন কৰিব লাগিব। পঞ্চায়তত সভা অনুষ্ঠিত কৰি কৃষিখণ্ডক আগুৱাই নিয়াৰ ক্ষেত্ৰত উপযুক্ত সিদ্ধান্ত ল'ব লাগিব। ইতিহাসে কয় - যি ঠাই খাদ্য-শস্যত চহকী, সেই ঠাইয়ে প্ৰতিষ্ঠা লাভ কৰে। সেই গাঁও বা জিলাখনে প্ৰতিষ্ঠা পায়। ৭০-৮০ ৰ দশকত কৃষি ক্ষেত্ৰত গুৰুত্ব আছিল। মানুহৰ হাতত টকা-পইচা কম আছিল। চাকৰিয়ালো কম আছিল। সেয়েহে খাদ্য-শস্য উৎপাদনত গুৰুত্ব দিছিল। সেই সময়ত যিসকল উপাৰ্জনকাৰী লোক আছিল তেওঁলোকে খেতি মাটি ক্ৰয় কৰিবলৈ যত্ন কৰিছিল আৰু ইয়াৰ পৰা লাভান্বিতও হৈছিল। কিন্তু এতিয়া সেই মাটি ছন পৰি ৰৈছে। পানীৰ অভাৱ, খেতি কৰোঁতাৰ অভাৱ। ডেকা-ডেকেৰীসকল চাকৰিৰ বাবে বাহিৰলৈ গ'ল। ঘৰৰ খেতি কৰিবলৈ, চাবলৈ মানুহ নাইকিয়া হল। চৰকাৰে প্ৰদান কৰা বিভিন্ন হিতাধিকাৰীমূলক আঁচনিয়ে মানুহৰ মন-মগজু এলেহুৱা কৰিলে। আজিৰ প্ৰজন্মই এই বিষয়টোত গুৰুত্ব দিব লাগে। নিজেই বনুৱা হওক, কেৱল চৰকাৰী ব্যৱস্থাই নিৰনুৱাক বনুৱা সজাব নোৱাৰে। পঞ্চায়ত ব্যৱস্থাই বিষয়টোত গুৰুত্ব দিব লাগে। ৰাজ্য চৰকাৰখনেও এইক্ষেত্ৰত গুৰুত্ব দিয়ক। জন প্ৰতিনিধিসকলে এই বিষয়ত মনোযোগ দিলে স্থানীয় চৰকাৰ-প্ৰশাসন সফল হ'ব, গান্ধীজীৰ সপোন বাস্তৱায়িত হ'ব।

*অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক আৰু উপাধ্যক্ষ*
*ডুমডুমা মহাবিদ্যালয়*

## ৮খন চহৰত ১৪

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যুটীয়া উদ্যোগত আয়োজিত হৈছে। এইবাৰৰ গ্ৰন্থমেলা ৰাজ্যৰ মুঠ আঠখন চহৰত অনুষ্ঠিত হ'ব, য'ত গুৱাহাটীৰ মূল মেলাৰ উপৰিও বঙাইগাঁৱত ২২ৰ পৰা ২৯ অক্টোবৰলৈ, লক্ষ্মীমপুৰত ১ৰ পৰা ১০ নৱেম্বৰলৈ, নলবাৰীত ৬ৰ পৰা ১৭ নৱেম্বৰলৈ, যোৰহাটত ১৪ৰ পৰা ২৬ নৱেম্বৰলৈ, তিনিচুকীয়াত ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ, শিলচৰত ১ৰ পৰা ১০ ডিচেম্বৰলৈ, আৰু মঙলদৈত ১২ৰ পৰা ১৮ ডিচেম্বৰলৈ আঞ্চলিক গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই মঙলবাৰে অনুষ্ঠিত এক সংবাদমেলত এই তথ্য নিশ্চিত কৰি কয় যে চৰকাৰে 'গ্ৰন্থবৰ্ষ' উপলক্ষে কৰ্মচাৰীসকলক প্ৰদান কৰা ধনেৰে গ্ৰন্থমেলাত কিতাপ ক্ৰয় কৰিবলৈ উৎসাহিত কৰা হ'ব, যাৰ জৰিয়তে প্ৰকাশন উদ্যোগক সহায় কৰাৰ লগতে পাঠকৰ সংখ্যা বৃদ্ধিৰো লক্ষ্য ৰখা হৈছে। এই বাৰ্ষিক অনুষ্ঠানে অসমৰ সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ লগতে নতুন লেখক-পাঠকৰ মাজত সেতুবন্ধন গঢ়ি তোলাৰ সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

## মাজুলী জিলা আপকুৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১২ আগষ্ট ঃ** মাজুলী জিলা আপকুৰ নৱ নিৰ্বাচিত সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি উত্তৰ কমলাবাৰী সত্ৰৰ অতিথি শালাত অনুষ্ঠিত হয়। দিনৰ ২ বজাৰ পৰা সন্থাৰ সাধাৰণ সম্পাদক তীৰ্থ ভূএগ্ৰাই আঁত ধৰা কাৰ্যনিৰ্বাহক সভাখনত সভাপতিত্ব কৰে ৰঞ্জন বৰাই। সভাত সন্থাৰ অৰ্ধনিৰ্মিত হৈ থকা কাৰ্যালয়টি কম দিনতে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে সভাই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত মাজুলী জিলা আপকুৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে ল'ব লগা পদক্ষেপ সন্দৰ্ভতো জ্যেষ্ঠ সাংবাদিক ক্ৰমে জ্যোতিষ কুমাৰ তামোলী, ভাস্কৰ বৰা, পৰাণজ্যোতি বৰা, উৎপল বৰা, ৰূপজ্যোতি বৰা, যদুমনি শইকীয়াকে আদি কৰি কেইবাজনো সদস্যই বক্তব্য প্ৰদান কৰে। আনহাতে সন্থাই সাংবাদিকতাৰ সমান্তৰালকৈ সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰাৰ পোষকতা কৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে।

## কাছমাৰীৰ সৰবৰহী ব্যক্তি গিৰিন্দ্ৰ ডেকাৰ বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ১২ আগষ্ট ঃ** নগাঁও জিলাৰ কাছমাৰীৰ টকৌবাৰীৰ সৰবৰহী ব্যক্তি তথা সমাজকৰ্মী গিৰিন্দ্ৰ ডেকা(৬২)ৰ শনিবাৰে বিয়লি প্ৰায় তিনি বজাত বিয়োগ ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা ডেকাৰ বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজত অগ্ৰনী ভূমিকা পালন কৰা ডেকাই মৃত্যুৰ সময়লৈকে সামাজিক ক্ষেত্ৰখনত সক্ৰিয় ভাৱে জড়িত হৈ আছিল। টকৌবাৰী আঞ্চলিক ৰাস উৎসৱ উদযাপন সমিতিৰ প্ৰাক্তন সম্পাদক, টকৌবাৰী আঞ্চলিক ভাগৱত পাঠ উদযাপন সমিতিৰ প্ৰাক্তন সম্পাদক তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ আইলক্ষ্মী আঞ্চলিকৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক ডেকাৰ বিয়োগত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি পৰিয়ালৰ প্ৰতি গভীৰ শোক বেদনা প্ৰকাশ কৰিছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ পুত্ৰ আৰু কন্যা সহ বহু আত্মীয় স্বজন ইহ সংসাৰত এৰি থৈ গৈছে।

## চেঙাত বাঘমাৰা চৰ আঞ্চলিক অগপৰ উদ্যোগত কৰ্মী সভা ও সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, শিমলীতোলা, ১২ আগষ্ট ঃ** সমাগত ২০২৬ ৰ বিধান সভা নিৰ্বাচন। ৰাজ্যত বিধান সভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মী সকলে কঁকালত টঙালি বান্ধি নিৰ্বাচনৰ বাবে সাজু হোৱা পৰিলক্ষিত হৈছে। পিছ পৰি থকা নাই অগপ দলে। আজি চেঙাৰ বাঘমাৰা চৰ আঞ্চলিক অগপৰ উদ্যোগত কৰ্মী সভা ও সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। চেঙা বিধান পৰিষদৰ উপ-সভাপতি শুকুৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত চেঙা বিধান পৰিষদৰ সাধাৰণ সম্পাদক শ্বেখ ৰহিজুদ্দিন আহমেদে উদ্দেশ্যে ব্যাখ্যা কৰে। উক্ত সভাত উপস্থিত থাকে বৰপেটা সদৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰপেটা জিলাৰ সমিতিৰ সভাপতি গুণিন দাস, কৃষক পৰিষদ বৰপেটা জিলা সমিতিৰ সভাপতি শ্ৰীযুত অশোক বৰা, বিশিষ্ট সমাজ কৰ্মী তথা আগন্তুক ২০২৬ত চেঙা সমষ্টিৰ টিকট প্ৰত্যাশি আব্দুল ৰহমান, চেঙা বিধান পৰিষদৰ উপ-সভাপতি মনিৰ সিকদাৰ, চেঙা বিধান পৰিষদ অগপৰ সদস্য পানীৰাম বসুমতাৰী উপৰিও অসম গণ পৰিষদ দলৰ বিভিন্ন পৰ্যায়ৰ গণ্য মান্য নেতা কৰ্মীয়ে উক্ত অনুষ্ঠানত উপস্থিত থাকে। সভাত উপস্থিত থকা অতিথি সকলে আগন্তুক ২০২৬ৰ নিৰ্বাচনত চেঙা বিধান সভা সমষ্টিত অসম গণ পৰিষদৰ ভেটি শক্তিশালী কৰাৰ বাবে আজিৰ এই কৰ্মী সভাৰ জৰিয়তে দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলক আহ্বান জনায়। বৰ্তমান অসমত হোৱা উচ্ছেদক ন্যায় বুলি গণ্য কৰা নাই আৰু এই উচ্ছেদৰ বাবে ভাৰত স্বাধীনৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে সংখ্যালঘুৰ বুকুৰ আপোন বুলি ভৰা কংগ্ৰেছ দলেই দীৰ্ঘদিন শাসনৰ গাদিত আছিল যদিও সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ এইবোৰ মৌলিক সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰা নাই। অসম গণ পৰিষদ দল ধৰ্ম নিৰপেক্ষ এখন আঞ্চলিক ৰাজনৈতিক দল বুলি উল্লেখ কৰি অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মানুহৰ বাবে অসম গণ পৰিষদ দলে সদায় সম উন্নয়নৰ বাবে কাম কৰি আহিছে। ইমান দিনে চেঙা সমষ্টিত চৰকাৰী পক্ষৰ নিৰ্বাচিত প্ৰতিনিধি নথকাৰ বাবে চেঙা সমষ্টিৰ বিভিন্ন চৰ অঞ্চলৰ গৰাহখহনীয়া, জলজলী নদীৰ ওপৰত দলং ইত্যাদি মূল সমস্যাৰ কোনো সমাধান হোৱা নাই গতিকে এনেবোৰ সমাস্যা সমাধান কৰিবলৈ হলে চৰকাৰৰ অংশীদাৰ ৰাজনৈতিক দল অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী নিৰ্বাচিত কৰিব পাৰিলেহে প্ৰত্যক্ষ যোগাযোগৰ জৰিয়তে সমাধান কৰা সহজ হ'ব বুলি মত পোষণ কৰে। চেঙা সমষ্টিত ইমান দিনে কেৱল ধৰ্মীয় মেৰুকৰনৰ ৰাজনীতি কৰি কংগ্ৰেছ দলে সংখ্যালঘু ভোটাৰক মাত্ৰ ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে বুলি ভয়ংকৰ অভিযোগ উত্থাপন কৰি কয় যে চেঙা সমষ্টিৰ সৰ্বাংগীণ উন্নয়নৰ বাবে অসম গণ পৰিষদ দলৰ ওপৰত আস্থা আৰু বিশ্বাস ৰাখি আগন্তুক পঞ্চায়ত নিৰ্বাচনত আৰু ২০২৬ ৰ বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদৰ প্ৰাৰ্থীক জয়যুক্ত কৰিবলৈ আহ্বান জনায় দলৰ নেতৃবৰ্গই। লগতে তেওঁলোকে সভাত অংশগ্ৰহণ কৰা পুৰুষ-মহিলা সমন্বিতে নেতা-কৰ্মী সকলক দলৰ সাংগঠনিক কামত ওতপ্ৰোতভাৱে জড়িত হৈ অগপৰ ভেটি শক্তিশালী কৰিবলৈ আহ্বান জনায়।

### জব্দ বিলাতী সুৰা, চুলাই মদ আৰু স্কুটী

## ৰূপহীহাটৰ কাঞ্চনপুৰত ৰাইজৰ ৰোষত মদ বেপাৰী

**অসম বাৰ্তা, ৰূপহীহাট, ১২ আগষ্ট ঃ** ৰূপহীহাটৰ কাঞ্চনপুৰত আজি আবেলি ৰাইজৰ ৰোষত পৰে এটা মদ বেপাৰী। এএছ-০২-এআৰ-৭৩০১ নম্বৰৰ স্কুটিৰে ৰাতুল ৰয় নামৰ এজন মদ বেপাৰীয়ে মদ লৈ গৈ আছিল। সেই সময়ত কাঞ্চনপুৰ গাঁৱৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজে মদ বেপাৰীটোক আটক কৰে। ৰাইজে মদ বেপাৰীৰ স্কুটীৰ পৰা দুই কাৰ্টুন বিলাতী সুৰা আৰু ১০ টাকৈ চুলাই মদৰ পেকেট জব্দ কৰি ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ মদ বেপাৰীক আটক কৰাৰ লগতে জব্দ কৰে স্কুটী আৰু মদখিনি। উল্লেখ্য যে ৰাতুল ৰয়ে দীৰ্ঘদিন ধৰি বিলাতী সুৰা আৰু চুলাই মদৰ ৰমৰমীয়া চলাই আহিছিল। ৰূপহীহাট আৰক্ষীয়ে ধৃত ৰাতুল ৰয়ক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## নৱনিৰ্বাচিত পঞ্চায়ত কমিটিৰ কাৰ্য্যভাৰ গ্ৰহণ

# ৬৫ নং লাৰকুছি-কাপলাবড়ী গাঁও পঞ্চায়তৰ কাৰ্যালয় উদ্বোধন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১২ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত লাৰকুছিত আজি ৬৫ নং লাৰকুছি-কাপলাবড়ী গাঁও পঞ্চায়তৰ নৱনিৰ্মিত কাৰ্যালয় গৃহটিৰ শুভ উদ্বোধন কৰাৰ লগতে নৱ নিৰ্বাচিত পঞ্চায়ত কমিটিৰ কাৰ্য্যভাৰ গ্ৰহণ অনুষ্ঠানটি সুকলমে অনুষ্ঠিত হয়। সমাজকৰ্মী আব্দুল হালিম আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যালয় উদ্বোধন আৰু নৱ নিৰ্বাচিত পঞ্চায়ত কমিটিৰ কাৰ্য্যভাৰ গ্ৰহণ অনুষ্ঠানটিত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মনে ফিতা কাটি আৰু নাৰিকল ভাঙি মাংগলিক নিয়মেৰে কাৰ্যালয় গৃহটোৰ শুভ উদ্বোধন কৰে। সমাজকৰ্মী ছাহজাহান আলীয়ে আত ধৰা অনুষ্ঠানটিত নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গিতুমণি বৈশ্য, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ



সভাপতি প্ৰীতম গোস্বামী, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, সম্পাদক মিণ্টু দত্ত, নৱ নিৰ্বাচিত সভাপতি নাচিৰুদ্দিন আহমেদ,উপ-সভানেত্ৰী চাহেৰা খাতুন,আঞ্চলিক সদস্যা ৰৌচানাৰা বেগম, নৱ নিৰ্বাচিত ৱাৰ্ড সদস্য সদস্যাৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বিশিষ্ট ব্যাক্তিসকলে অংশ গ্ৰহণ কৰে। আজিৰ সভাত ভাষণ প্ৰসঙ্গত বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মণে নৱগঠিত আটাই কেইগৰাকী প্ৰতিনিধিক শুভেচ্ছা জনোৱাৰ লগতে এই পঞ্চায়তখন বৰক্ষেত্ৰীৰ ভিতৰত প্ৰথম পৰ্যায়ত থকাৰ আশা প্ৰকাশ কৰে। লগতে সকলো সদস্যকে ৰাইজৰ লগত থাকি সভাপতিক সম্পূৰ্ণভাৱে সহযোগিতা ৰক্ষা কৰি উন্নয়ণমূলক কাম কৰাৰ আহ্বান জনায়। আনহাতে, উক্ত পঞ্চায়তখনৰ আনুষ্ঠানিক দ্বায়িত্বভাৰ গ্ৰহণ কৰিয়েই সভাপতি নাছিৰুদ্দিন আহমেদে কয় এনেদৰে, "বহুদিনীয়া ৰাজনীতি কৰি ৰাইজৰ সহযোগত আজি দ্বায়িত্ব লাভ কৰি আনন্দিত হৈছোঁ। জিলা পৰিষদ,আঞ্চলিক পঞ্চায়ত আৰু আমি গাঁও পঞ্চায়ত লগ হৈ ৰাইজৰ সহযোগত ৰাইজৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আগবাঢ়িম। যিহেতু আমাৰ চৰকাৰ আছে আমাৰ নেতা নাৰায়ণ ডেকাৰ পৰামৰ্শ অনুসৰি অনাগত দিনত উন্নয়ণমূলক কামত সুন্দৰভাৱে আগবাঢ়ি যাম। পঞ্চায়তৰ যি সু-শাসন ব্যৱস্থা তাক দিয়াৰ বাবে মই চেষ্টা কৰিম। শিক্ষা, স্বাস্থ্যকে ধৰি থকা সকলো সমস্যা সমাধানৰ চেষ্টা কৰিম। পঞ্চায়তৰাজ ব্যৱস্থাৰ কেৱল টকা লুটাৰ যি ধাৰণা পৰিত্যাগ কৰি ৰাইজক সুন্দৰ শাসন দিয়াৰ কাৰণে চেষ্টা কৰিম।" সভাত নৱ নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলক ফুলাম গামোচা, জাপি, শৰাইৰে আদৰণি জনোৱা হয়।

## জিলা আৰক্ষী অধীক্ষকৰ জৰিয়তে আৰক্ষী সঞ্চালকলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

# হোজাইত মৰেল পুলিচিঙৰ ঘটনাৰ বিৰুদ্ধে আমছুৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, মোৰাঝাৰ, ১২ আগষ্ট ঃ** হোজাই চহৰৰ যোৱা দুটা মাহৰ পৰা কিছু উদণ্ড যুৱকৰ দলে গোটেই হোজাই চহৰৰ বিভিন্ন প্ৰান্তত ইচ্ছাকৃত ভাৱে সাম্প্ৰদায়িক সংঘৰ্ষ লগোৱাৰ বাবে বিভিন্ন মুছলমান যুৱকক মৰেল পুলিচিঙৰ জৰিয়তে দলবদ্ধ শাৰীৰিক আক্ৰমণ কৰি আহিছে। যোৱা ৯ আগষ্টৰ নিশা হোজাই নতুন বজাত এগৰাকী সহকৰ্মীৰ জন্মদিন উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে একাংশ দুস্কৃতিকাৰীয়ে মুজিবুৰ ৰহমান আৰু আজিজুৰ ৰহমান নামৰ দুজন যুৱকক সাম্প্ৰদায়িক মানসিকতাৰে এদল যুৱকে দলবদ্ধ শাৰীৰিক আক্ৰমণ কৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। সম্প্ৰতি আঘাতপ্ৰাপ্ত যুৱকদ্বয় হোজাই হাম চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। এই সংক্ৰান্তত ভুক্তভোগী যুৱকদ্বয়ে হোজাই আৰক্ষী চকীত গোচৰো ৰুজু কৰাৰ লগতে এই ঘটনাৰ বিভিন্ন ভিডিঅ' ফুটেজ সামাজিক মাধ্যমত ভাইৰেল হৈছে। উল্লেখ্য যে ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে WP (C)No.754/2016 (Tehseen S. Poonawalla Vs Union of India গু ORS.) গোচৰত যোৱা ইং ১৭ জুলাই ২০১৮ তাৰিখে দিয়া ৰায়দান অনুসৰি যিকোনো ধৰণৰ দলবদ্ধ হত্যা আৰু গণ উন্মাদনাত (Lynching গু Mob Violence) প্ৰত্যক্ষ বা পৰোক্ষভাৱে অংশগ্ৰহণ কৰা অথবা জড়িত থকা ব্যক্তিসকলক আইনৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ প্ৰদান কৰিছিল। কিন্তু উচ্চতম ৰায়দানক ভৰিৰে মুহাৰি অভিযুক্ত সকলৰ বিৰুদ্ধে হোজাই আৰক্ষীয়ে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে হোজাই জিলা আমছুৱে। সমগ্ৰ ঘটনা সন্দৰ্ভত হোজাই জিলা আমছুৱে আজি এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আৰক্ষী সঞ্চালকলৈ কেবাটাও দাবীৰে স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।




# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামী পঞ্চম স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, বনগাঁও, ১২ আগষ্টঃ** মাজুলী নতুন কমলাবাৰী সত্ৰৰ পণ্ডিত-সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ পৱিত্ৰ স্মৃতি দিৱসত আজি ১১ আগষ্ট সোমবাৰে মাজুলীৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে মাজুলী জিলা সাংবাদিক সন্থাৰ সহযোগত আয়োজন কৰে এক স্মাৰক ৱেব-বক্তৃতানুষ্ঠান। বিশিষ্ট বৈষ্ণৱ পণ্ডিত গৰাকীৰ স্মৃতি দিৱসত মাজুলী মহাবিদ্যালয়ে প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা স্মাৰক বক্তৃতানুষ্ঠানৰ অংশ হিচাপে আজি আয়োজিত এই পঞ্চমটি বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে নতুন কমলাবাৰী সত্ৰৰ অধিকাৰৰ চ'ৰাত বৰ্তমানৰ সত্ৰাধিকাৰ সত্যজিৎ মহন্তই প্ৰয়াত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাৰ্ঘ্য তৰ্পণ কৰে। অনুষ্ঠানটিতে মহাবিদ্যালয়ৰ প্ৰথম গৰাকী আলোচনী সম্পাদক, বিশিষ্ট সাংবাদিক অৰুণ বৰাৰ পঞ্চম স্মৃতি দিৱস উপলক্ষে তেওঁৰ প্ৰতিও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দুলাল হাজৰিকাই আঁত ধৰা অনুষ্ঠানটি সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই। উদ্বোধনী ভাষণত শ্ৰী শইকীয়াই বৈকুণ্ঠগ্ৰামী সত্ৰাধিকাৰ গৰাকীৰ সত্ৰীয়া সংস্কৃতিৰ সম্ভাৰ সৃষ্টিৰাজি সমূহ এটি বিৱৰন উল্লেখ কৰে। মাজুলী মহাবিদ্যালয়ে আয়োজন কৰা এনে অনুষ্ঠানৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ ভূমিকাক প্ৰশংসা কৰে। সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰি 'পুৰণি অসমীয়া সাহিত্যৰ সৌন্দৰ্য-বিচাৰ'— শীৰ্ষক বক্তৃতা আগবঢ়াই আউনীআটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক আৰু মুৰব্বী ডঃ মাণিক শইকীয়াই কয়, "পুৰণি অসমীয়া সাহিত্যৰ সম্মোহনী শক্তিয়ে যেন আধুনিক অসমীয়া সাহিত্যক জীপাল কৰি ৰাখিছে।" সমল ব্যক্তি ডঃ মাণিক শইকীয়াৰ এক চমু পৰিচয় দাঙি ধৰে অসমীয়া বিভাগৰ অধ্যাপক কাৰ্তিক নাথে। জিলা সাংবাদিক সন্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্তই সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ জীৱন-কীৰ্তি সংক্ষিপ্তভাৱে আলোকপাত কৰে। সঞ্চালকৰ ভাষণত অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়, "নাৰায়ণ চন্দ্ৰ গোস্বামী আছিল এজন ক্ষণজন্মা পুৰুষ। তেওঁৰ ধীশক্তিসম্পন্ন সাহিত্য-সংস্কৃতিৰ সেৱা আৰু দূৰদৰ্শিতা ভৱিষ্যত প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব।" সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ সত্যজিৎ মহন্তই সত্ৰীয়া সংস্কৃতিক বহিৰ্দেশত প্ৰচাৰৰ ক্ষেত্ৰত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ ত্যাগী মনোভাৱৰ কথা অৱলোকন কৰে। অনুষ্ঠানটিত মধুপূৰ সত্ৰৰ ডেকাধিকাৰ মাধৱদেৱ মহন্ত, শিক্ষাবিদ কিশোৰী মোহন পাল, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ডঃ ৰাজেন বৰা, সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ডঃ ব্ৰজেন নেওগ, ডঃ ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, সুৰেন দাস, অপূৰ্বজ্যোতি হাজৰিকা, দেৱজ্যোতি খাটনিয়াৰ, ডঃ দেৱজ্যোতি ভট্টাচাৰ্য, দিব্যজ্যোতি শইকীয়া, গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যাপক ডঃ মৌচুমী বৰুৱা, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপক ডঃ বিযুৱাম নাথ, সমাজকৰ্মী জিতেন দোলাকাষৰীয়া, নয়ন নিৰ্বাণ, জগত মোহন গোস্বামী, মুনীন্দ্ৰ ভূঞা, কুশদীপ হাটীমতা প্ৰমুখ্যে শতাধিক বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। শেষত সকলোকে শলাগ জ্ঞাপন কৰে অধ্যাপিকা ডঃ জুলি গগৈয়ে।

# চুমৈমাৰী জন জাতি মধ্য ইংৰাজী বিদ্যালয়ৰ ২ অৱসৰী শিক্ষাগুৰুৰ বিদায় সম্বৰ্ধনা সভা সম্পন্ন

**অসম বাৰ্তা, বনগাঁও, ৯ আগষ্ট ঃ** মাজুলী শিক্ষাখণ্ডৰ অন্তৰ্গত বান আৰু খহনীয়া বিধস্ত জনজাতি অধ্যুষিত চুমৈমাৰী গাৱঁত অৱস্থিত চুমৈমাৰী জনজাতি মধ্য ইংৰাজী বিদ্যালয় অঞ্চলটিৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰান কেন্দ্ৰ। চলিত বৰ্ষৰ ২৮ ফেব্ৰুৱাৰীত বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী শুভ কলিতা আৰু ৩০জুনত প্ৰধান শিক্ষক প্ৰেমধৰ কুটুমে চৰকাৰী নীতি নিৰ্দ্দেশনানুসৰি চাকৰিৰ পৰা অৱসৰগ্ৰহণ কৰে। বিদ্যালয়ৰ পৰিয়ালে কাইলৈ ৯ আগষ্টত আয়োজিত এখনি ৰাজহুৱা সভাৰ যোগেদি দুই গৰাকী শিক্ষাগুৰুক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনাব। দিনযোৱাকৈ অনুষ্ঠিত হ'বলগীয়া মুকলি সভাৰ পূৰ্বে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰেমধৰ কুটুমে গছপুলি ৰোপণ, আনগৰাকী অৱসৰপ্ৰাপ্ত সহ শিক্ষয়িত্ৰী শুভ কলিতাই বন্তি প্ৰজ্বলন কৰিব। প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল চন্দ্ৰ কলিতাৰ পৌৰহিত্বত পুৱা ১১-০০বজাৰ পৰা হ'ব লগীয়া মুকলি সভাখনিত বিশিষ্ট সমাজকৰ্মী মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই উদ্বোধন ভাষণ প্ৰদান কৰিব। পতিয়া শ্ৰীমন্ত শঙ্কৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দধিৰাম বৰুৱাই নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ড° ইন্দ্ৰনীল পেগুৱে সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰিব। বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক ৰাজীৱ দলে, অৱসৰপ্ৰাপ্ত শিক্ষক ৰনজিত সেন, মহেশ্বৰ কলিতা, প্ৰধান শিক্ষক প্ৰদীপ শইকীয়া; জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ উপ সভাপতি পৱিত্ৰ বৰা আদি কৰি বহুজনে বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব।

# বিটিচিৰ ২ নং গুমা সমষ্টিত UPPLৰ বৃহৎ খহনীয়া; শতাধিক কৰ্মীৰ BPFত যোগদান

**অসম বাৰ্তা, গোসাইগাঁও, ১২ আগষ্ট ঃ** বিটিচিৰ ২ নং গুমা সমষ্টিৰ ৰাজনৈতিক পৰিৱেশত আজি এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ সূচনা দেখা গ'ল। বিটিচি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত UPPL ৰ পৰা শতাধিক কৰ্মীয়ে দলত্যাগ কৰি BPF দলত যোগদান কৰে। গুমা ব্লক যুৱ শাখাৰ সভাপতি আব্দুল মোন্নাব আহমেদৰ সভাপতিত্ব ইউ পি পি এল দলৰ গুৱাবাৰী প্ৰাইমাৰী কমিটিৰ সাধাৰণ সম্পাদক ফইনুল ইছলামক লৈ দুশৰো অধিক কাৰ্যকৰ্তা আৰু সমৰ্থকে UPPL দল এৰি BPF দলত যোগদান কৰে। দলত্যাগী কৰ্মীসকলে অভিযোগ তোলে যে দলৰ ভিতৰত শৃংখলাৰ অভাৱ, নেতৃত্বৰ অনৈক্য, আৰু তৃণমূলত জনসমস্যা সমাধানত উপেক্ষাই তেওঁলোকক এই সিদ্ধান্তলৈ বাধ্য কৰিছে। BPF ৰ নেতৃবৃন্দে সদ্য যোগদান কাৰীসকলক উষ্ম আদৰণি



জনাই কয় — "BPF ৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা, সংগঠনৰ দৃঢ়তা আৰু উন্নয়নমূলক ভৱিষ্যৎ পৰিকল্পনাই জনতাৰ পুনৰ বিশ্বাস আৰ্জন কৰিছে।" এই ধৰণৰ দলত্যাগৰ ঘটনা কেৱল ৰাজনৈতিক অস্থিৰতাৰ প্ৰতিফলন নহয়, ই আগন্তুক বিটিচি নিৰ্বাচনত দলসমূহৰ সম্ভাৱনাতো উল্লেখ-যোগ্যভাৱে প্ৰভাৱিত কৰিব। উল্লেখযোগ্য যে এই দলবদলৰ খবৰ জাৰী হোৱাৰ লগে লগে অঞ্চলজুৰি ৰাজনৈতিক উত্তাপ বৃদ্ধি পাইছে। যোগদান কাৰ্য্যসূচীত ২ নং গুমা সমষ্টিৰ প্ৰাৰ্থী এন্তাজ আলী, বিপিএফৰ গুমা ব্লকৰ সভাপতি মহেন্দ্ৰ ব্ৰহ্ম, গুৱাবাৰী প্ৰাইমাৰীৰ সভাপতি আব্দুল কৰিম আহমেদ লগতে বিপিএফৰ বিভিন্ন পৰ্য্যায়ৰ পদবীধাৰী সকল উপস্থিত থাকে।

# দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, পাথৰিঘাট, ১২ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠান সফলতাৰে সম্পন্ন হয়।পুৱা বন্তি প্ৰজ্বলন,পতাকা উত্তোলন,শ্বহীদ তৰ্পনেৰে আৰম্ভ হোৱা দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভৰেশ শৰ্মাই আঁতধৰা বিশেষ অভিনন্দন অনুষ্ঠানত সভাপতিত্ব কৰে দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধৱ চহৰীয়াই। দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নন্দেশ্বৰ বৰুৱাই উদ্বোধন কৰা গাম্ভীৰ্যপূৰ্ণ অভিনন্দন অনুষ্ঠানত সদৌ অসম ছাত্ৰসন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পৰাগ কুমাৰ চহৰীয়াই ছাত্ৰসন্থাৰ দৃষ্টিভংগী বাখ্যা কৰে।গীতে মাতে জীপাল হৈ পৰা অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ উপৰিও পশ্চিম দৰং জাতীয় বিদ্যালয়, দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়, পেৰাডাইছ ইংলিচ স্কুল, দিপীলা, নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়, নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়, এন,আৰ, ডি, এচ, জুনিয়ৰ কলেজ, দিপীলা, জ্ঞানদ্বীপ একাডেমী, দিপীলা আৰু শংকৰদেৱ শিশু নিকেতন, দিপীলাৰ ছাত্ৰ-ছাত্ৰীক সফলতাৰে কৃতকাৰ্য কৰিবলৈ সক্ষম হোৱাৰ বাবে বিদ্যালয়ৰ মুৰব্বী সকলক গামোচা, গছপুলি, মানপত্ৰৰে উষ্ম আদৰণি তথা অভিনন্দন জনায়। শিক্ষক, ছাত্ৰ-ছাত্ৰী,অভিভাৱক আৰু শিক্ষানুৰাগী ব্যক্তিৰে পৰিপূৰ্ণ অনুষ্ঠানত ছিপাঝাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ সহকাৰী অধ্যাপক সীমান্ত প্ৰকাশ বৰুৱা,নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ত্ৰৈলোক্য বৰুৱা,অৱসৰী শিক্ষক মহেন্দ্ৰ নাথ চলিহা, দৰং জিলা ছাত্ৰ সন্থাৰ সম্পাদক হৃদয় বৰুৱা, বুঢ়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মঞ্জিল বৰগোহাঁই, দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৰেশ কুমাৰ চহৰীয়া, দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা বীৰেণ কলিতাই অংশগ্ৰহণ কৰে।আনহাতে নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ জিতুল ভূঞা আৰু নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী উপসনা হাজৰীকাক জ্যোতি প্ৰসাদ নাথে আগবঢ়োৱা পিতৃ প্ৰয়াত শিক্ষক ভৰেন্দ্ৰ চন্দ্ৰ নাথ সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰে।

# গোৱালপাৰাত উদ্ধাৰ আমগুৰিৰ নিৰুদ্দিষ্ট কিশোৰী

**অসম বাৰ্তা, আমগুৰি, ১২ আগষ্ট ঃ** আমগুৰিৰ দোপদৰ কুকুৰাচোৱাৰ পৰা যোৱা ৭ আগষ্টে নিৰুদ্দেশ হৈ থকা কিশোৰী গৰাকীক অৱশেষত গোৱালপাৰাৰ লক্ষ্মীপুৰ আৰক্ষী থানাৰ এলেকাত উদ্ধাৰ কৰা হৈছে। শনিবাৰে কিশোৰীৰ পৰিয়ালে এই তথ্য সদৰী কৰে। পৰিয়ালৰ অভিযোগ অনুসৰি, বৃহস্পতিবাৰে মিলন মণ্ডল ছদ্মনামেৰে নিজকে চিনাকি দিয়া মিঞা যুৱকে প্ৰেমৰ প্ৰলোভনেৰে কিশোৰী গৰাকীক অপহৰণ কৰি লৈ যায়। এই ঘটনাই খবৰ বিয়পি পৰাৰ লগে লগে শিৱসাগৰ জিলাত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হয়। শুক্ৰবাৰে সন্ধিয়া লক্ষ্মীপুৰ আৰক্ষীয়ে কিশোৰী গৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। খবৰ পোৱাৰ পাছতে কিশোৰীৰ পৰিয়াল আৰু হালোৱাটিং থানাৰ আৰক্ষী দল গোৱালপাৰালৈ ৰওনা হয়। কিশোৰী গৰাকীৰ উদ্ধাৰৰ খবৰে সমগ্ৰ অঞ্চলত আনন্দৰ ঢৌ উঠিছে।

# ৰঙাজান ৰংদৈত বিলাসী বাহনে মহতিয়াই নিলে ছাত্ৰক

**ষ্টাফ ৰিপ'টাৰ, গোলাঘাট, ১১ আগষ্ট ঃ** গোলাঘাট জিলাৰ ৰঙাজান ৰংদৈৰ ১ নং কৈৱৰ্ত্ত গাঁৱত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত এজন ছাত্ৰৰ মৃত্যু হোৱা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। তীব্ৰবেগী এ এছ-০৩-ভি-৯৪০৮ নম্বৰৰ আৰ্টিকা বাহনে পথৰ দাঁতিত নিজৰ এ এছ-০৫-পি-০৯৪৮ নম্বৰৰ মটৰ চাইকেলৰ সৈতে ৰৈ থকা আদিত্য দাস নামৰ ছাত্ৰ জনক মহতিয়াই নিয়াৰ ফলত ঘটনাস্থলীতে কৰুণ মৃত্যু ঘটে। আৰ্টিকা বাহন খনত থকা চাবিৰ হুছেইন আৰু জেলিল হকে দুৰ্ঘটনা সংঘটিত কৰি কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি ছাত্ৰজনক বন, জাৱৰ আদি দি ঢাকি ৰখাৰ পিছত দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন এৰি পলায়নৰ চেষ্টা কৰিছিল। দুৰ্ঘটনা সংঘটিত কৰা বাহনখনত থকা দুয়ো প্ৰথমাৱস্থাত আসৈ মাতি ছাগলীৰ বাবে দুৰ্ঘটনা সংঘটিত হ'ল বুলি ৰাইজক পতিয়ন নিয়াব বিচাৰিছিল। প্ৰায় আধা ঘণ্টাৰ পিছত ছাত্ৰজনৰ পৰি থকা চেন্দেল প্ৰত্যক্ষ কৰাতহে জাৱৰ, বন দি ঢাকি ৰখা মৃতদেহ উদ্ধাৰ কৰা হয়। ৰাইজে দুয়োকে ধৰি উত্তম মধ্যম শোধাই আৰক্ষীক গতাই দিয়ে। ইপিনে পুত্ৰহাৰা পিতৃ - মাতৃ ব্যাকুল হৈ পৰাৰ সমানে দোষীক উপযুক্ত শাস্তিৰ দাবী জনাইছে আৰক্ষী প্ৰশাসনক। ৰাইজৰ অভিযোগ গাড়ীৰ চালক আৰু অন্যজন ব্যক্তি নিচাসক্ত হৈ থকাৰ বাবেই বাইকৰ সৈতে পথৰ দাঁতিত ৰৈ থকা ছাত্ৰজনক মহতিয়াই নিলে। ঘটনাক লৈ সোচ্চাৰ হৈ পৰা স্থানীয় ৰাইজক আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰে যদিও পৰৱৰ্তী সময়ত গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত দুৰ্ঘটনা সংঘটিত কৰি চিকিৎসাধীন হৈ থকা চাবিৰ হুছেইন আৰু জেলিল হকক উলিয়াই দিয়াৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। আৰক্ষী আৰু দণ্ডাধীশৰ উপস্থিতিত পৰিস্থিতি শাম কাটে যদিও সমগ্ৰ ঘটনাক লৈ এক চেপা উত্তেজনা বিৰাজমান।

# নাহৰকটীয়া জয়পুৰত নিষিদ্ধ ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, নাহৰকটীয়া, ১২ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ সমীপৰ জয়পুৰত আজি সন্ধিয়া নিষিদ্ধ ড্ৰাগছ সহ গ্ৰেপ্তাৰ কৰা হয় দুজনকৈ ড্ৰাগছ সৰবৰাহকাৰী। ঘটনাস্থলীৰ পৰা লাভ কৰা তথ্য অনুসৰি জয়পুৰ আৰক্ষীয়ে আজি সন্ধিয়া নাহৰকটীয়াৰ পৰা জয়পুৰলৈ দৈনিক ভাড়া মৰা এখন মাৰুটি ভান বাহনত দুটাকৈ সৰবৰাহকাৰীয়ে ড্ৰাগছ সৰবৰাহ কৰাৰ তথ্য লাভ কৰি বাহনখন অনুসৰণ কৰি আহি জয়পুৰ থানাৰ সমীপতে বাহন খনত যাত্ৰী ৰূপে অহা দুজনকৈ যুৱক ক্ৰমে জয়পুৰ থানাৰ অধীনৰ নগাঘাট অঞ্চলৰ দীপমইনা দাস আৰু ৰাম পুকাৰ ৰায়ক তালাচী চলোৱাত দীপমইনা দাসৰ জিম্মাৰ পৰা প্ৰায় ১১ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহৰ লগত জড়িত দীপমইনা দাসে উজনি অসমৰ বিভিন্ন স্থানৰ পৰা এই নিষিদ্ধ ড্ৰাগছ সৰবৰাহ কৰি অৰুণাচল প্ৰদেশৰ তিৰাপ জিলাত যোগান ধৰি আহিছিল আৰু ইয়াক পূৰ্বে কেইবাবাৰো অৰুণাচল আৰু অসম আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহৰ বাবে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। বৰ্তমান জয়পুৰ আৰক্ষীয়ে ধৃত এই দুই ড্ৰাগছ সৰবৰাহ কাৰীৰ পৰা এটা মোবাইল ফোনৰ লগতে নগদ ২৪০০ টকা উদ্ধাৰ কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# বৰপেটাৰোডৰত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু)কেন্দ্ৰীয় সমিতি আৰু বি.টি. আৰ. কমিটীৰ উদ্যোগত সাংগঠনিক কৰ্মশালা

**অসম বাৰ্তা, বৰপেটা নগৰ, ১২ আগষ্ট ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু) কেন্দ্ৰীয় সমিতিৰ তত্ত্বাৱধানত আৰু বি, টি, আৰ কমিটীৰ উদ্যোগত সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হয় বৰপেটাৰোড সাহিত্য সভা ভৱনত। সংগঠনটোৰ বিটিআৰৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি ৰোহিত কুমাৰ দাহালৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাত ছাত্ৰ সংগঠনকে বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হয়। সাধাৰণ সম্পাদক ৰাজু সুবেদিয়ে আঁত ধৰা সভা কেন্দ্ৰীয় সভাপতি সুনীল ছেত্ৰী, সাধাৰণ সম্পাদক নোমল ছেত্ৰী, মুখ্য উপদেষ্টা বীৰেন্দ্ৰ চুবা, প্ৰাক্তন সভাপতি ভাস্কৰ দাহাল প্ৰমুখ্যে বিটিআৰৰ অঞ্চলৰ ৫খন জিলা আৰু ৩০খন আঞ্চলিক, বিভিন্ন কলেজৰ শাখা আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰকেবগৰাকীও নেতা উপস্থিত থাকে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বলিল মাকুম শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ

**অসম বাৰ্তা, মাকুম, ১১ আগষ্ট ঃ** চলিত বৰ্ষৰ জুলাই মাহত মধ্যপ্ৰদেশৰ বালাঘাটত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ড° বি চি ৰয় ট্ৰফী ১৭ বছৰ অনূৰ্দ্ধৰ জুনিয়ৰ ফুটবল চেম্পিয়নশ্বিপ-২০২৫ টায়াৰ ২ চুৰান্ত প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল অসম দলৰ হৈ অংশগ্ৰহণ কৰা মাকুম ৰেলৱে কলনিৰ বাসিন্দা তথা ৰাজ্যিক প্ৰাক্তন ফুটবল খেলুৱৈ জয় প্ৰকাশ মৰাণ আৰু জ্যোতিস্না গগৈ মৰাণৰ সুযোগ্য পুত্ৰ মাকুম শংকৰদেৱ শিশু নিকেতনৰ দশম শ্ৰেণীৰ ছাত্ৰ দেৱজ্ঞান মৰাণে অধিনায়কৰ দায়িত্ব লৈ পূৰ্বে টায়াৰ ২ থকা অসম ফুটবল দলটোক টায়াৰ ১ লৈ পদোন্নতি দিয়াবলৈ সক্ষম হ'ল। ড° বি চি ৰয় ট্ৰফী ১৭ বছৰ অনূৰ্দ্ধৰ জুনিয়ৰ ফুটবল চেম্পিয়নশ্বিপ-২০২৫ ত অসমৰ দলটোৱে পাঁচখন খেলৰ ভিতৰত ৰাজস্থানৰ ফুটবল দলটোক ৩-০, হাৰিয়ানাৰ ফুটবল দলটোক ২-১, জম্মু-কাশ্মীৰ ফুটবল দলটোক ৩-০ আৰু চেমি ফাইনেলত বিহাৰ ফুটবল দলটোক ১-০ ব্যৱধানত পৰাস্ত কৰি উত্তৰ প্ৰদেশৰ ফুটবল দলটোৰ সৈতে চূড়ান্ত খেলত প্ৰৱেশ কৰি ৩-০ ত অসমৰ দলটো পৰাস্ত হয় যদিও ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল অসম দলটো টায়াৰ ১ লৈ পদোন্নতি হয়। উল্লেখযোগ্য যে সুদীৰ্ঘ ২৫ বছৰৰ পাছত অসম দলে বিহাৰৰ দলটোক চেমিফাইনেলত পৰাস্ত কৰিবলৈ সক্ষম হ'ল। অসম তথা সমগ্ৰ তিনিচুকীয়া জিলা খনৰ লগতে মাকুম শংকৰদেৱ শিশু নিকেতনলৈ গৌৰৱ কঢ়িয়াই অনাত দশম শ্ৰেণীৰ ছাত্ৰ দেৱজ্ঞান মৰাণক উষ্ম আদৰণি জনোৱাৰ অৰ্থে নিকেতনখনৰ কৰ্তৃপক্ষৰ উদ্যোগত এক সম্বৰ্ধনা



অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত নিকেতন খনৰ প্ৰধান আচাৰ্য মোহন কুমাৰ ছেত্ৰীৰ লগতে বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সম্পাদক গৌৰাঙ্গ ভট্টাচাৰ্য, আচাৰ্য মণিষা নেওগ, সহপাঠী সনাতন চেতিয়া প্ৰমুখ্যে কৰি অন্যান্য আচাৰ্যাৰ লগতে ছাত্ৰ ছাত্ৰী সকলে দেৱজ্ঞান মৰাণক বিশেষ ভাৱে সম্বৰ্ধনা জনায়। তাৰ পাছতে নিকেতনখনৰ প্ৰধান আচাৰ্য, পৰিচালনা সম্পাদককে আদি কৰি কেইবাগৰাকী আচাৰ্য আচাৰ্যাৰ লগতে সহপাঠী অনুৎপল সোণোৱালে দেৱজ্ঞান মৰাণৰ সাফল্যত গৌৰৱান্বিত হোৱাৰ লগতে ভৱিষ্যতে আৰু আগুৱাই যোৱাৰ কামনা কৰি ছাত্ৰ ছাত্ৰী সকলক শিক্ষাৰ সমান্তৰালকৈ নিজৰ মাজত থকা সুপ্ত প্ৰতিভা সমূহ জাগ্ৰত কৰি দেৱজ্ঞান মৰাণৰ দৰে আগুৱাই যাবলৈ অনুষ্ঠানত ভাষণৰ জৰিয়তে আহ্বান জনায়। আজিৰ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থকা দেৱজ্ঞান মৰাণৰ পিতৃ জয় প্ৰকাশ মৰাণ আৰু মাতৃ জ্যোতিস্না গগৈ মৰানে অশেষ কষ্ট আৰু ত্যাগৰ মাজেৰে পুত্ৰ দেৱজ্ঞান মৰানে ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বলি উঠাত অতিকৈ সুখী হোৱা বুলি অৱগত কৰে।

# গুৱাহাটীত 'আমান ফ্ৰেগ্ৰন্স'ৰ উদ্যোগত কৃতি ছাত্ৰ-ছাত্ৰীক "হুছেইন একাডেমিক এক্সিলেন্স এৱাৰ্ড" প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ আগষ্ট ঃ** বেচৰকাৰী সংস্থা "সুবৰ্ণ বলয়" ৰ সহযোগত ৯ আগষ্ট, শনিবাৰে "আমান ফ্ৰেগ্ৰন্স" ৰ উদ্যোগত গুৱাহাটীস্থিত ভাগৱতী প্ৰসাদ বৰুৱা ভৱনত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফলাফল দেখুওৱা কিছু সংখ্যক কৃতি ছাত্ৰ ছাত্ৰীক "হুছেইন একাডেমিক এলিন্স এৱাৰ্ড"ৰে সন্মানিত কৰা হয়। জেষ্ঠ অধিবক্তা জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাত মুখ্য অতিথি ৰূপে ডঃ ৰুমা বৰদলৈ প্ৰমুখ্যে বিশিষ্ট নিৰন্ধকাৰ ডঃ ৰেজাউল কৰিম, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা এ. এছ. তাপাদাৰ, কামৰূপ জিলা অধিবক্তা সন্থাৰ আলোচনী সম্পাদক চাৰ্জিবুল হক সহিতে বটাঁ প্ৰাপক ছাত্ৰ ছাত্ৰী সকলৰ অভিভাৱক সমনিতে কেইবাজনো ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ উদ্যোক্তা "আমান ফ্ৰেগ্ৰেন্স" ৰ স্বত্বাধিকাৰী আমানুল্লাহ এই অনুষ্ঠানত উপস্থিত থাকে আৰু এই বঁটাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত হৈ জীৱনত সফলতা অৰ্জন কৰিব বুলি আশা প্ৰকাশ কৰে। সেইদিনা সকলো অভিভাৱক তথা আমন্ত্ৰিত ছাত্ৰ-ছাত্ৰী সকলে সভাখন সাফল্য মণ্ডিত কৰাত সহযোগ কৰাৰ বাবে বেচৰকাৰী সংস্থা "সুবৰ্ণ বলয়"ৰ লগতে বঁটা দাতা আমানুল্লাই ইয়াৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে।

# বকো বজাৰ সমিতিৰ উদ্যোগত বজাৰ এলেকাত চাফাই অভিযান

**অসম বাৰ্তা, বকো, ১২ আগষ্ট ঃ** কামৰূপ জিলাৰ অতি গুৰুত্বপূৰ্ণ আৰু উন্নত বাণিজ্যিক কেন্দ্ৰ বকো বজাৰত আজি বজাৰ সমিতিৰ উদ্যোগত চাফাই অভিযান কৰা হয়। বকো বজাৰ সমিতিৰ সভাপতি তথা যুৱ সমাজ কৰ্মী ৰঞ্জিত দলৈ আৰু সাধাৰণ সম্পাদক দূৰ্গেশ্বৰ ৰাভাই জনোৱা মতে; সমাগত দেশৰ স্বাধীনতা দিৱস উপলক্ষে আৰু ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈৰ আহ্বানত এই চাফাই অভিযান কৰা হয়। আজিৰ চাফাই অভিযানত বকো বজাৰ সমিতিৰ বিষয় ববীয়া; উপদেষ্টা বৃন্দ; দোকানী ব্যৱসায়ী সকলোৰ উপৰিও পঞ্চায়তৰ সভাপতি সহ কৰ্মী সকলে সহযোগ কৰে। বকো বজাৰৰ চৌহদত অনুষ্ঠিত হয় চাফাই অভিযান। চাফাই অভিযানত বকোৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস; বকো মণ্ডল বি জে পিৰ সভাপতি হিৰণ্য কুমাৰ নাথ; ২৪ নং দক্ষিণ বকো গাওঁ পঞ্চায়তৰ সভাপতি দীপাংকৰ বড়ো; উপদেষ্টা ৰমেশ চন্দ্ৰ ডেকা; খগেন ঠাকুৰীয়া; ইন্দ্ৰ সিং ৰাথোৰ; হিৰেন ৰাভা; ৰতন সাউদকে ধৰি বহু কেইজন বিশিষ্ট সমাজ সংগঠকে সহযোগ আগবঢ়াই। ইফালে চাফাই অভিযান সামৰি সভাপতি ৰঞ্জিত দলৈয়ে জনোৱা মতে; স্বচ্ছ আৰু সুষ্ঠ পৰিৱেশ সৃষ্টি কৰাৰ লগতে স্বচ্ছতাই সেৱা শীৰ্ষক শ্লোগান বিলাই সকলো দোকানীকে নিজৰ নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখ ভাগ পৰিষ্কাৰ কৈ ৰখাৰ আহ্বান জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন